# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1981

## ( Budget Session )

Volume VI

No. 2

Dated the 23rd March, 1981

Contents :


| | | Page |
|---|---|---|
| 1. | Questions | 1—41 |
| 2. | Miscellaneous | 42—47 |
| 3. | Announcement by the Speaker | 47—49 |
| 4. | Report of the Business Advisory Committee | 49—51 |
| 5. | Presentation of List of Supplementary Demands for Grants and Supplementary Appropriation for 1980-81 | 52 |
| 6. | Presentation of Budget for 1981-82 | 52—72 |
| 7. | Presentation of Vote on Accounts, 1981-82 | 72 |
| 8. | Introduction of Government Bills | 73—74 |
| 9. | No -Confidence Motion | 74—129 |
| 10. | Adjournment | 130 |

## Proceedings of the Sixth Session of the Assam Legislative Assembly assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India

The House met in the Assembly Chamber, Dispur, Gauhati on Monday, the 23rd March, 1981 with the Hon. Speaker in the Chair, 10 (ten) Ministers, 5 (five) Ministers of State, and 100 (hundred) Members Present.

### STARRED

### QUESTIONS AND ANSWERS

Date 23rd March, 1981

(To which oral answers were given)

### বিঃ কাৰ্বি আংলং জিলা পৰিষদ

শ্ৰীগান্ধী ৰাম টিংমুংএ সুধিছে ঃ

*১। মাননীয় পাহাৰী এলেকা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) কাৰ্বি আংলং জিলা পৰিষদ খন ১৯৮০ চনত ভঙ্গ কৰি দিয়া হল নেকি ?

শ্ৰীধনী ৰাম ৰংপী ( পাহাৰী এলেকাৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

১। (ক) কাৰ্বি আংলং জিলা পৰিষদ ১৯৮০ চনত ভঙ্গ কৰি দিয়া হোৱা নাই ।

(খ) যদি ভঙ্গ কৰা হল কি অভি-যোগত আৰু কি আইনৰ ধাৰাত ভঙ্গ কৰা হ'ল?

(খ) প্ৰশ্ন নুঠে।

(গ) এই জিলা পৰিষদ ক্ষম ভঙ্গ হোৱাৰ সময়ত কোন দল শাস-নত অধিষ্ঠিত আছিল আৰু এই দলৰ সদস্যৰ সংখ্যা কিমান আছিল ?

(গ) প্ৰশ্ন নুঠে।

(ঘ) এই পৰিষদৰ কোনোবা চৰ-কাৰী মনোনীত সদস্য বা তেওঁৰ/তেওঁলোকৰ কাৰ্য্যকাল শেষ নোহোৱাকৈ সদস্য পদৰ পৰা বাতিল কৰা হৈছিল নেকি ?

(ঘ) চৰকাৰৰ দ্বাৰা মনোনীত সদ-স্যৰ মনোনয়ন বাতিল কৰা হৈছে।

(ঙ) যদি হৈছিল তাৰ কাৰণ কি ?

(ঙ) তেওঁলোকৰ বিৰুদ্ধে দুনীতিৰ অভিযোগ আছে।

শ্ৰীগান্ধী ৰাম টিমুং : মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জিলা পৰিষদ ভঙ্গ কৰা নাই বুলি কৈছে মানি লৈছো। কিন্তু কাৰ্য্যকৰী কমিটি ভঙ্গ কৰি চৰকাৰে যেতিয়া টেকঅভাৰ কৰে তেতিয়া তেওঁলোকক কি অভিযোগ দিয়া হৈছিল ? আৰু চৰকাৰে টেকঅভাৰ কৰা সময়ত মই (গ) প্ৰশ্নত সুধিছিলো সেই সময়ত কোন দল শাসনত আছিল আৰু শাসনাধিষ্ঠ দলত থকা সদস্যৰ সংখ্যা কিমান আছিল ?

Shri KESHAB CHANDRA GOGOI (Minister, Parliamentary Affairs) : It will be difficult for the Minister to reply to all the questions at a time. Honourable Members should put questions one by one.

শ্ৰীগান্ধী ৰাম টিমুং ঃ কাৰ্য্যকৰী কমিটি ভঙ্গ কৰা হৈছিল নেকি ?

শ্ৰীধনী ৰাম ৰংপী (পাহাৰী এলেকাৰ মন্ত্ৰী ) ঃ হয় কৰা হৈছিল কিন্তু তাৰ মুখ্য কাৰ্য্যবাহী সদস্য গৰাকীয়ে পদত্যাগ কৰা কাৰণেহে কৰা হৈছিল ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ কাৰ্য্যকৰী কমিটি ভঙ্গ কৰাৰ কাৰণে মন্ত্ৰী সভাৰ সমৰ্থনৰ প্ৰয়োজন আছিল নেকি আৰু যদি আছিল লোৱা হৈছিল নে নাই ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী) ঃ হয় লোৱা হৈছিল ।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ কাৰ্য্যকৰী কমিটি ভঙ্গকৰি দিয়াৰ সময়ত যেতিয়া চাৰ্জ লয় তেতিয়া তেওঁলোকক অফিছৰ পৰা ওলাবলৈ তত্ দিয়া নাছিল আনকি ডায়েৰীখনো অফিছৰ পৰা আনিবলৈ সময় দিয়া নাই, অফিছত তলা লগোৱা হৈছিল, টেলিফোন কাতি দিছিল আৰু পুলিচ লগাই মটৰ গাড়ী লৈ অহা হৈছিল এই কথা সঁচা নে ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী) ঃ কাৰ্য্যকৰী কমিটিৰ সদস্য সকলৰ ফাংচন শেষ হোৱাৰ পাছত তেওঁলোক যোৱাৰ পাছত অফিছ বন্ধ কৰি দিয়া হৈছে ।

Shri JAGANNATH SINHA : In reply to Starred Question No. 1., there are certain charges of corruption. Wh are those charges ? Will Minister let the House know ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী ঃ চাৰ্জলোৱা সময়ত অসমত মন্ত্ৰীসভা নাছিল, তেতিয়া ৰাষ্ট্ৰপতিৰ শাসন চলি আছিল আৰু ৰাজ্যপাল মহোদয়ে নিজৰ ইনিচিয়েটিভত অভিযোগবোৰ প্ৰমাণ পোৱাৰ পাছত এই ব্যৱস্থা গ্ৰহণ কৰিছে ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মন্ত্ৰী মহোদয়ে কৈছে যে কাৰ্য্যকৰী কমিটিৰ সদস্য সকলৰ বিৰুদ্ধে অভিযোগ আছে সেইটো ৰাষ্ট্ৰপতিৰ শাসনতে

হওঁক বা এতিয়াৰ শাসনতে হওঁক সেই অভিযোগ বিলাক পৰীক্ষা নিৰীক্ষা কৰা হৈছিল নে ? আৰু যদি হৈছিল সেই স্পষ্ট অভিযোগ বিলাক মন্ত্ৰী মহোদয়ে সদনক জনাবনে ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী) ঃ ৰাজ্যপালৰ শাসনৰ দিনত ৰাজ্যপালে সেইবিলাক নিজে তদন্ত কৰি প্ৰমানিত কৰি ব্যৱস্থা লৈছে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ মই সুধিছো দুৰ্নীতিৰ কি কি অভিযোগ আছিল ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী) ঃ সেইটো মোৰ হাতত নাই দৰ্কাৰ হলে টেবুলত ৰাখিম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা ঃ এই প্ৰশ্নটো নিৰ্দ্দিষ্টভাবে সোধা হৈছিল আৰু সেই হিচাবে মন্ত্ৰী মহোদয় সাজু হৈ আহিব লাগিছিল। গতিকে দুৰ্নীতিৰ অভিযোগখিনি জনাব নেকি ?

Shri KESHAB CHANDRA GOGOI : (Minister Parliamentary Affairs ) : The Minister has already replied the question. Minister will place a copy of the charges on the table of the House.

Shri DULAL CHANDRA BARUA : If there are any charges against those persons, whether show-cause notice was issued to them ? Whether any reply was sought from them or not ? Will the Minister in-charge inform the House ?

Shri DHANI RAM RONGPI (Minister) : There were allegations against those persons.

Shri DULAL CHANDRA BARUA : Whether there was any inquiry ?

শ্ৰীধনী ৰাম ৰংপী (মন্ত্ৰী) ঃ কৰা হোৱা নাই।

Shri SARAT CHANDRA SINHA : The question is specific. The Minister has replied that there were corruption charges. Hon. Minister must be prepared to tell the House what were the charges. As he is without preparation he wants him to place the same on the table of the House

( Interruptions )

This shows how unprepared the Minister is.

( Interruptions )

Shri KESHAB CHANDRA GOGOI ( Minister, Parliamentary Affairs ) : The question is not specific.

Shri SARAT CHANDRA SINHA : What are the Charges ? The Minister must tell the house.

Shri KESHAB CHANDRA GOGOI ( Minister, Parliamentary Affairs ) : I have already said that the charges would be placed on the table of the House.

( noise, noise )

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : মোৰ প্ৰশ্নটোৰ উত্তৰ নেপালো। মই জানিব বিচাৰিছো সিদিনাই টেলিফোন কৰা হৈছিল আৰু পলিচ লগাই গাড়ী বিলাক অনা হৈছিল নেকি ?

শ্ৰীধনী ৰাম ৰংপী ( মন্ত্ৰী ) : হয় টেলিফোন কৰা হৈছে।

শ্ৰীগান্ধী ৰাম টিমুং : সেই সময়ত খৰ চিং বে বুলি কাৰ্য্যকৰী কমিটিৰ এজন সদস্য আছিল তেখেতৰ পৰিবাৰৰ বিশেষ চিকিৎসাৰ বাবে তেওঁৰ গাড়ীখনতে পৰিষদৰ নিয়মীয়া অনুমতি লৈ ছাত্ৰীবাৰী

হস্পিটেলত চিকিৎসা কৰিব আনিছিল। কিন্তু দুখৰ কথা ছাত্ৰীবাৰী হস্পিটেলৰ পৰাই পুলিচৰ দ্বাৰা তেখেতৰ গাড়ীখন চিজ কৰা কথা মন্ত্ৰী মহোদয়ে জানেনে?

শ্ৰীধনীৰাম ৰংপী ( মন্ত্ৰী ): সেই কথা মোৰ দৃষ্টিগোচৰ হোৱা নাই আৰু দৰ্কাৰ হলে তাৰ তদন্ত কৰিম।

Shri BANESWAR SAIKIA : Mr. Speaker, Sir, I want to get a specific answer from the Hon. Minister. The Minister has said in answer to Question 1 that there were charges against those members and these were proved charges. I want to know if the charges were proved whether any police case was instituted against those members. If there were any corruption charges the members should be handed over to the police.

Shri GOLOK CHANDRA RAJBANSHI ( Minister ) : Mr. Speaker, Sir, I raise a point of order. A question was asked by Mr. Sinha and it was replied by the Parliamentary Affairs Minister saying that it will be laid on the table of the House ( noise from the Opposition Members )

Mr. SPEAKER : Order, order. The Health Minister will speak.

Shri GOLOK CHANDRA RAJBANSHI ( Minister ) : ( Amidst noise ) Sir, whether I am permitted to speak.

Shri NAGEN CHANDRA BARUA : I have raised a point

of order and it is very pertinent. It is in respect of the point of order.

Mr. SPEAKER : The Health Minister has already raised a point of order and I would like to hear his point of order.

Shri GOLOK CHANDRA RAJBANSHI ( Minister ) : Sir, that one supplementary was replied to by the Parliamentary Affairs Minister and after that there were two supplementary questions—one by Mr. Barua and another by Shri Atul Chandra Goswami and now again the same supplementary is being asked. Whether that supplementary has got to be replied by the Minister ?

Shri DULAL CHANDRA BARUA : Sir, under what rule he has quoted this ?

Shri ATUL CHANDRA GOSWAMI : He must quote the rule, Sir.

Mr. SPEAKER : As per rule the same question should not be repeated.

শ্ৰীসোনেশ্বৰ বৰা ঃ মই জানিব বিচাৰিছো সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে আৱশ্যকীয় নথি-পত্ৰ সদনৰ মজিয়াত দিম বুলি কৈছে। এইখিনিয়ে যথেষ্ঠ হবনে ? আমাৰ দাবী এই প্ৰশ্নটো পেন্দিং ৰাখিব লাগে।

( Noise from all sides )

Mr. SPEAKER : Order, order. The Hon'ble Parliamentary Minister has said that the reply will be

placed on the Table of the House ; so he will place it on the Table of the House.

Shri DULAL CHANDRA BARUA : That is why my submission to you is that the question is very important and this should be kept pending.

Mr. SPEAKER : That may be done. এই প্ৰশ্নটো পেন্দিং থাকিল।

## বিঃ চৰকাৰী সংগ্ৰহ ব্যৱস্থাৰ জৰীয়তে ধান সংগ্ৰহ

শ্ৰীশূল বৰাই সুধিছে :

শ্ৰীএ, এফ, গোলাম ওচমানী ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

*২। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমত এইবাৰ চৰকাৰী সংগ্ৰহ ব্যৱস্থাৰ জৰীয়তে কিমান ধান সংগ্ৰহীত কৰা হ'ল জনাবনে ? ( মহকুমা ভিত্তিত হিচাব দিব )

২। (ক) ১৯৮১ চনৰ ৩১ জানুৱাৰী তাৰিখলৈকে মুঠ ৫,১৭,৯৩৯.৯৪ কুইণ্টল ধান সংগ্ৰহ কৰা হৈছে। মহকুমা ভিত্তিত ধান সংগ্ৰহৰ তালিকা এখন সদনৰ মেজত ৰখা হ'ল।

(খ) এইবাৰ কোন তাৰিখৰ পৰা অসমৰ বিভিন্ন মহকুমাত চৰকাৰী ধান সংগ্ৰহ মূল্য অনুসাৰে ধান সংগ্ৰহ কৰা হৈছে ?

(খ) ষ্টেটফেডে জনাইছে যে তেওঁলোকে ৭-১২-৮০ তাৰিখৰ পৰা ধান সংগ্ৰহৰ কাম আৰম্ভ কৰিছে আৰু ভাৰতীয় খাদ্য নিগমে জনাইছে যে তেওঁলোকে ১৯৮০ চনৰ ডিচেম্বৰ মাহৰ পৰা ধান সংগ্ৰহৰ কাম আৰম্ভ কৰিছে।

(গ) মহকুমা সমূহত এই সংগ্ৰহীত ধানৰ পৰা গোটেই বছৰটোৰ জোখাৰে ধান মজুত ৰখাৰ কিবা ব্যৱস্থা আছেনে ?

(গ) গোটেই বছৰটোত মহকুমা-বিলাকৰ চাহিদা পূৰণ কৰাৰ বাবে যি খিনি ধান সংগ্ৰহ কৰা হৈছে সেই খিনিয়েই যথেষ্ট নহয়।

শ্ৰীশূল বৰা : এই মহকুমাখনত ধান সংগ্ৰহৰ কাৰণে কাক কাক দায়িত্ব দিয়া হৈছে ? মিল মালিক সকলকো দিছে নেকি মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰী এ এফ গোলাম ওচমানী ( যোগান মন্ত্ৰী ) ঃ ষ্টেটফেদ আৰু ভাৰতীয় খাদ্য নিগমক দিয়া হৈছে। তাৰোপৰি মিল মালিক সকলকো দিয়া হৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ কোন কোন মিল মালিকক ধান সংগ্ৰহৰ দায়িত্ব দিয়া হৈছে ?

শ্ৰী এ এফ গোলাম ওচমানী ( মন্ত্ৰী ) ঃ তাৰ কাৰণে নটিচ লাগিব।

শ্ৰীযোগেন গগৈ : পৰ্য্যায়ক্ৰমে ধান সংগ্ৰহৰ যি নীতি চৰকাৰে গ্ৰহণ কৰিছিল সেই অনুপাতে চৰকাৰ সাফল্যমণ্ডিত হব পাৰিছে নে ?

শ্ৰী এ এফ গোলাম ওচমানী ( মন্ত্ৰী ) সংগ্ৰহ পলমকৈ আৰম্ভ হৈছে। এই সংগ্ৰহ আৰম্ভ হব লাগিছিল অক্টোবৰ মাহতে কিন্তু ডিচেম্বৰ মাহতো কৰিব পৰা ন'হল যাৰ কাৰণে সম্পূৰ্ণ সম্ভৱ হোৱা নাই।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ মিল মালিক সকলকো ধান সংগ্ৰহৰ দায়িত্ব দিয়া হৈছে বুলি মন্ত্ৰী মহোদয়ে স্বীকাৰ কৰিছে ; কিন্তু মিল মালিক সকলে চৰকাৰক তাৰ কাৰণে যি লেভি চাউল দিব লাগে তাক দি আছে নে ?

শ্ৰী এ এফ গোলাম ওচমানী ( মন্ত্ৰী ) ঃ তেওঁলোকে দি আছে, ডিটেইল দিব লাগিলে বেলেগে প্ৰশ্ন কৰিলে দিব পাৰিম।

শ্ৰীগজেন তাঁতী ঃ মন্ত্ৰী মহোদয়ে যিমানখিনি ধান সংগ্ৰহ কৰা হৈছে সেইখিনিৰে চাহিদা পূৰণ কৰিব পৰা নহব বুলি কৈছে। মই মন্ত্ৰী মহোদয়ৰ

পৰা জানিব বিছাৰিছো গোটেই বছৰতে অসমত কিমান চাউল লাগে আৰু সেইখিনি পূৰণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰী এ এফ গোলাম ওচমানী ( মন্ত্ৰী ) ঃ আমাৰ মুঠ চাহিদা হ'ল ৫১ হাজাৰ ৩০০ মেট্ৰিক টন আৰু ইয়াৰে যিখিনি চৰ্টফল হব সেইখিনি ভাৰত চৰকাৰৰ খাদ্য নিগমে পূৰণ কৰিব বুলি কৈছে।

শ্ৰীগজেন তাঁতী ঃ খাদ্য নিগমৰ ভৰালত বৰ্ত্তমান কিমান চাউল জমা আছে জনাবনে ?

শ্ৰী এ এফ গোলাম ওচমানী ( মন্ত্ৰী ) ঃ বেলেগ নটিচ লাগিব ।

Shri JAGANNATH SINHA : Sir, every year in the summer due to flood and other natural catastrophe Cachar district is cut off from the rest of the world because communications are cut off. In view of that may I know from the Hon'ble Minister that in order to save the people of Cachar whether he cotemplates to have a buffer stock of cereals in Cachar to save the people during the time of emergency.

Shri A. F. GOLAM OSMANI ( Minister ) : Hon'ble Speaker, Sir, that problem was studied. Last year, because of non-availability of rice and wheat in Cachar District as well as in Upper Assam district of Dibrugarh, there was a great dislocation. Only a few days back we contacted the Union Agriculture Minister to impress that Assam may be allowed to have a special buffer stock in relation to 2 areas atleast, one in Cachar district and another in Upper Assam district of Dibrugarh. They in principle agreed to this.

The question is now only transportation. Rice and wheat are available, in every parts of India. The constraints is how to transport it. Union Railway Ministry has been contacted and they have agreed in principle to allot 2 rakes for Cachar and Dibrugarh each.

শ্ৰীকিৰণ বেজবৰুৱা : মন্ত্ৰী মহোদয়ে কৈছে যে তিনিটা এজেন্সি কৰি সংগ্ৰহ কৰা হৈছে। মিল মালিক যি সকলক দিয়া হৈছে সেই সকলৰ পৰা আগৰ কাৰ্য্যকলাপ চাই লেভি লোৱা হৈছেনে নাই? এইটো মন্ত্ৰী মহোদয়ে কেনেকৈ কব খোজে কব নোৱাৰো যি সকলে আগতে লেভি দিয়া নাই সেই সকল মিল মালিকক আকৌ সংগ্ৰহ কৰিবলৈ দিয়া হৈছে।

শ্ৰীএ, এফ, গোলাম ওচমানি ( মন্ত্ৰী ) : ইয়াৰ কাৰণে নটিচ্ লাগিব।

শ্ৰীনুরুল হুদা : এই রাজ্যে ধানের সংগ্রহ মূল্য কত টাকা নিদ্ধারিত করা হয়েছে- সেটা আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই এবং কৃষকরা সেই মূল্য পাচ্ছে কি না তা ও মন্ত্রী মহোদয় বলবেন কি?

Shri A. F. GOLAM OSMANI ( Minister ) : Sir, this will also need a notice.

Shri DULAL CHANDRA BARUA : Sir, the Minister has stated about the requirement of 15,000 qtls. or something like that. May I know from the hon'ble Minister what is the annual requirement and what is the present position of the food stock. So may I know from the hon'ble Minister what is the annual requirement of the State and what is the break up that has been collected by the different agency here in the State of Assam.

Shri A. F. GOLAM OSMANI ( Minister ) : Sir, as I have already stated that the annual requirement is 51,300 metric tonnes. Presently the latest procurement figure available i.e. upto 16th February, 1981 is 5,42,056 quintals.

Shri DULAL CHANDRA BARUA : Sir, that figure supplied by the hon'ble Minister about the annual requirement is not correct. May I request the hon'ble Minister to kindly verify and tell the house the correct figure ?

Shri A. F. GOLAM OSMANI ( Minister ) : Hon'ble Member's suggestion will be certainly looked into.

শ্ৰীজীৱন বৰা ঃ মন্ত্ৰী মহোদয়ে কৈছে যে ধান সংগ্ৰহৰ কাম ইতিমধ্যে দেৰি হৈছে। আৰু ইতিমধ্যে সময় পাৰ হৈ গৈছে, আৰু তাৰ ফলত বজাৰত চাউলৰ দাম বাঢ়ি গৈছে। এতিয়া তেজপুৰত এনেকুৱা অৱস্থা হৈছে যে তাত ধান এটাও নাই। তাৰ ফলত বজাৰত চাউলৰ দাম বাঢ়িছে। বৰ্ত্তমান এই অৱস্থাৰ জেৰা মাৰিবৰ কাৰণে চৰকাৰে কি ব্যৱস্থা লৈছে ?

Shri A. F. GOLAM OSMANI ( Minister ) : When there was monopoly procurement the Govt. of India took the responsibility of meeting our requirements and hon'ble Member also as the then Supply Minister knew that in January, 1979 the allotment of rice was 49,000 and allotment of wheat was 38,000 qtls. In January, 1981 the allotment of rice was 41,000 qtls and wheat 19,000 qtls. The constraints is so far transportation. The Govt. of India in the Ministry of

Railway is working a special programme for this region and the Chairman, Railway Board is visiting this State by the middle of the next week and they are having a consultation with the representatives and officials of the North Eastern States as co-ordinated by the Secretary N. E. C. Mr. Mirani.

শ্ৰীবিপিন হাজৰীকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কলে যে পাচ লাখৰ অধিক ধান সংগ্ৰহ কৰা হৈছে। আৰু ৰাজ্যপালৰ ভাষণত লিখা আছে ৩.৭৫ লাখ কুইণ্টল ধান সংগ্ৰহ কৰা হৈছে। ইয়াৰ ভিতৰত কোনটো সত্য জানিব বিচাৰিছো।

শ্ৰীএ এফ গোলাম ওচমানি (মন্ত্ৰী) ঃ ৰাজ্যপালৰ ভাষণত উল্লেখিত সংখ্যাটো ৩১ জানুৱাৰীলৈকে দিয়া হৈছে। তাৰ পিচত আমি যিটো পাইছো সেইটো সদনত দিছো।

শ্ৰীচামচুল হুদা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে চৰকাৰে কিমান ধান সংগ্ৰহ কৰাৰ লক্ষ্য লৈছিল আৰু বৰ্তমান যিটো সংগ্ৰহ কৰিছে তাৰ যিটো সংগ্ৰহ বাকী আছে এই বাকীখিনি সংগ্ৰহ কৰিব পৰাৰ কিবা আশা আছে নে নাই ?

Shri A. F. GOLAM OSMANI ( Minister ): As the Hon'ble member knows since he is coming from a rural area that in the month of March very little scope is left for kharif procurement but we will take action for some ahu procurement.

Shri JAGANNATH SINHA : Mr. Speaker, Sir we are really very pleased to know from the hon'ble Minister that steps have been taken for maintaining buffer stock in Cachar and

Dibrugarh and food will be supplied to the people of these two districts food from the buffer stock in times of natural catastrophe. May I know from the hon'ble Minister whether there will be provision for supply to the tea garden population during the summer seasons from that buffer stock.

Shri A. F. GOLAM OSMANI ( Minister ) : It is clear that at the time ot allotment the tea garden population will not be left out and they will also be alloted.

Shri JAGANNATH SINHA : My question is whether that buffer stock will meet the need of the tea garden population as there are two kinds of stock and some get, from D. C.'s stock, and tea gardens are alloted form B. G. point.

Shri A. F. GOLAM OSMANI (Minister) : It has been brought to our notice about the difficulties of the tea garden handling agent and the present practice of procurement. We do not agree that the F. C. I. will only procure and we wanted that certain conditions to be imposed on F. C. I. We have already taken up the matter with the Union Agricultural Ministry. So I think the buffer stock will be there to meet all sorts of emergency.

## Re : Disciplinary proceedings against the Chief Conservator of Forest.

Shri SHAMSUL HUDA asked :

Shri SONARAM THOUSEN ( Minister Soil Conservation ) replied :

*3. Will the Minister Soil Conservation be pleased to state—

(a) Whether it is a fact that the Governor of Assam on the basis of the report of the Assembly Committee on the Soil Conservation Affairs relating to misappropriation of Govt. money ordered for drawing up proceedings against C. C. F. Shri P. C. Goswami in the month of October, 1980 ?

3 (a) No.

(b) If so, whether the proceedings was drawn up against Shri Goswami ?

(b) Does not arise in view of reply under (a) above.

(c) Whether it is also a fact that the Governor ordered for drawing up proceedings

(c) Does not arise.

against Chief Conservator of Forest, Shri P. C. Goswami without placing him under suspension ?

(d) If so, why ?

(c) Does not arise.

Shri SHAMSUL HUDA : Mr. Speaker, Sir, may I know from the Hon'ble Minister whether there was any Assembly committee constituted to go into the affairs of the Soil Conservation department at the time of the Janata Government ?

Shri SONARAM THOUSEN ( Minister ) : Yes, there was an Assembly Enquiry Committee constituted to enquire into the matters relating to the Soil Conservation Department as well as A.F.C.D.C.

Shri PROMODE CHANDRA GOGOI : Sir, whether that Committee had submitted their report to the Government ; if so, who are the members of that Committee ?

Shri SONARAM THOUSAN ( Minister ) : Sir, that information, I think the hon. member may kindly see from the question asked by Shri Gnan Gogoi, M.L.A. I mean, from the reply given to Q. No. 6 asked by Shri Gnan Gogoi.

Shri SHAMSUL HUDA : Sir, whether that committee had submitted any report ?

Shri SONARAM THOUSAN ( Minister ) : Sir, my reply to this is there is another question asked by Shri Gnan Gogoi, M.L.A and the reply given to that question will meet the requirement of this question.

Shri SHAMSUL HUDA : Then both these questions may be taken together,

## বিঃ বরাক নদীর ভাঙ্গন

শ্রীরামেন্দ্র দে জিজ্ঞাসা করছেন :

*৪। মাননীয় বান নিয়ন্ত্রন বিভা-গর মন্ত্রী মহোদয়ে অনুগ্রহ করি জানাবেন কি—

(ক) বরাক নদীর ভাংগনের ফলে শ্রীগৌরী স্কুল ও ৪৪ নং জাতীয় সড়ক সহ কিছু গ্রাম ধ্বংসের পথে সরকার এ খবর জানেন কি ?

(খ) যদি জানেন তবে এই সংক্রান্তে কোন ব্যবস্থা লওয়া হয়েছে ?

শ্রীরনেন্দ্র নারায়ণ বসুমতারী (বান নিয়ন্ত্রন বিভাগের মন্ত্রী) উত্তর দিছেন :

(ক) হয়, শ্রীগৌরীর নিকটে বরাক নদীর ভাঙ্গন আছে কিন্তু ৪৪ নং জাতীয় সড়ক সহ শ্রীগৌরী স্কুলে কোন ভাঙ্গন হয় নাই।

(খ) বর্ত্তমানে বিষয়টি বিবেচনাধীন।

শ্রীরামেন্দ্র দে : অধ্যক্ষ মহোদয়, মাননীয় মন্ত্রী মহোদয়ের এই বক্তব্য সঠিক বলে আমারা ধরতে পারছি না। কারন, নদী ভাঙ্গন থেকে ৪৪ নং ন্যশনেল হাইওয়ে মাত্র ১০ ফুট দুরে রয়েছে। যাই হোক আমি জানতে চাই যে 'ই এণ্ড ডি' বিভাগ থেকে 'প্লান এণ্ড এষ্টিমেট' দাখিল করা হয়েছে কি না ? যদি করা হয়ে থাকে তা হলে এতে কি রিপোর্ট দেওয়া হয়েছে ?

শ্রীরনেন্দ্র নারায়ন বসুমাতারী ( মন্ত্রী ) ঃ এটা অবশ্য ঠিক যে ১৯৬৬ ইংরাজীতে কিছুটা ভাঙ্গন হয়েছে। তারপর আর ভাঙ্গন ছিল না। আবার ১৯৭৭ ইংরাজীতে প্রায় ২০ মি: পরিমান ভাঙ্গন হয়েছিল। এখন অনেকটা 'ষ্টাব্‌ল'। তবুও বিপদের সম্ভাবনা অস্বীকার করা যায় না। তাছাড়া এই ব্যাপারে একটা স্কীম নেওয়ার জন্য টেক্‌নিক্যাল এড্‌ভাইসরী কমিটিকে বলা হয়েছে। আর, আমরা আশা করি টেক্‌নিক্যাল এড্‌ভাইসরী কমিটি যে স্কীম নেবে তা আমরা কার্য্যকরী করতে পারবো।

শ্রীরামেন্দ্র দে ঃ আগেও এই টেক্‌নিক্যাল এড্‌ভাইসরী কমিটিতে কোন প্ল্যান এণ্ড এষ্টিমেট দাখিল করা হয়েছিল কি না একথা মন্ত্রী মহোদয় বলতে পারবেন কি? যদি পারেন, কত টাকার স্কীম দাখিল করা হয়েছি?

শ্রীরনেন্দ্র নারায়ন বসুমাতারী ( মন্ত্রী ) ঃ টেকনিক্যাল এড্‌ভাইসরী কমিটি কত টাকাৰ প্লান দাখিল করেছিল আমি এখন বলতে পারছি না। তবে ফাণ্ডের অভাবের জন্য সেই স্কীমটা সরকার গ্রহন করেনি।

শ্রীরামেন্দ্র দে ঃ মন্ত্রী মহোদয় একথা সঠিক ভাবে বলতে পারবেন কি যে ফাণ্ডের অভাবে বাতিল করা হয় নাই টেক্‌নিক্যাল রিপোর্টের অভাবে এই স্কীম 'ডিস্‌এপ্রোভ' করা হয়েছিল?

শ্রীরনেন্দ্র নারায়ন বসুমাতারী ( মন্ত্রী ) : মাননীয় সদস্য ওনার নিজের মতামত ব্যক্ত করছেন।

শ্রীনুৰল হুদা ঃ মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে বরাক নদীর যে যায়গাৰ ভাঙ্গন নিয়ে এই প্রশ্ন করা হয়েছে তার, খুবই নিকটে কাটখাল অঞ্চলে বহুবছর ধরে বরাকনদী ভাঙ্গনের ফলে প্রচুর ক্ষয়-ক্ষতি হচ্ছে এবং পি ডব্লিও ডি রাস্তা ভেঙ্গে যাওয়ারফলে নতুন করে যে রাস্তা বানানো হয়েছে সেটা এবং

রেলের যে সংযোগ—সেটাও বর্ত্তমানে বিপদের সন্মুখীন হয়েছে। এই ব্যাপারে মন্ত্রী মহোদয় অবহিত আছেন কি এবং এই ব্যাপারে কোন উচ্চতর কর্তৃপক্ষের দৃষ্টি আকর্ষন করা হয়েছে কি এবং কি কি ব্যৱস্থা নেওয়া হচ্ছে ?

শ্রীরনেন্দ্র নারায়ন বসুমাতারী ( মন্ত্রী ) ঃ মাননীয় সদস্য সঙ্গে ইতিমধ্যে কাটাখালে ভাঙ্গনের প্রশ্নের ব্যাপারে আমার আলোচনা হয়েচিল। আমি সংশ্লিষ্ট বিভাগকে প্রয়োজনীয় ব্যৱস্থা নেওয়ার জন্য বলব।

শ্রীনিশীথ দাস মন্ত্রী মহোদয় স্বীকার করেছেন যে শ্রীগৌরীর স্কুল ও 44 নং জাতীয় সড়ক বরাক নদীর ভাঙ্গনের ফলে ক্ষতিগ্রস্ত হওয়ার সম্ভাবনা রয়েছে। সুতরাং আমার দাবী হলো যে এর থেকে রক্ষা করার জন্য মন্ত্রী মহোদয় কি ব্যবস্থা গ্রহণ করবেন ?

শ্রীরনেন্দ্র নারায়ণ বসুমাতারী ( মন্ত্রী ) স্যার, আমি আগেও বলেছি যে টেকনিক্যাল এডভাইচরী কমিটিতে আগামী এপ্রিল মাসে প্ল্যান দাখিল করা হবে। টিম্বার স্পার এবং বোলডার প্লেসিং করে তা প্রোটেক্ট করার ব্যবস্থা করা হবে।

## বিঃ নদীৰ বান নিয়ন্ত্ৰণ

| | |
|---|---|
| শ্ৰীলক্ষেশ্বৰ গোহায়ে সুধিছে : | শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে— |
| *৫। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে — | |
| (ক) নদীৰ বান পানী ৰোধ কৰিবৰ বাবে নদীৰ দুয়োপাৰে বান্ধ দিয়া ব্যৱস্থা আছেনে ? | (ক) বৈজ্ঞানিক ভিত্তিৰ ওপৰত নিভৰ কৰি প্ৰয়োজন বোধে নদীৰ দুয়োপাৰে বান্ধ দিয়াৰ ব্যৱস্থা আছে। |

(খ) যদি আছে, কোনো কোনো নদীৰ দুয়োপাৰত বান্ধ নিদিয়াৰ কাৰণ কি ?

(খ) বান্ধ দিও যদি ভিতৰ ফালে ( Countryside ) বানপানী কমাব নোৱাৰি তেন্তে তেনে বান্ধ দিয়া নহয়।

(গ) ইটো পাৰত বান্ধ নিদিয়াৰ ফলত বানপানী উঠি শস্য নষ্ট হোৱাটো ৰোধ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা লয় ?

(গ) 'খ' ৰ উত্তৰ সাপেক্ষে তেনেকুৱা ঠাইত কৃষি পদ্ধতি ( Cropping pattern ) বদলি কৰাৰ বাহিৰে আন উপায় নাই।

শ্ৰীলক্ষেশ্বৰ গোহাই ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কপিলী নদী দক্ষিণ পাৰৰ বান্ধটো কিমান চনত দিয়া হৈছিল ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কে কপিলী নদীৰ বান্ধৰ কথা বিশেষ ভাবে উল্লেখ কৰা হোৱা নাই। গতিকে মাননীয় সদস্যৰ পৰা এই বিষয়ে নোটিচ পালে উত্তৰ দিব পৰা যাব।

শ্ৰীফণী মেধি ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে বৈজ্ঞানিক ভিত্তিত কোনো কোনো ঠাইত নদীৰ দুয়োপাৰে বান্ধ দিয়া হয়। কিন্তু বহুত ঠাইত দেখা গৈছে যে প্ৰয়োজন বোধেৰে নদীৰ দুয়োপাৰে বান্ধ দিয়া হোৱা নাই। মই মন্ত্ৰী মহোদয়ৰ পৰা আৰু জানিব বিচাৰিছো যে অসমৰ বান্ধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দিল্লীৰ বহুতো উচ্চ ক্ষমতা সম্পন্ন বিষয়াৰ ইচ্ছা মতে বান্ধ দিয়া হয়। এই কথাটো জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ দিল্লীৰ পৰা ব্ৰহ্মপুত্ৰ ফ্লাড কণ্ট্ৰোল বোৰ্ডৰ ডাঙৰ ডাঙৰ ইঞ্জিনীয়াৰ আৰু উচ্চ বিষয়া মাজে সময়ে চোৱা চিতা কৰিব আহে। কিন্তু এতিয়া বৈজ্ঞানিক ভিত্তিত মথাউৰি যে দিয়া হয় এইটো কথা আমাৰ টেকনিকেল এক্সপাৰ্টৰ কথা মতেই কৰা হয়।

Shri SAMAR BRAHMA CHOUDHURY : Because of heavy deforestation there has been heavy siltation of

the river bed resulting in the river bed being above the ground level of the countryside. May I know whether the Flood Control Department has any plan to construct embankments or of derdging the river bed ?

Shri RANENDRA NARAYAN BASUMATARI ( Minister ): I quite appreciate what the Hon'ble Member has expressed. But, Sir, in all cases embankments on both sides of the river cannot be constructed because the flood spilled water during the rainy season remains higher in some places. On such particular places it is not possib!e to drain out water. So it is not advisable to construct embankments at such places.

শ্ৰীফণী মেধি ঃ অধ্যক্ষ মহোদয়, দিল্লীৰ পৰা যি জন ক্ষমতাশালী বিষয়া আমাৰ ইয়ালৈ অহাত আমাৰ বি, এফ চিৰ বিষয়া সকল একেবাৰে অসহায় হৈ পৰিল সেই বিষয়াজন কোন জনাবনে ?

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( মন্ত্ৰী ) ঃ তেনেকুৱা খবৰ মোৰ হাতত নাই ।

Shri JAGANNATH SINHA : Sir, the Minister has stated that in certain places where the river bed is hihger than the ground level of the countryside construction of embankments is not posible. Will the Minister please take steps to dredge the river bed in such areas ?

Shri RANENDRA NARAYAN BASUMATARI (Misnister) : It will be considered.

## বিঃ অসম ব্যাগিছা শস্য উন্নয়ন নিগম

শ্ৰীজ্ঞান গগৈয়ে সুধিছে ঃ

শ্ৰীসোনাৰাম থাও সেন ( ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে।

*ড৷ ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম ব্যাগিছা শষ্য উন্নয়ন নিগমৰ বিভিন্ন দূৰ্নীতি, ধনৰ অপচয় আদিৰ অনুসন্ধান কৰিবলৈ এখন তদন্ত সমিতি গঠন কৰা হৈছিল নে ?

ড৷ (ক) কাম কাজৰ খেলি মেলিৰ অনুসন্ধান কৰিবৰ বাবে এখন কমিটি গঠন কৰা হৈছিল।

(খ) যদি হৈছিল তেনেহলে সেই তদন্তৰ প্ৰতিবেদন দাখিল কৰিছেনে ?

(খ) হয়, কৰিছে।

(গ) যদি দাখিল কৰিছে তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত চৰকাৰে কি কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(গ) চৰকাৰে ইতিমধ্যে তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত দূৰ্নীতি পৰায়ণ বিষয়াৰ বিৰুদ্ধে বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰি তিনিজন উচ্চ বিষয়াক চাকৰিৰ পৰা নিলম্বিত আৰু আন কেইজনমান বিষয়াৰ বিৰুদ্ধে বিভাগীয় বিচাৰৰ (Departmental proceeding) ব্যৱস্থা গ্ৰহণ কৰিছে।

(ঘ) ওপৰুক্ত প্ৰতিবেদনৰ সবিশেষ সদৰি কৰা হবনে ?

(ঘ) সদৰি কৰাৰ আৱশ্যকতা দেখা নেযায়। কিয়নো বিভাগীয় কাম কাজৰ খেলি মেলিৰ তদন্তৰ বাবে এই কমিটি গঠন কৰা হৈছিল। কমিটিৰ তদন্তৰ

প্ৰতিবেদনৰ ভিত্তিত বিভাগীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীজ্ঞান গগৈ ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত তিনিজন বিষয়াক নিলম্বিত কৰা হৈছে, সেই কেইজনৰ নাম মন্ত্ৰী মহোদয়ে কবনে ? আৰু এই তদন্তৰ ফলস্বৰুপে কিমান টকা অপচয় হৈছে সেই সম্পৰ্কে স্পষ্ট ভাবে জনাবনে ?

শ্ৰীসোণাৰাম থাওচেন ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, সেই নিলম্বিত কৰা বিষয়া কেইজনৰ নাম নোকোৱাই ভাল হব। কাৰণ..............

( চাৰিও ফালৰ পৰা নানা গণ্ডগোল )

findings of the Enquiry Committee is not conclusive evidence to prove guilt. সেই কাৰণে নোকোৱাই ভাল হব।

Shri ALTAF HUSSAIN MAZUMDAR : Sir, first of all the Hon'ble Members have a right to know who were the persons found responsible by the Enquiry Committee. It would not be fair not let the Hon'ble Members know who were those officers found responsible by the Committee. The House has every right to know.

শ্ৰীসোণাৰাম থাওচেন ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্যই যি কৈছে তাৰ উত্তৰত মই কওঁ যে সেই তদন্তৰ ৰিপ'ট প্ৰাইমাফেচি অৱস্থাত আছে, গতিকে এতিয়া নোকোৱাই ভাল হব।

Shri JAGANNATH SINHA : The findings of the Committee are only prima facie evidence. Therefore, the Minister must not disclose the names ( There was shouting from the opposition side against this remark) .

Shri BANESWAR SAIKIA : Disclosing the names of the suspended persons does not vitiate any proceeding.

Mr. SPEAKER : If the matter is subjudice if it is in the Court of law, then the matter cannot be brought to this august House. If it is not subjudice then it is upto the Minister to or not to disclose the names.

Shri DULAL CHANDRA BARUA : The Committee has been constituted and headed by the Hon'ble Minister, so the Govt. is bound to place the findings of the Committee report in the House. There is no difficulty on the part of the Govt. in disclosing the names of the Officers. Therefore, the question is very specific and we want to know the charges levelled against the Officers and also the names of the Officers.

Shri SONARAM THOUSAN (Minister) : Mr. Speaker Sir, the prima facie findings of the report should be kept in secret till the enquiry is finalised against the Officers.

( Interruptions )

Mr. SPEAKER : Let the Hon'ble Minister reply, then you put another question, otherwise it will not be possible for him to give reply.

শ্ৰীসোনাৰাম থাওসেন (মন্ত্ৰী) : মাননীয় সদস্যসকলে যদি ৰিপৰ্টটো চাব বিচাৰে তেন্তে অফিচত গৈ চাই আহিব পাৰে।

( গণ্ডগোল )

Shri DULAL CHANDRA BARUA : It is a objectional thing.

মঃ চামচুল হুদা ঃ পইন্ট অব অৰ্ডাৰ। প্ৰশ্নৰ উত্তৰ দিওঁতে মন্ত্ৰী মহোদয়ে প্ৰথমতে কলে যে কেইজনমান অফিচাৰক চাচ্‌পেণ্ড কৰা হৈছে। তাৰ পিচত নাই কেইটা নকয়। হাউচক অনিশ্চিত অৱস্থাত কিয় থৈ দিছে ? বিভাগৰ সকলো মানুহক চাচ্‌পেণ্ড কৰা হৈছে নে কেইজন মানক কৰা হৈছে ? সদনৰ হেচা পাই নাম কৰলৈ আৰম্ভ কৰি এজনৰ নাম কয় বাকী দুজনৰ নাম নকয়। সদনত গোপন কৰি ৰাখি মিচলিড্ কৰিছে। সেই ফালৰ পৰা নাম কেইটা কবনে ?

Shri DULAL CHANDRA BARUA : The Hon'ble Minister should not ask the Hon'ble Members to see the record in his Office. He will have to submit the record in the House and place the report before the House.

Mr. SPEAKER : It is a fact that the Hon'ble Minister cannot suggest that the Hon'ble Members should go to his office and see the records. We are not concerned with the meaning, we are always concerned with the expression. So the Hon'ble Minister cannot ask any Hon'ble Members to see the records in Office.

Shri ALTAF HUSSAIN MAZUMDAR : Mr. Speaker Sir, as stated by Hon'ble Minister, 3 Officers have been suspended. The report of the findings may or maynot be placed in the House is a different point but we have every right to know the names of the Officers who have been paid from the State Public Exchequer.

This information cannot be kept as secret without informing the House. Every Hon'ble Members of the House has right to know the names of the Officers.

HON'BLE SPEAKER : If the Hon'ble Minister desires, in that case he can express in the House.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : আদেশ দিব লাগে।

Shri SONARAM THOUSAN ( Minister ) : Mr. Speaker Sir, এজনৰ নাম কৈছো। বাকী দুজন হল, Shri H. Phukan, D.O. Soil Conservation, Haflong, Shri P. Dutta, Director, Soil Conservation.

শ্ৰীনগেন বৰুৱা : সদনৰ কমিটিৰ ৰিপোৰ্টটো সদনত দাখিল কৰাত কি অসুবিধা চৰকাৰৰ আছে ?

Shri KESHAB CHANDRA GOGOI (Minister, Parliamentary Affairs ) : Mr. Speaker Sir, the Hon'ble Minister has already answered. The primafacie report of the findings and the departmental inquiry is under process, so at this stage it would not be wise to produce the report but the Govt. has no intention to hide anything from the House. It will be published in due course after the inquiry is completed.

মঃ চামচুল হুদা : যি চাৰ্জত বিষয়া কেইজনক বৰ্খাস্ত কৰিছে, পইচা মৰাৰ কথা কৈছে। কিমান পইচা মাৰিলে সেই সংখ্যাটো নিশ্চয় আছে ?

শ্ৰীসোনাৰাম থাওসেন ( মন্ত্ৰী ) : কিমান পইচা মাৰিছে মই নাজানো।

Shri ROMESH MOHAN KOULI : Sir, the Committee

has been constituted by the Govt. and the primafacie case is already established but still Govt. cannot submit the report. May I know what is the difficulty ?

Shri KESHAB CHANDRA GOGOI (Minister) : Mr. Speaker, Sir, I have already answered. If it is published at this stage, the purpose for which the Committee was set up will be of no use. The report will be published after completion of the inquiry.

শ্ৰীনগেন বৰুৱা : পইণ্ট অব অৰ্ডাৰ । প্ৰশ্নৰ উত্তৰ দিয়ে চৰকাৰ পক্ষই। মন্ত্ৰীয়ে পৰিপূৰক প্ৰশ্ন সুধিব নোৱাৰে । এই সম্পৰ্কত শ্ৰীগোলোক ৰাজবংশীয়ে পৰিপূৰক প্ৰশ্ন কৰিছে আৰু এজন মাননীয় সদস্যৰ পৰা স্পষ্টিকৰণ বিচাৰিছে । মন্ত্ৰীয়ে এইদৰে সদনত ব্যৱহাৰ কৰিব পাৰেনেকি জানিব বিচাৰিছো ?

Mr. SPEAKER : The question was not put in that way.

## বিঃ ডিব্ৰৈ নদীৰ বানপানী

| | |
|---|---|
| শ্ৰীযোগেন গগৈয়ে সুধিছে : | শ্ৰীমুকুট শৰ্মা, (বান নিয়ন্ত্ৰণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ; |
| *৭। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে— | |
| (ক) গত ১৯৫০ চনৰ প্ৰলয়ংকাৰী ভূমিকম্পৰ পাচৰে পৰা শিৱসাগৰ মহকুমাৰ অন্তৰ্গত বকতা আৰু থাওৰা মৌজাৰ মাজেদি বৈ... | ৭। (ক) হয়, চৰকাৰে জানে। |

যোৱা ডিৰৈ নদীৰ বানপানীয়ে একেৰাহে এই বছৰ পৰ্য্যন্ত দুয়োটা মৌজাৰে বহুলাংশ অঞ্চল বিধ্বস্ত কৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, উক্ত ডিৰৈ নদীৰ মথাউৰি নিৰ্ম্মাণৰ বাবে চৰকাৰে অনুসন্ধান চলাইছেনেকি আৰু যদি চলাইছে তেন্তে কোন চনত চৰকাৰৰ দৃষ্টিলৈ এই প্ৰশ্ন আহিছিল ?

(খ) হয় চলাইছে। চৰকাৰৰ দৃষ্টি গোচৰ হয় ১৯৭৮ চনত।

(গ) এই মঠাউৰি নিৰ্ম্মাণৰ ক্ষেত্ৰত চৰকাৰৰ কাৰ্য্যকৰী ব্যৱস্থাৰ অগ্ৰগতি কোন পৰ্য্যায়ত আছে ?

(গ) বাহিৰৰ কমিটিৰ ( Board of Consultants ) পৰামৰ্শ মতে আচনিখনৰ প্ৰাক-কল্প প্ৰস্তুত হৈছে আৰু আচনিখন পৰ্য্যবেক্ষণ পৰ্য্যায়ত আছে।

(ঘ) এই মঠাউৰি গঠনৰ বিষয়ে চৰকাৰৰ ষষ্ঠ-পঞ্চবাৰ্ষিকি পৰিকল্পনাত অন্তৰ্ভুক্ত হৈছে নেকি আৰু যদি হৈছে কিমান টকা ব্যয়ৰ আচনি হাতত লোৱা হৈছে ?

(ঘ) এই মঠাউৰি নিৰ্ম্মাণৰ বাবে ষষ্ঠ-পঞ্চবাৰ্ষিকি পৰিকল্পনাত অন্তৰ্ভুক্ত কৰা হৈছে আৰু ইয়াৰ বাবে মুঠ এক কোটি সাতাইশ লাখ টকা ব্যয়ৰ আচনি লোৱা হৈছে।

(ঙ) এই বছৰ খৰালি কালৰ ভিতৰতে নিৰ্ম্মাণ কাৰ্য্য সম্পন্ন হৈ উঠিবনে ?

(ঙ) এই বছৰ খৰালি কালত এই মঠাউৰি নিৰ্ম্মাণ কাৰ্য্য হাতত লোৱাৰ ব্যৱস্থা কৰা হোৱা নাই।

শ্ৰীযোগেন গগৈ : অধ্যক্ষ মহোদয়, মন্ত্ৰীজনে জানে যে খোৱাং সমষ্টিটো

বানবিধ্বস্ত। দিবৈত মঠাউৰি নোহোৱাৰ ফলত মানুহৰ নানা দুৰ্দশা হৈছে। এই মঠাউৰিটোৰ প্ৰয়োজনীয়তাৰ বুজ লবলৈ গবৰ্ণৰ, মুখ্যমন্ত্ৰী, বিত্তমন্ত্ৰী, বান-নিয়ন্ত্ৰণ মন্ত্ৰী গৈছিল। অথচ আজিলৈকে মঠাউৰিটো গঠন কৰি দিয়া নাই। এই মঠাউৰি গঠনত হেমাহি কৰা হৈছে। ইয়াৰ সন্দৰ্ভত এটা গভীৰ ষড়যন্ত্ৰ আছেনে? নে ৰাজনৈতিক চক্ৰান্ত আছে জনাবনে?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী): এই অঞ্চলটোৰ বিষয়ে আমাৰ বিভাগ ১৯৭৮ চনত জানিব পাৰিছে। ১৯৭৮ চনত জনাৰ লগে লগে প্ৰাক্‌কলন প্ৰস্তুত কৰা হৈছে। এই প্ৰাক্‌কলন কৰাত এই মঠাউৰি কৰিবৰ কাৰণে ১ কোটি ২৭ লাখ টকা দৰকাৰ হব। সেই কাৰণে ইয়াক ভালকৈ পৰ্য্যবেক্ষণ কৰি থকা হৈছে। এইটো কৰাৰ পিচত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

## Undisposed Starred Questions Dated 23-3-81

### Re : Ad-hoc Committee for Municipal Boards and Town Committees.

Shri SHAMSUL HUDA asked :

Smti. SYEDA ANWARA TAIMUR (Chief Minister) replied :

*8. Will the Chief Minister be pleased to state—

(a) Whether it is a fact that the Govt. is contemplating to constitute Ad-hoc Committee for the Nowgong Municipal Board ?

8. (a) No.

(b) If so, whether it is also a fact that the Government is proposing to nominate persons thrown out of Offices by the previous Government to the Ad-hoc Committee ?

(b) Does not arise.

(c) The ground on which the last elected body of the Nowgong Municipal Board was superseded ?

(c) Extension of term of the Board beyond two years was not admissible. Besides, holding of election is not possible before preparation of fresh electoral Rolls.

(d) Whether the Government has decided to constitute Ad-hoc Committee also for those Municipal Boards and Town Committees where the terms of elected bodies have not yet expired ?

(d) No.

(e) If so, why ?

(e) Does not arise.

**Re : Pay Commission**

Shri DULAL CHANDRA BARUA asked :

Shri KESHAB CHANDRA GOGOI (Minister, Finance) replied :

*9. Will the Minister, Finance be pleased to state—

(a) The members of the present Pay Commission ?

9 (a) The present Pay Commission is composed of the following :—

Chairman :

Shri B. N. Sarma, Retired Justice of the Gauhati High Court.

Members :

1. Shri Gajen Tanti, M.L.A.

2, Shri Promode Gogoi, M.L.A.

3. Shri Parameswar Sharma, Retired Vice-Principal, B. Barooah College, Gauhati.

4, Chief Secy. to the Govt. of Assam.

Member-Secretary :

5. Shri M. C. Narasinham, I. A. S., Financial Commissioner, Assam.

(b) What is the term of office of the present

(b) The term of office of the Pay Commission was

Pay Commission ?

initially for a period of one year with effect from 8.11.79 and has been extended for a further period of six months ending on 7.5.81.

(c) When the Pay Commission is expected to submit its report ?

(c) The Pay Commission is expecteed to submit its report during the current year.

## বিঃ অসম ৰাজ্যিক পৰিবহন নিগমৰ কনডাক্টৰ আদি পদৰ নিযুক্তি

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

*১০। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যিক পৰিবহন নিগমে ১৯৭৯ চনতে কিছুমান কনডাক্টৰ আৰু নিম্ন বৰ্গৰ সহায়ক পদৰ প্ৰাৰ্থীৰ বাবে বিজ্ঞাপন দি বাচনি আৰু সাক্ষাৎকাৰ লৈছিল নেকি ?

(খ) যদি লোৱা হৈছিল, তেন্তে ইয়াৰ ভিতৰত এতিয়ালৈকে কোন জিলাত কোনটো পদৰ বাবে কিমানজনক নিযুক্তি দিয়া হল ?

শ্ৰীধনীৰাম ৰংপি ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১০ (ক) হয়, লৈছিল।

(খ) বিভিন্ন জিলাত নিম্নবৰ্গৰ সহায়ক নিযুক্তি দিয়া হৈছে এনেধৰণে—

কামৰূপ জিলাত ২৫ জন, নগাওঁ জিলাত ৬ জন, শিৱসাগৰ জিলাত ৪

জন আৰু কাছাৰ জিলাত ৫ জন। মুঠ নিযুক্তিৰ সংখ্যা ৪০ জন।

বিভিন্ন জিলাত কনডাক্টৰ নিযুক্তি দিয়া হৈছে এনেধৰণে—

কামৰূপ জিলাত ১৫ জন, নগাওঁ জিলাত ১০ জন, কাছাৰ জিলাত ৭ জন আৰু ডিব্ৰুগড় জিলাত ১ জন। মুঠ নিযুক্তিৰ সংখ্যা ৩৩ জন।

(গ) উক্ত পদ সমূহত কামৰূপ জিলাত অনুসূচীত জাতিৰ কিমান-জন ল'ৰাক নিযুক্তি দিয়া হ'ল? ( নাম আৰু ঠিকনা সহ )

(গ) কামৰূপ জিলাত নিযুক্তি দিয়া অনুসূচীত জাতিৰ নিম্নবৰ্গৰ সহায়ক আৰু কনডাক্টৰৰ নাম আৰু ঠিকনা এনেধৰণৰ—

নিম্নবৰ্গৰ সহায়ক ঃ

১। শ্ৰীপদ্মৰাম দাস, সাং সাতদলা, পোঃ আঃ হাজো, কামৰূপ।

২। শ্ৰীভুবনেশ্বৰ দাস, সাং মাজগাওঁ, গুৱাহাটী ৩০, কামৰূপ।

৩। শ্ৰীহৰেন্দ্ৰ নাথ মালাকাৰ, সাং বৰদধি সত্ৰ, পোঃ আঃ কুলহাটী, কামৰূপ।

৪। শ্ৰীঅনিল আঠপৰীয়া, সাং মাধৱগেট, পোঃ আঃ হাজো, কামৰূপ।

৫। শ্ৰীঅনিল কাকতি, টকৌবাৰী, গুৱাহাটী।

৬। শ্ৰীৰমেন হাজৰিকা, ৰূপনগৰ, গুৱাহাটী।

৭। শ্ৰীধীৰেন চন্দ্ৰ দাস, আমিনগাওঁ, গুৱাহাটী—৩১।

৮। শ্ৰীমুকুল তালুকদাৰ, সাং নগাওঁ পোঃ আঃ বাইহাটা চাৰিআলি, কামৰূপ।

কনডাক্টৰ ঃ

১। অনিল দাস, সাং কুকুৰমাৰা, পোঃ আঃ ভাতিজীয়াকুৰ, কামৰূপ।

২। শ্ৰীবলিন ৰাজখোৱা, সাং নাওঁজান ৰ'দ, উজান বজাৰ, গুৱাহাটী।

(ঘ) বাচনি পৰীক্ষা লোৱাৰ পৰা ফলাফল ঘোষণা কৰাৰ আগলৈকে কিমানজন লোকক এই পদ সমূহত নিযুক্তি দিয়া হৈছিল ?

(ঘ) বাচনি পৰীক্ষা লোৱাৰ পৰা ফলাফল ঘোষণা কৰালৈকে নিগমৰ দৈনন্দিন কাম চলাবলৈ অস্থায়ী ভাৱে নিম্নবৰ্গৰ সহায়কৰ পদত ৯ জন লোক নিযুক্তি দিয়া হৈছিল।

সেই সময়ছোৱাৰ ভিতৰত কোনো কনডাক্টৰকে স্থায়ী ভাৱে নিযুক্তি দিয়া হোৱা নাছিল।

## বিঃ লক্ষীমপুৰ সংগীত মহাবিদ্যালয় ঃ

শ্ৰীশূল বৰাই সুধিছে ঃ

শ্ৰীগোলোক ৰাজবংশী ( সাংস্কৃতিক বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

* ১১। মাননীয় সাংস্কৃতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ লক্ষীমপুৰ পৌৰসভাৰ এলেকাত নিজা মাটিত এখনি সংগীত মহাবিদ্যালয় স্থাপন হোৱাৰ বিষয়ে চৰকাৰে জনেনে ?

১১। (ক) লক্ষীমপুৰ সংগীত মহাবিদ্যালয়ৰ কথা চৰকাৰে জানে ।

(খ) যদি জানে তেন্তে এই মহাবিদ্যালয় খনিৰ উন্নতিৰ কাৰণে আৰশ্যকীয় সাহাৰ্য্য অনুদান আগবঢ়োৱাৰ কাৰণে গভীৰ ভাবে বিবেচনা কৰিবনে ?

(খ) এই মহাবিদ্যালয় খনিৰ উন্নতিৰ বাবে পুনৰাৱৰ্ত্তক ( Recurring) অনুদান দি থকা হৈছে ।

## বিঃ গাৱলীয়া বেঙ্ক ।

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( বিত্ত মন্ত্ৰী) য়ে উত্তৰ দিছে :

* ১২। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত গাৱলীয়া বেঙ্কৰ কিমান শাখা খোলা হৈছে ?

১২। (ক) বৰ্ত্তমানলৈকে অসমত গাৱলীয়া বেঙ্কৰ ৫৬ টা শাখা খোলা হৈছে ।

(খ) এই ক্ষেত্ৰত অসম চৰকাৰে কিবা ধন খটুৱাইছে নেকি আৰু

(খ) হয় । গাৱলীয়া বেঙ্কৰ বাবে ৰাজ্য চৰকাৰে বৰ্ত্তমানলৈকে ৭.৫০

যদি খটুৱাইছে তেনেহলে সেই অংশৰ পৰিমাণ কিমান ?

লাখ টকা খটুৱাইছে ।

( প্ৰাগজ্যোতিষ গাৱলীয়া বেঙ্কৰ বাবে ৩'৭৫ লাখ, লখিমী গাৱঁলীয়া বেঙ্কৰ বাবে ৩'৭৫ লাখ ) মূলধনৰ ১৫ % শতাংশ হিচাবে )

(গ গাৱলীয়া বেঙ্কৰ উদ্দেশ্য কি ?

(গ) কৃষি ক্ষেত্ৰত অগ্ৰাধিকাৰ দি ক্ষুদ্ৰ উপান্ত খেতিয়কক আৰ্থিক সাহাৰ্য্য আগবঢ়োৱা ।

(ঘ উদ্দেশ্য ফলৱতী হৈছেনে ?

(ঘ) হৈছে ।

## বিঃ অসমত Raw Material Bank

শ্ৰীযোগেন গগৈয়ে সুধিছে ঃ

শ্ৰীৰনেন্দ্ৰ নাৰায়ন বসুমতাৰী ( ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ।

* ১৩। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমত Raw Material Bank বহুৱাবৰ বাবে অসম চৰকাৰে চিন্তা কৰিছে নেকি ?

১৩। (ক) কেন্দ্ৰীয় ৰেচম বোৰ্ডে অসমত এটা মুগাৰ ( Raw Material Bank ) স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছে । এই বিষয়ৰ দায়িত্ব কেন্দ্ৰীয় ৰেচম বোৰ্ডৰ ।

(খ) এই সন্দৰ্ভত কেন্দ্ৰীয় চৰকাৰে

খ) কেন্দ্ৰীয় চৰকাৰে ১৫ লাখ টকাৰ

অনুদান অথবা পৰামৰ্শ অসম চৰকাৰক দিছে নেকি ?

অনুমোদন জনাইছে আৰু কেন্দ্ৰীয় ৰেচম বোৰ্ডে অসম চৰকাৰৰ ৰেচম আৰু বয়ন বিভাগৰ সহযোগত পৰিচালনা কৰিছে ।

(গ) যদি উক্ত Raw Material Bank অসমত বহুৱা হয় তেন্তে কোন ঠাইত বহুৱা হব ?

(গ) মূগা Raw Material Bank ৰ মুখ্য কাৰ্য্যালয় শিৱসাগৰত স্থাপন কৰি কাম কাজ চলোৱা হৈছে ।

(ঘ) এনে সম্পদবোৰ বিশেষকৈ মুগা, পাট, এড়ি আদি উৎপাদন এলেকাত বহুৱালে সফল হব বুলি চৰকাৰে বিবেচনা কৰেনে ?

(ঘ) হয়, কৰে ।

(ঙ) যদি কৰে তেন্তে এনে মুগা, পাট, এড়ি আদি ঘাইকৈ উৎপাদন এলেকা শিৱসাগৰত বহুৱাৰ ব্যৱস্থা কৰিবনে ?

(ঙ) মুখ্য কাৰ্য্যালয় শিৱসাগৰতেই স্থাপন কৰা হৈছে ।

## বিঃ পলাশবাৰী গাওঁ অঞ্চলত কেৰাচিন তেলৰ নাটনি ।

শ্ৰীহৰেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

শ্ৰীআব্দুল ফজল গোলাম ওচমানি ( খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

*১৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) পলাশবাৰী সমষ্টিৰ অন্তৰ্গত গাওঁ সমূহত কেৰাচিন তেলৰ হাঁহাকাৰৰ কথা চৰকাৰে গম পাইছেনে ?

১৪। (ক) হয়। সদৌ অসমৰ লগতে পলাশবাৰী অঞ্চললৈও চলিত মাহ কেইটাত শোধনাগাৰ সমূহৰ দ্বাৰা অনিয়মিত যোগানৰ পৰিপ্ৰেক্ষিতত কেৰাচিন তেলৰ নাটনি হোৱাটো সত্য।

(খ) যদি পাইছে, কেৰাচিনৰ হাঁহাকাৰ আতৰাবলৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) অভাৱজনিত অৱস্থালৈ চকু ৰাখি সীমিত পৰিমাণৰ যি কেৰাচিন পোৱা হৈছিল, তাক গাওঁ পঞ্চায়ত আৰু সমবায় সমিতি বিলাকৰ যোগেদি বিতৰণ কৰাৰ ব্যৱস্থা কৰা হৈছিল। ডিপো বিলাকৰ পৰা পাইকাৰী ঠেলা-চালক নাইবা গ্ৰাহক সকলক পোন-পতীয়া ভাৱে কোনো প্ৰকাৰৰ বিতৰণ কৰা হোৱা নাই।

(গ) বৰ্ত্তমানে আজি তিনি চাৰি মাহ জুৰি কেৰাচিন লিটাৰত ৬।৭ টকাকৈ বিক্ৰি হোৱা খবৰ চৰকাৰে জানেনে ?

(গ) নাজানে। এনে ধৰণৰ কোনো লিখিত অভিযোগ স্থানীয় যোগান বিষয়া নাইবা উপায়ুক্তৰ দৃষ্টি গোচৰ হোৱা নাই।

## বিঃ স্বাধীনতা যুঁজাৰুক প্ৰদান কৰা তাম্ৰপত্ৰ।

শ্ৰীহৰেন্দ্ৰ নাথ গোস্বামীয়ে সুধিছে ঃ

শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰ (মুখ্য মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

*১৫। মাননীয় মুখ্য মন্ত্ৰী মহোদয়াই অনুগ্ৰহ কৰি জনাবনে —

(ক) অসমৰ স্বাধীনতা যুঁজাৰু সকলৰ কিমান জনে তাম্রপত্র ঘূৰাই দিলে ?
( জিলা ভিত্তিত হিচাব দিব )

১৫। (ক)

| | | |
|---|---|---|
| ১। | কামৰূপ | ৮৯ |
| ২। | ডিব্রুগড় | ১২ |
| ৩। | শিৱসাগৰ | ১৪৪ |
| ৪। | নগাওঁ | ১৯৪ |
| ৫। | লক্ষীমপুৰ | ৩৪ |
| ৬। | দৰং | ৯৫ |
| ৭। | গোৱালপাৰা | ৬ |
| ৮। | উত্তৰ কাছাৰ | ১ |
| | মুঠ | ৫৭৫ জন |

(খ) কিমানজনে এতিয়াও ঘূৰাই দিবলৈ বাকী আছে ?

(খ) যিহেতু চৰকাৰে তাম্রপত্র ঘূৰাই বিচৰা নাই, গতিকে প্রশ্ন নুঠে।

## UNSTARRED

## QUESTIONS AND ANSWERS

Date 23rd March, 1981,

( To which answers were laid on the table )

### Re : Vacancies of Motor Vehicle Inspectors

Shri SAMSUL HUDA asked :

Shri DHANIRAM RONGPI ( Minister of Transport ) replied :

Will the Minister, Transport be pleased to State—

1 (a) Whether it is a fact that the Government has received applications to fill up 8 (eight) vacancies of Motor Vehicle Inspectors ?

(b) If so, the last date of receiving the applications ?

(c) Total number of applications received.

1: (a) The Commissioner of Transport Assam is the appointing authority for the posts of Motor Vehicle Inspectors, on recommendation of the Assam Public Service Commission.

(b) and (c) For making recommendation and for recruitment to the eight vacant posts of Motor Vehicle Inspctors, the Assam Public Service Commission advertised the posts and received 54 ( fifty four ) applications within 14.2.81 the last date fixed by the said Commission for receiving applications for the purpose.

## বিঃ ৰাজ্যত মৰাপাট উৎপাদন

শ্ৰীছামছল হদাই সুধিছে ঃ

শ্ৰীবনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰাজ্যত এই বেলি কিমান

(ক) অসমত এই বছৰত (১৯৮০-৮১

মৰাপাট উংপাদন হল ?

চন) ৮,৯৫,২৩৫ গাঁঠ (১৬,১১,৪২৩ কুইণ্টল) মৰাপাট উৎপন্ন হয়।

(খ) তাৰ কি পৰিমাণ ভাৰতীয় মৰাপাট নিগমে কিনিলে ?

(খ) তাৰ ৩,৩৩,৭৩৭.৬৯ কুইণ্টল, মৰাপাট ভাৰতীয় মৰাপাট নিগমে কিনিলে।

(গ) এই বছৰত কোন শ্ৰেণীৰ মৰা পাটৰ নিম্নতম কিমান মূল্য বান্ধি দিয়া হৈছিল ?

| শ্ৰেণী | নিম্নতম মূল্য প্ৰতি কুইণ্টল |
|---|---|
| ১। বগা ১ (W 1) | ২০৭˙০০ টকা |
| ২। বগা ২ (W 2) | ১৯৭˙০০ " |
| ৩। বগা ৩ (W 3) | ১৮৩˙৫০ " |
| ৪। বগা ৪ (W 4) | ১৭০˙০০ " |
| ৫। বগা ৫ (W 5) | ১৬০˙০০ " |
| ৬। বগা ৬ (W 6) | ১৫০˙০০ " |
| ৭। বগা ৭ (W 7) | ১৪০˙০০ " |
| ৮। বগা ৮ (W 8) | ১৩০˙০০ " |

(গ) এই বছৰত (১৯৮০-৮১ চন) নিম্নতম মূল্য এনেদৰে বান্ধি দিয়া হৈছিল—

| শ্ৰেণী | নিম্নতম মূল প্ৰতি কুইণ্টল |
|---|---|
| টোছা ডেইচী ১ (TD 1) | ২১৭˙৫০ টকা |
| টোছা ডেইচী ২ (TD 2) | ২০৭˙৫০ " |
| টোছা ডেইচী ৩ (TD 3) | ১৯৪˙০০ " |
| টোছা ডেইচী ৪ (TD 4) | ১৮০˙৫০ " |
| টোছা ডেইচী ৫ (TD 5) | ১৭০˙৫০ " |
| টোছা ডেইচী ৬ (TD 6) | ১৬০˙৫০ " |
| টোছা ডেইচী ৭ (TD 7) | ১৫০˙৫০ " |
| টোছা ডেইচী ৮ (TD 8) | ১৪০˙৫০ " |

(ঘ) খেতিয়কে নিৰ্দ্ধাৰিত হাৰত মৰা-পাটৰ উচিত মূল্য পালেনে ?

(ঘ) খেতিয়কে নিৰ্দ্ধাৰিত হাৰত মৰা-পাটৰ মূল্য পোৱা নাই।

(ঙ) অহা বছৰলৈ খেতিয়কে মৰা-পাটৰ উচিত মূল্য সঠিক ভাবে পোৱাৰ কাৰ্য্যকৰী ব্যৱস্থা চৰকাৰে কৰিবনে ?

(ঙ) যথোপযুক্ত ব্যৱস্থা হাতত লোৱাৰ বাবে চেষ্টা কৰা হব।

## MISCELLANEOUS

Mr. SPEAKER : The question hour is over. I hvve got notice. Honourable member Shri Haren Goswami gave a notice on 19. 3. 81. I requested the honourable member to give proper notice as required under rules. Since, the matter has already been raised, it cannot be raised today at Zero Hour.

শ্রীহৰেন্দ্র নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয় ......

Mr. SPEAKER : The matter is same and so it cannot be allowed as per procedure as laid down in the Rules of Procedure. I am sorry this is not the procedure and so I cannot allow this.

Notice was also given by Shri Nishit Ranjan Das and Shri Romendra Dey—regarding this, I have enquired into and as the hon. Minister has agreed, the matter will be raised tomorrow at Zero Hour.

Shri PROMODE CHANDRA GOGOI : I have also given a notice under Rule 50.

Mr. SPEAKER : That will not come now.

শ্রীপ্রমোদ চন্দ্র গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো কেৱল মই আপোনাক অনুৰোধ কৰিব বিচাৰিছো বিশেষকৈ গৃহমন্ত্রীৰ পৰা জানিব বিচাৰিছো যোৱা ১৮ তাৰিখে এচেম্বলি কমপ্লেক্সত যিটো বোমা বিস্ফোৰণ হ'ল তাৰ কাৰণে এতিয়ালৈকে কি ব্যৱস্থা লৈছে। সেই

কাৰণে মই আপোনাক অনুৰোধ কৰো যে ইয়াৰ তদন্ত খুব মন্থৰ গতিত চলিছে, ইয়াৰ লগত জৰিত কোনো ৰাজনৈতিক নেতা বা কোনোবা কৰ্ম্মচাৰীয়েই হওঁক তাৰ ওপৰত কঠোৰ ব্যৱস্থা লব লাগে। যোৱা ৫ দিনৰ ভিতৰত কি ব্যৱস্থা ললে সেই বিষয়ে গৃহমন্ত্ৰীৰ পৰা এটা বিবৃতি বিচাৰিছো।

মিঃ স্পীকাৰ ঃ তেখেতৰ যিটো কথা সেইটো বিষয়ে মই কৈ আছো। এইটো ৰিপলাইৰ পিচত আপুনি ক'ব।

শ্ৰীৰমণী বৰ্মণ ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি সদনত আমাক আশ্বাস দিছিল এই বিষয়ে তদন্ত কৰা হব আৰু অতি সোনকালে বিহিত ব্যৱস্থা কৰা হব। যোৱা ৫ দিন অতিক্ৰম কৰাৰ পিচত যি ঠাইত বোমা বিস্ফোৰণ হৈছিল তাৰ পিচত ঠিক ১৫ মিনিট মানৰ পিচত ১ নম্বৰ কোৱাৰ্টাৰত কুকুৰ সোমালে। সাধাৰণতে এনেকুৱা ধৰণৰ অভিযোগ থাকিলে সাধাৰণ মানুহৰ ক্ষেত্ৰত লগে লগে সেই ধৰণৰ ব্যক্তিক এৰেণ্ট কৰি হাৰশাস্তি কৰা হয়। সাধাৰণ মানুহৰ ক্ষেত্ৰত যিটো কৰা হয়, কমিচনাৰ বা পুলিছ বিষয়াৰ ক্ষেত্ৰত কিয় তেনে ব্যৱস্থা গ্ৰহন কৰি গ্ৰেপ্তাৰ কৰা হোৱা নাই। এই ক্ষেত্ৰত আমি সন্দেহ প্ৰকাশ কৰিছো। এই চৰকাৰৰ ওপৰত আমাৰ আস্থা নাই। ১২ ঘন্টাৰ ভিতৰত হোষ্টেলত ২ টা বোমা বিস্ফোৰণ হয়। পুলিচৰ কুকুৰে অনুসন্ধান কৰি নাম পৰ্য্যন্ত ক'ব পাৰে অথচ আজি ৫ দিন হৈ গল চৰকাৰে একো ব্যৱস্থা কৰা নাই।

(সদনত হুলস্থুল)

মই কাৰো পৰা শুনিব বিচৰা নাই। তেওঁ ডেপুটি লিডাৰেই হওঁক বা যিয়েই নহওঁক লাগে। অধ্যক্ষ মহোদয়, আপুনি আমাক যি ধৰণে আশ্বাস দিছিল সেই মতে ৫ দিন হৈ গল তথাপি কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ আঁৰত নিশ্চয় ৰাজনৈতিক অভিসন্ধি জৰিত আছে।

Mr. SPEAKER : I do not like to hear this type of things from the hon. member. The hon. member should also try to maintain the dignity of the House. Hon. member Shri Ramani Barman wants to speak and he will be allowed to speak. But in regard to point to be raised by Shri Gogoi, I have talked to the hon. Minister and the Minister is prepared to give a statement regarding this. He would give a reply tomorrow and he came and contacted me on this.

শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, মই হোষ্টেলবাসী হিচাবে মই কব বিচাৰিছো যে সেইদিনা কেইব্য ঘৰতো পুলিচৰ কুকুৰ সোমাইছিল ।

* শ্ৰীতুলাল চন্দ্ৰ বৰুৱা : অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়াই ৰুল ৫০ ৰ সম্পৰ্কে যিটো কৈছে এই বিষয়ে এটা এদৰ্জ ণমেণ্ট মোচন আছিল । এই সৰ্ম্পকে আপোনাক কোৱাত আপুনি কৈছিল যে অনাস্থা প্ৰস্তাৱ আছে যেতিয়া তেতিয়াই এই বিষয়টোৰ কাৰণে আলোচনা কৰা যাব । এই বিষয়ে আপুনি ষ্টেটমেণ্ট দিবলৈ কব বুলি ভাবিছিলো । মাননীয় সদস্য শ্ৰী গগৈ আৰু বৰ্মণ ডাঙৰীয়াই এই বিষয়ে কৈছিল । গতিকে এনে ধৰণৰ ঘটনা ঘটিলে নিয়ম মতে গনতান্ত্ৰিক দেশত আপুনি ৫ মিনিটো চেয়াৰত থাকিব নোৱাৰে । আনকি এনে দুৰ্ঘটণা ঘটাৰ পিচত এই মন্ত্ৰীসভাৰ ১ মিনিটো গাদীত থকাৰ অধিকাৰ নাই । তেনেকুৱা উদাহৰণ ভাৰতবৰ্ষতেই নহয়, পৃথিবীৰ অন্যান্য ঠাইতো আছে । আজি য'ত চিকিউৰিটি এৰিয়াত সদস্য সকল আছিল তাত ইমানবিলাক দুৰ্ঘটনা হোৱাৰ পিচতো , আজি যিবিলাক লোকক সন্দেহ প্ৰকাশ কৰা হৈছে আৰু হাউচত নাম আদি কোৱা হৈছে সেই বিলাক মানুহে আঙুলি জোকাৰি মেম্বাৰ সকলক থ্ৰিতনিং দিছে । তাতোতকৈ আৰু

* Speech not corrected.

দুখৰ কথা কি হব পাৰে ? অধ্যক্ষ মহোদয়, আজি আনোৱাৰা টাইমূৰ শাসনলৈ অহাত ব্যক্তিগত ভাৱে মোৰ কোনো হিংসা হোৱা নাই। আমি গণতান্ত্রিক পদ্ধতিৰে তেখেতৰ যি অগণতান্ত্রিক চৰকাৰ তাক ওফৰাই দিবলৈ চেষ্টা কৰিম কিন্তু আমাৰ ব্যক্তিগত ভাৱে কাৰো প্ৰতি আক্ৰোশ নাই। হয়তো কোনোবাই ভুল বুজিব পাৰে, কিন্তু প্ৰকৃতার্থত আমি গনতণ্ত্ৰক ৰচাবলৈহে লৈছো। চৰকাৰ যি মুহূৰ্ত্ত লৈকে থাকিব সেই মুহূৰ্ত্তলৈকে সদস্য সকলক বা জনগণক ৰক্ষণা-বেক্ষণ দিয়াৰ দায়িত্ব চৰকাৰৰ যথেষ্ট আছে। এই ক্ষেত্ৰত আমি সন্দেহ প্ৰকাশ কৰাৰ পিচতো বিষয়া সকলৰ নাম কোৱাৰ পিচতো কোনো ব্যৱস্থা লোৱা হোৱা নাই।

চৰকাৰে এই ঘটনা উদ্‌ঘাটন কৰিবৰ কাৰণে যি সকল অফিচাৰ নিযুক্ত কৰিছে, আজিলৈকে সেই অফিচাৰ সকলে কোনো ব্যৱস্থা কৰা নাই। অধ্যক্ষ মহোদয়, আপুনি শুনি আচৰিত হ'ব তেওঁলোকে এঠাইত নিৰ্দ্দিষ্ট এটা কেন্দ্ৰত কেইজনমান অফিচাৰ নিয়োগ কৰিছে আৰু কোন কোন এম, এল, এক, চৰকাৰৰ সমৰ্থনত আনিব পাৰি তাৰ ব্যৱস্থা কৰা হৈছে। আমি কি পুলিচৰ খেলাৰ ৰস্তু নেকি যে আমি কাৰোবাৰ হাতৰ পুতলা হৈ যাম। গতিকে আমি আপোনাক জনাব বিচাৰিছোঁ যে আমাক চকু-কাণ দিবৰ কাৰণেই আপোনাক ইয়াত ৰখা হৈছে আৰু আপুনি আছেও। তথাপি আজি পুলিচ অফিচাৰক নিযুক্তি দি আপোনাক অৱমাননা কৰা হৈছে। তাৰোপৰি এনেকুৱা এটা ব্যৱস্থা হাতত লোৱাৰ পিছতো তাত দুৰ্ঘটনা হৈ গৈছে আৰু এনে অৱস্থাত মন্ত্ৰীসকল বা চৰকাৰ নিমাত-নিস্তব্ধ হৈ আছে। যিহেতু এই চৰকাৰে সদস্য সকলকে কোনো প্ৰটেক্টচন দিব পৰা নাই আৰু ৰাইজকতো কোনো ৰক্ষনা-বেক্ষন দিব নোৱাৰেই, গতিকে বৰ্ত্তমান চৰকাৰে পদত্যাগ কৰাই উচিত। এনেকুৱা নিস্ক্ৰীয়তাৰ কাৰণে, অধ্যক্ষ মহোদয়, আপুনি নিমাতে থকা উচিত নহয়। তেওঁ-লোকৰ ফালৰ পৰা কি কয় বা কি কৰে আমি কব নোৱাৰো,

কিন্তু আমি কওঁ, তেওঁলোকে এই মুহূৰ্ত্ততে গাদী ত্যাগ কৰিব লাগে।

( হুলস্থূল )

শ্ৰীহেমেন দাস : মাননীয় অধ্যক্ষ মহোদয়, -মাননীয় গগৈয়ে যিটো প্ৰস্তাৱ কৰিছিল যে অলপতে হৈ যোৱা দুৰ্ঘটনাটোৰ সম্বন্ধে বিবৃত্তি দিব লাগে আৰু ইয়াৰ সমৰ্থনতে আমিও জানিব বিচাৰিছোঁ যে দুৰ্ঘটনা হৈ যোৱা পাঁচ দিনৰ পিছতো বোমা বিস্ফোৰণৰ বিষয়ে চৰকাৰে কোনো তদন্ত নকৰাকৈ আছে। গতিকে বৰ্ত্তমান চৰকাৰৰ ইয়াতকৈ অত্যন্ত লজ্জাজনক বিষয় একো হ'ব নোৱাৰে গতিকে অধ্যক্ষ মহোদয়, আমি আপোনাক দাবী কৰিছোঁ যে গৃহ মন্ত্ৰীয়ে তদন্তত কিমানদূৰ আগবাঢ়িছে, সদনক জনাব লাগে।

Mr. SPEAKER : Although I have not submitted any report till now, I am not silent regarding this matter. I will take necessary steps also on this matter. I have talked with the hon. Home Minister regarding this and the sentiment raised in the House as well as in my Chamber has proved this sentiment. That is why I honour the sentiment of the hon. members and accordingly I had a discussion even to-day on this. Regarding other things which Mr. Baruah has raised regarding some officers, on that also I am making some enquiries, and to-day in the morning in this connection I met some hon. members who are connection or concerned in this matter. So, I do not like to give the half-report. So, I have requested the Home Minister who can give the report even to-day. But some portion will be left out. That is why he has told me in the

morning to-day that he can give the report, but some points will be left out. Then I allowed him to submit the report to-morrow. He was ready with the report to-day which he could not complete, So, I allowed him to submit it tomorrow.

(The House raised the voice of agreement)

Regarding the adjournment motion, Mr. Baruah had talked with me and I requested him not to press the adjournment motion, because there is earliest opportunity to discuss this matter, and the Home Minister also had a talk with me regarding this matter. He is enquiring the matter and he will make a statement on this. I like the adjournment motion not to be brought to the House again.

Now, tiem No, 2.

## ANNOUNCEMENT BY THE SPEAKER

Mr. SPEAKER : Here is an announcement.

I hereby inform the Hon'ble Members that since the imposition of President's Rule in Assam on 12th December, 1979 quite a large number of Hon'ble Members resigned from their original parties and joined new ones. While the party position of C.P.I. ( M ), C.P.I., R. C. P. I. and P.T.C.A. has not been changed, the party

strength of Janata, Indian National Congress (U), Indian National Congress (I), Assam Janata Vidhayini Dal and Lok Dal has been considerably changed. The present strength of different parties as revealed from the records is as follows :

| | | |
|---|---|---|
| 1. | Indian National Congress (I) .... | 48 |
| 2. | Janata Party .... | 27 |
| 3. | C.P.I. (M) ... | 11 |
| 4. | C.P.I. .... | 6 |
| 5. | Indian National Congress (U) .... | 4 |
| 6. | R.C.P.I. ... | 4 |
| 7. | P.T.C.A. .... | 4 |
| 8. | Assam Janata Vidhayini Dal ... | 4 |
| 9. | Lok Dal .... | 1 |
| 10. | Independent .... | 11 |

Hon'ble member Shri Lakheswar Gohain who was elected as a member of Janata Party has resigned from it and joined the Bharatiya Janata Party which is separated from Janata Party of India. Following the precedence of Lok Sabha I recognise him as a member belonging to Bharatiya Janata Party. Hon'ble member Shri Sirajul Haque has intimated me that he has joined the Indian Muslim League and requested me to treat him as such. But since there has been no organisation of Muslim League in the Assembly and since Shri Haque

was elected as an Independent member, he cannot be recognised by me as a member belonging to Indian Muslim League.

I also withdraw my recognition accorded to the Progressive Democratic Front as the strength of the Front has been reduced and does not fulfil the requirements for such recognition.

Shri HEMEN DAS : Sir, I have a ........

Mr. SPEAKER : Regarding the party position ?

Shri HEMEN DAS : Yes, regarding the party position. Sir, the Bharatiya Janata Party has been said to be an off-shoot of the Janata Party. My request to you is, the word 'off-shoot' should be deleted. ( voices : yes, yes. )

Shri JAGANNATH SINHA : Serajul Haque belongs to which party ?

Mr. SPEAKER : He is Independent.

Now Item No. 2.

Shri AJOY DUTTA : Sir, will you kindly tell us the names of the Independent Members ?

## REPORT OF THE BUSINESS ADVISORY COMMITTEE

Mr. SPEAKER : No. Now I give my report of the Business Advisory Committee.

Under Rule 230 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, I called a meeting of the Business Advisory Committee on 19th March, 1981 at 4 P. M. in my Chamber at Dispur to fix date and time for the discussion of the 'No-Confidence Motion'. The Committee after discussion decided that the No-Confidence Motion will be taken up on the 23rd March, 1981 after presentation of list of Supplementary Demands for grants, presentation of Budget for the year 1981-82, presentation of Vote on Accounts 1981-82 and Introduction of Government Bills, 24th March, 1981 which was a Private Members Day will be devoted for discussion of the No-Confidence Motion and if necessary the sitting of the House will be extended on that day. It was also decided by the Committee that no call attention notices and notices under Rule 301 of the Rules of Procedure and Conduct of Business will be listed on these days.

The Committee then decided about the allotment of time to the members for discussion of the No-Confidence Motion. Out of six and half hour, 150 minutes has been allotted to the Ruling Party including Government reply on the motion and remaining 240 minutes are allotted to other parties and Groups as follows :

| | | |
|---|---|---|
| 1. Janata | ... ... | 81 minutes. |
| 2. C. P. M. | ... ... | 33 minutes. |

| | | |
|---|---|---|
| 3. | C. P. I. ... ... | 18 minutes. |
| 4. | R. C. P. I. ... ... | 12 minutes. |
| 5. | P. T. C. A. ... ... | 12 minutes. |
| 6. | Assom Janata Vidhayani Dal ... | 12 minutes. |
| 7. | Congress ( U ) .. | 12 minutes. |
| 8. | Lok Dal ... ... | 3 minutes. |
| 9. | Bharatiya Janata Party - | 3 minutes. |
| 10. | Independents ... ... | 30 minutes. |

The ten Independent Members will be entitled to 30 minutes at the rate of 3 minutes each and the balance of 24 minutes has been allotted to the mover of the motion including right of reply.

A copy of the revised calendar for the meetings of the current Session, as settled by the Committee has already been circulated among the members of the House.

I have this has the approval of the House

( voices : yes, yes )

Now item No. 3.

## PRESENTATION OF LIST OF SUPPLEMENTARY DEMANDS FOR GRANTS AND SUPPLEMENTARY APPROPRIATION FOR 1980-81.

Shri KESHAB CHANDRA GOGOI (Minister) : Sir, I beg to present the list of Supplementary Demands for grants and Supplementary Appropriations for 1980-81.

Mr. SPEAKER : Budget will be distributed.

(Budget for 1981-82 was distributed)

Now Item No. 4.

## PRESENTATION OF BUDGET FOR 1981-82

মাননীয় অধ্যক্ষ মহোদয়,

১৯৮১-৮২ চনৰ বছৰটোৰ বাবে মই বাৰ্ষিক বিবৃতি দাঙি ধৰিব খুজিছোঁ।

২। বৰ্ত্তমান চৰকাৰে অসমত কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ ১০০ দিন পূৰ হলহে মাথোন। ১৯৮০ চনৰ ৬ ডিচেম্বৰৰ দিনা নতুন চৰকাৰে শাসনভাৰ হাতত লোৱাৰ পিছতেই প্ৰথম কাম হৈছিল এবছৰৰো অধিক কাল আন্দোলনত ভুগি থকা ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘুৰাই অনা। শান্তি আৰু শৃংখলা অটুট ৰখা, অত্যাৱশ্যকীয় সামগ্ৰীৰ যোগান ব্যৱস্থা উন্নত কৰা, ৰাজ্যৰ অৰ্থনীতি পুনৰুজ্জীৱিত কৰা, চলিত বছৰটোৰ কম সময়ছোৱাৰ ভিতৰতে পৰিকল্পনা আঁচনি সমূহৰ ক্ষিপ্ৰগতিত ৰূপায়ণ কৰাৰ উপৰিও প্ৰশাসনত জনসাধাৰণৰ আস্থা ঘুৰাই অনাটোৱেই আছিল আমাৰ তৎকালীন কৰ্তব্য।

৩। যদিও মই ১৯৮১-৮২ চনৰ সমগ্ৰ বিত্তীয় বছৰটোৰ

বাবে বাজেট উত্থাপন কৰিছো, মই ১৯৮১ চনৰ এপ্ৰিলৰ পৰা জুলাই মাহলৈকে এই চাৰি মাহৰ বাবে 'ভোট-অন-একাউণ্ট' বিচাৰিব খুজিছোঁ। এই সময়ছোৱাত বৰ্ত্তমানে চৰকাৰে ৰাজ্যখনৰ অৰ্থনীতি খৰচি মাৰি পৰীক্ষা কৰিবৰ কাৰণে এটা সুযোগ পোৱাৰ লগতে ৰাজ্যখনৰ অৰ্থনীতি পুনৰুজ্জীৱিত কৰিবলৈ প্ৰস্তাৱসমূহো বিবেচনা কৰিব পাৰিব।

৪। বিদেশী নাগৰিকৰ প্ৰশ্নটোৰ ওপৰত চলা আন্দোলনৰ প্ৰভাৱ ৰাজ্যখনৰ অৰ্থনীতিৰ ওপৰত কেনেদৰে পৰিছে তাক মাননীয় সদস্যসকলে ভালদৰে জানে। ১৯৭৯-৮০ চনৰ বিত্তীয় বছৰটোৰ দ্বিতীয়াৰ্দ্ধত আৰু ১৯৮০-৮১ চনৰ চলিত বিত্তীয় বছৰটোৰ অধিকাংশ সময়ছোৱাত উন্নয়নমূলক কাম-কাজ যথেষ্ট পৰিমাণে মন্থৰ হৈ পৰে। সঘনে হৈ থকা বন্ধ, পিকেটিং, সত্যাগ্ৰহ আৰু অন্যান্য আন্দোলনমূলক কাৰ্য্য-কলাপৰ বাবে চৰকাৰী কাৰ্য্যালয়, শিক্ষানুষ্ঠান আৰু বেঙ্ক সমূহ আনকি বেচৰকাৰী প্ৰতিষ্ঠানসমূহৰ কাম-কাজো সঘনে ব্যাহত হৈছিল। ১৯৭৯ চনৰ ডিচেম্বৰ মাহৰ পৰা তৈলক্ষেত্ৰ সমূহৰপৰা শোধনাগাৰ সমূহলৈ খাৰুৱা তেলৰ প্ৰবাহ বন্ধ হৈ যায়। ১৯৮০ চনৰ এপ্ৰিল মাহৰ পৰা প্লাইউডৰ উৎপাদন তথা ইয়াৰ পৰিবহন বন্ধ হৈ যায়। মৰাপাট আৰু অন্যান্য বিভিন্ন উৎপাদিত দ্ৰব্য ৰাজ্যৰ বাহিৰলৈ অনা-নিয়া কাৰ্য্যও স্থবিৰ হৈ পৰে। আন্দোলনৰ আৰম্ভনিৰে পৰা ৰাজ্যখনৰ বাহিৰৰ বস্তু অসমলৈ অনা-নিয়া কৰাটোও ভালেখিনি কমি যায়।

৫। ফলস্বৰূপে উৎপাদন সকলো ক্ষেত্ৰত বিপৰ্য্যস্ত হব লগা হয়। চাহ, প্লাইউড, সাৰ, তেল আৰু তৈলজাত সামগ্ৰীৰ উৎপাদন কমি যায়। প্ৰাকৃতিক গেচৰ যোগান নথকাৰ বাবে নামৰূপ তাপ-বিদ্যুৎ কেন্দ্ৰও ক্ষতিগ্ৰস্ত হয়। মুঠতে এই সময়ছোৱাত ৰাজ্যখনৰ সমগ্ৰ উদ্যোগিক উৎপাদনেই নিম্নগামী হোৱাটো পৰিলক্ষিত হয়।

৬। শিক্ষানুষ্ঠান সমূহত ছাত্ৰসকলে এহাতে এটা মূল্যবান বছৰ হেৰুৱাব লগা হ'ল, আনহাতে চাকৰি প্ৰাৰ্থীসকলে কাৰ্য্যালয় সমূহত স্বাভাৱিকভাৱে কাম-কাজ কৰালৈকে বৈ থাকিব লগীয়া হ'ল। ফলস্বৰূপে নিবনুৱা সমস্যা আৰু বেয়া হৈ গ'ল। আনহাতেদি ইঞ্জিনীয়াৰ, ডাক্তৰ আৰু অন্যান্য কাৰিকৰী লোকসকল সময়মতে ওলাই আহিব নোৱাৰাৰ বাবে ৰাজ্যখনত কাৰিকৰী লোকৰ অভাৱ আৰু বেছি হ'ল।

৭। এই সময়ছোৱাত এহাতে বস্তু-বাহানি আৰু পৰিবহন ব্যৱস্থা ব্যাহত হোৱা আৰু আনহাতে ৰাজ্যখনত সামগ্ৰিক উৎপাদন হ্ৰাস হোৱাৰ কাৰণেই ৰাজ্যখনে অনুৰূপ সময়ছোৱাত সম্ভৱতঃ দেশৰ আন আন ঠাইতকৈ অধিক হাৰত মুদ্ৰাস্ফীতিৰ সন্মুখীন হ'ব লগা হয়। অত্যাৱশ্যকীয় সামগ্ৰীৰ সঘনে হৈ থকা নাটনিৰ বাবে দুখীয়া শ্ৰেণীৰ ৰাইজে যথেষ্ট দুখ-কষ্ট ভোগ কৰিব লগীয়া হয়।

৮। নতুন চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ লগে লগে অৱস্থাৰ উন্নতি সাধনৰ বাবে সংশোধনমূলক ব্যৱস্থা গ্ৰহণ কৰিব লগা হয়। সৰ্ব্বসাধাৰণ ৰাইজে যাতে স্বাভাৱিকভাৱে জীৱন যাপন কৰিব পাৰে তাৰ বাবে চৰকাৰে শান্তি আৰু শৃঙ্খলা ৰক্ষাৰ্থে ফলপ্ৰসু ব্যৱস্থা লবলগীয়া হয়। আগতে সঘনে বাধা পোৱাৰ পিছত চৰকাৰী কাৰ্য্যালয়সমূহৰ কাম-কাজ নিয়মিতভাৱে চলিবলৈ আৰম্ভ কৰে। পৰিবহন সেৱাও কোনো বাধা নোপোৱাকৈ চলিবলৈ ধৰে। অত্যাৱশ্যকীয় সামগ্ৰীসমূহ আকৌ ৰাজ্যখনলৈ আহিবলৈ লয় আৰু ইয়াৰ সমবিতৰণ কাৰ্য্যও সম্ভৱ হৈ উঠে। আন্দোলনৰ সময়ছোৱাত মন্থৰ হৈ পৰা উন্নয়নমূলক কাম-কাজৰ গতি পুনৰ ভালেখিনি ক্ষিপ্ৰ হৈ পৰে। আন্দোলনৰ সময়ছোৱাত বাট-পথ আৰু অন্যান্য ৰাজহুৱা কাম যিবিলাক কাম সুচাৰুৰূপে চলা নাছিল—সেইবিলাকৰ প্ৰতিও যথেষ্ট মনোযোগ দিয়া

হৈছে। মূল্যৰ ক্ষেত্ৰত তীব্ৰভাৱে হোৱা উদৰ্ধমুখী গতি কিছু পৰিমাণে হলেও ৰোধ কৰা হৈছে। পেট্ৰোলজাত সামগ্ৰী, খাৰুৱা তেল, ৰাসায়নিক সাৰ, প্লাইউড আদিৰ উৎপাদন পুনৰ আৰম্ভ হয়। অৰ্থনীতি পুনৰুজ্জীৱিত হোৱাৰ লক্ষণ পৰিলক্ষিত হয়। ৰাজ্যখনৰ প্ৰশাসনৰ প্ৰতি সৰ্বসাধাৰণ ৰাইজৰ আস্থা পুনৰ ঘূৰি আহে।

৯। ৰাজ্যৰ শাসন ভাৰ গ্ৰহণৰ ঠিক পিছতে ৰাজ্য চৰকাৰে ৰাজ্যৰ চৰকাৰী চাকৰিয়াল সকলৰ স্বাৰ্থৰ প্ৰতি মনোযোগ দিব লগা হয়। চাকৰিয়ালসকলক তেওঁলোকৰ অভাৱ-অভিযোগ সম্পৰ্কে চৰকাৰ যে সচেতন আৰু দাবীসমূহৰ প্ৰতি যে সহানুভূতিশীল সেই বিষয়ে আশ্বাস দিব লগা হয়। ৰাজ্য চৰকাৰৰ কঠিন বিত্তীয় অৱস্থা সত্বেও মূল্য বৃদ্ধিৰ ফলত চৰকাৰী চাকৰিয়াল-সকলে ভোগকৰা দুখকষ্ট সকাহ দিবৰ বাবে ১৯৮১ চনৰ এপ্ৰিল মাহত পাবলগীয়া তেওঁলোকৰ মৰগীয়া বানচ চৰকাৰে তৎকালেই মঞ্জুৰ কৰে। ৰাজ্য চৰকাৰে তেওঁলোকৰ চিকিৎসা বানচো বঢ়াই দিয়ে। একে সময়তে চৰকাৰী অৱসৰপ্ৰাপ্ত চাকৰিয়াল সকলকো যথেষ্ট সকাহ দিয়াৰ ব্যৱস্থা কৰা হয়।

১০। ৰাজ্যখনৰ বিশৃঙ্খল পৰিস্থিতিৰ হেতু মহকুমা পৰিষদ আৰু পঞ্চায়তসমূহেও ইয়াৰ ৰাজহ হেৰুৱাব লগা হয় আৰু ইয়াৰ কৰ্ম্মচাৰী সকলক বেতন আদি দিয়াত অসুবিধাৰ সন্মুখীন হব লগা হয়। পঞ্চায়ত আৰু মহকুমা পৰিষদসমূহৰ কৰ্মচাৰী-সকলৰ দুখ-কষ্ট লাঘৱ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে তেওঁ-লোকক দৰমহা দিবৰ বাবে এক তদৰ্থ সাহায্য মঞ্জুৰীৰ অনুমোদন জনায়।

১১। আগতেই উল্লেখ কৰা হৈছে যে ৰাজ্য চৰকাৰে পৰি-কল্পনা আঁচনিসমূহো খৰতকীয়া ভাৱে ৰূপায়ণ কৰিবলৈ লৈছে।

মাননীয় সদস্যসকলে শুনি সুখী হব যে বছৰটোৰ আৰম্ভণিতে ১৯৮০-৮১ চনৰ ৰাজ্যিক পৰিকল্পনাত ধাৰ্য্য কৰা ১৬০ কোটি টকাক ১৯৮০ চনৰ অক্টোবৰ মাহত ১৯৮ কোটি টকালৈ বৃদ্ধি কৰা হয় আৰু হাতত থকা এই কম সময়ছোৱাতে ৰাজ্য চৰকাৰে আটাইবিলাক আঁচনি কাৰ্য্যকৰী কৰি পৰিকল্পনাত ধৰা সমুদায় ধন ব্যৱহাৰ কৰিব।

১২। মাননীয় সদস্যসকলে বোধহয় জানে যে ১৯৮০ চনৰ জানুৱাৰী মাহত কেন্দ্ৰত এক জনপ্ৰিয় চৰকাৰ প্ৰতিষ্ঠিত হোৱাৰ লগে লগে 'প্লেন হলিদে, ( plan holiday ) ৰ ধাৰণা বাদ দিয়া হয়। ১৯৮০ চনত ১৯৮০ ৰ পৰা ১৯৮৫ চনলৈকে সামৰি লোৱাকৈ এখন নতুন ষষ্ঠ পঞ্চ বাৰ্ষিক পৰিকল্পনা যুগুতাই তাক চূড়ান্ত কৰা হয়। পৰিকল্পনা আয়োগে যুগুতোৱা গাথনিৰ ভিত্তিত ৰাজ্য চৰকাৰে ১৯৮০ চনৰ অক্টোবৰ মাহত এখন পঞ্চবাৰ্ষিক পৰিকল্পনা যুগুতাই পৰিকল্পনা আয়োগৰ ওচৰত দাখিল কৰে।

১৯৮০ চনৰ ডিচেম্বৰ মাহত নতুন চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত পৰিকল্পনাৰ আকাৰ চূড়ান্ত কৰা হয়। ষষ্ঠ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বাবে আনুমানিক ভাৱে ১,১২৫ কোটি টকাৰ ব্যয় ধাৰ্য্য কৰা হয়। পৰিকল্পনাখনৰ প্ৰধান লক্ষ্যসমূহ হ'ল :—

( ক ) বস্তুগত সা-সুবিধা, সামাজিক আৰু সমূহীয়া সেৱা, প্ৰতিষ্ঠান আৰু অনুষ্ঠানসমূহৰ ব্যৱস্থা কৰি গাথনিগত ব্যৱস্থাৰ উন্নতি সাধন কৰা।

(খ) কৃষি আৰু আনুষঙ্গিক খণ্ডসমূহত আৰু গ্ৰামোন্নয়নত সাধাৰণ ভাবে সৰ্বোচ্চ অগ্ৰাধিকাৰ দি উপাৰ্জন, নিযুক্তি, বস্তু-বাহানি আৰু সেৱাৰ ব্যৱস্থা থকা খণ্ডসমূহৰ বিশেষ ভাবে উন্নতি সাধন কৰা।

(গ) সমাজৰ দুৰ্বল শ্ৰেণীৰ লোকৰ মাজত সম ন্যায় আৰু কল্যাণ সাধনৰ উন্নয়নকল্পে আঁচনি হাতত লোৱা।

(ঘ) ৰাজ্যৰ সম্পদসমূহ সৰ্বোচ্চ ব্যৱহাৰ কৰাৰ আঁচনি আৰু কাৰ্য্যসূচী সমূহত উৎসাহ প্ৰদান।

(ঙ) বাধা বিঘিনি আৰু অসমতা দূৰ কৰি ইতিমধ্যে সৃষ্টি কৰা সম্ভাৱনীয়তাসমূহৰ সম্পূৰ্ণৰূপে ব্যৱহাৰ।

১৩। এই ব্যয়ৰ ভিতৰত কৃষি উৎপাদনৰ ক্ষেত্ৰত ২৮৩.৯০ কোটি টকাৰ এটা বুজন অংশ ধৰা হৈছে ( মুঠ ব্যয়ৰ শতকৰা ২৫.৪৬ ভাগ ); জলসিঞ্চন, বান নিয়ন্ত্ৰণ আৰু শক্তিৰ খণ্ডত অংশ হ'ব ৪৫১.২০ কোটি টকা ( শতকৰা ৪০.৮৩ ভাগ ); উদ্যোগ আৰু খনিৰ ক্ষেত্ৰত ৫৪.৭৫ কোটি টকা (শতকৰা ৪.৯১ ভাগ ); পৰিবহন আৰু যাতায়তৰ ক্ষেত্ৰত ১০৪.৫০ কোটি টকা (শতকৰা ৯.৩৭ ভাগ); আৰু শিক্ষা, স্বাস্থ্য আদিৰ দৰে সমাজ সেৱাৰ ক্ষেত্ৰত ২১৬.৬৫ কোটি টকা (শতকৰা ১৯.৪৩ ভাগ)।

১৪। মাননীয় সদস্যসকলে শুনি হয়তো সুখী হ'ব যে, ৰাজ্যিক পৰিকল্পনাৰ বাবে কেন্দ্ৰীয় সাহায্য বন্টন কৰাৰ ক্ষেত্ৰত অসমে বিশেষ শ্ৰেণীৰ ৰাজ্যৰ মৰ্য্যদা এতিয়াও পাই আছে। ১৯৮০-৮৫ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ বাবে পৰিকল্পনা আয়োগে ৮২৭ কোটি টকাৰ কেন্দ্ৰীয় সাহায্য নিৰ্দ্ধাৰণ কৰিছে যিটো পৰিমাণ মুঠ ৰাজ্যিক পৰিকল্পনা ব্যয়ৰ শতকৰা প্ৰায় ৭৪ ভাগ হ'ব। ৰাজ্যই ২৮৮ কোটি টকা যোগাব বুলি আশা কৰা হৈছে ইয়াৰ ভিতৰত বজাৰ ঋণ আৰু অসম বিদ্যুৎ পৰিষদ, অসম ৰাজ্যিক পৰিবহন নিগম আৰু অন্যান্য ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ পৰা পাব পৰা ধনো আছে। পঞ্চবাৰ্ষিক পৰিকল্পনাখনৰ বাবে প্ৰয়োজনীয় সম্পদ আহৰণ কৰিবৰ বাবে ৰাজ্য চৰকাৰে যৎপৰোনাস্তি চেষ্টা চলাব লাগিব।

১৫। ৰাজ্যিক পৰিকল্পনাৰ উপৰিও, পাৰ্বত্যাঞ্চল আৰু অন্যান্য পিছপৰা অঞ্চলৰ উন্নয়নৰ কাৰণে অতিৰিক্ত কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছে। ১৯৮০-৮৫ চনৰ সময়ছোৱাত পাৰ্বত্যাঞ্চলৰ বাবে অতিৰিক্ত কেন্দ্ৰীয় সাহায্য হ'ব–৭১'২৮ কোটি টকা, ভৈয়ামৰ জনজাতিৰ বাবে ১৯'৫৭ কোটি টকা আৰু অনুসূচীত জাতিৰ বাবে ৫ কোটি টকা। ইয়াৰ বাহিৰেও কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাত লোৱা কেইবাখনো আঁচনি আছে যাৰ বাবে উপযুক্ত কেন্দ্ৰীয় বৰঙণি নিৰ্দ্ধাৰণ কৰা হৈছে।

১৬। এতিয়া ১৯৮১–৮২ চনৰ বাৰ্ষিক পৰিকল্পনাৰ কথালৈ আহোঁ। ১৯৮১–৮২ চনৰ বাৰ্ষিক পৰিকল্পনাত আনুমানিক ২১০ কোটি টকাৰ বিত্তীয় ব্যয় ধাৰ্য্য কৰা হৈছে; ইয়াৰে ১৫৯'১০ কোটি টকা হ'ব কেন্দ্ৰীয় সাহায্য আৰু ৰাজ্যখনে যোগাব ৫০'৯০ কোটি টকা। ৰাজ্যখনৰ বৰঙণিৰ ভিতৰত অতিৰিক্ত সম্পদ আহৰণৰ বাবদ পোৱা ৩৮ কোটি টকা আৰু ৰাজ্যিক বিদ্যুৎ বোৰ্ডে দিয়া ১১ কোটি টকাও ধৰা হৈছে।

১৭। এই বাৰ্ষিক পৰিকল্পনাত কৃষি উৎপাদনৰ বাবে ৫০'৮২ কোটি টকা (২৪'২০%) জলসিঞ্চন, বান নিয়ন্ত্ৰণ আৰু শক্তি উৎপাদনৰ বাবে ৯২'২৭ কোটি টকা (৪৩'৯৫%) খনি আৰু উদ্যোগৰ বাবে ৭'৮০ কোটি টকা (৩'৭১%) পৰিবহন আৰু যাতায়তৰ বাবে ১৯'২০ কোটি টকা (৯'১৪%) আৰু সমাজ সেৱাৰ বাবে ৩৯'৯১ কোটি টকা (১৯'০০%) ব্যয়ৰ ব্যৱস্থা আছে। (বন্ধনীৰ ভিতৰৰ সংখ্যাবোৰৰ দ্বাৰা মুঠ ব্যয়ৰ শতকৰা হাৰ দেখুওৱা হৈছে) ইয়াৰ উপৰিও পাহাৰ অঞ্চলৰ বাবে ১২ কোটি টকা, জনজাতীয় উপ-পৰিকল্পনাৰ বাবে ৩'৪০ কোটি টকা আৰু অনুসূচীত জাতিৰ ক্ষেত্ৰত লোৱা বিশেষ সংযোগী আঁচনিৰ বাবে ১ কোটি টকাৰ কেন্দ্ৰীয় সাহায্য পোৱা হ'ব। কেন্দ্ৰীয় ভাৱে লোৱা আঁচনিৰ বাবেও অতিৰিক্ত পুঁজি পোৱা হ'ব।

১৮। এতিয়া মই অহা বছৰৰ বাষিক পৰিকল্পনাৰ প্ৰধান প্ৰধান বিষয়সমূহ চমুকৈ উল্লেখ কৰিম। কৃষি পৰিকল্পনাৰ মূল উদ্দেশ্য হ'ল ৰাজ্যখনৰ খাদ্য সামগ্ৰীৰ উৎপাদন বৃদ্ধি কৰা। ১৯৮০-৮১ চনত ৰাজ্যখনৰ খাদ্য সামগ্ৰীৰ উৎপাদন হয় ২৬.৩৭ লাখ টন। ১৯৮১-৮২ চনত এই উৎপাদন ২৮.৪৮ লাখ টনলৈ অৰ্থাৎ শতকৰা প্ৰায় ৮ ভাগ বৃদ্ধি কৰাৰ কথা ভবা হৈছে। মৰাপাট, কুঁহিয়াৰৰ ক্ষেত্ৰতো যথেষ্ট পৰিমাণে উৎপাদন বঢ়োৱাৰ বাবে পৰিকল্পনা কৰা হৈছে। উৎপাদন বঢ়োৱাৰ প্ৰধান কৌশল হ'ব সন্তৰস্থলত শস্য উৎপাদন পদ্ধতিৰ সংশোধন কৰা যাতে জুলাইৰ পৰা নৱেম্বৰ মাহলৈকে খাৰিফ শস্য চপোৱাৰ পাছত সেই একেদৰা মাটিকেই নৱেম্বৰৰ মাজ ভাগৰ পৰা মাৰ্চ মাহলৈকে ৰবি শস্য উৎপাদনৰ বাবে সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা হয়। বিশ্ব বেঙ্কৰ অধীনস্থ আচনি সমূহৰ সেৱা সম্প্ৰসাৰণৰ বাবে ইয়াৰ পুনঃগঠনৰ কাম চলিত বছৰতে কৰি থকা হৰ আৰু কিছুমান নতুন পৰীক্ষা কেন্দ্ৰ স্থাপন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। জনজাতীয় কৃষক সকলৰ উপকাৰ সাধিবলৈ শস্যৰ বীজ, ৰাসায়নিক সাৰ, কীট নাশক ঔষধ আৰু সা-সজুলি চৰকাৰী ৰেহাই মূল্যত যোগান ধৰিবৰ বাবে ১৬০ লাখ টকা ব্যয়ৰ ব্যৱস্থা ৰখা হৈছে। প্ৰমাণিত উৎপাদনৰ বাবে পঞ্জীভুক্ত কৃষকসকলক উদগনি যোগোৱা হব।

১৯। ৰাজ্যখনৰ সকলোবোৰ গ্ৰাম্য উন্নয়ন খণ্ডকে সু-সংহত গ্ৰাম্য উন্নয়ন খণ্ডলৈ ৰূপান্তৰিত কৰিবলৈ সিদ্ধান্ত লোৱাৰ লগতে গ্ৰাম্য উন্নয়ন আঁচনি সমূহত আৰু বেছি গুৰুত্ব দিয়া হব। এই আঁচনিৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলত থকা পৰিয়াল সমূহক সাহায্য দিয়াৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হব।

২০। কৃষকসকলক নদীনাদ বহুৱাৰ বাবে ঋণদানৰ আঁচনি সম্প্ৰসাৰিত কৰিবলৈ অলপতে এটা 'ক্ষুদ্ৰ জলসিঞ্চন নিগম'

গঠন কৰা হৈছে। কলিয়াবৰ আৰু ডেকাডাম জলসিঞ্চন আঁচনি সম্পূৰ্ণ হোৱাৰ লগে লগে ২৪,০০০ হেক্টৰ মাটিৰ এটা অতিৰিক্ত অঞ্চলে জলসিঞ্চনৰ সা-সুবিধা লাভ কৰিব। পাহাৰ অঞ্চল সমূহতো ১,০০০ হেক্টৰৰ অঞ্চল এটা জলসিঞ্চনৰ অধীনলৈ অনা হ'ব।

২১। বিদ্যুৎ খণ্ডত পৰিকল্পনাখনত কেইবাটাও প্ৰকল্পৰ কাম হাতত লোৱা হৈছে যাতে ১৯৮৪-৮৫ চনৰ শেহৰ পিনে বিদ্যুৎৰ উৎপাদন সামৰ্থ্য ৬০০ মেগাৱাটলৈ বৃদ্ধি কৰিব পৰা হ'ব। বঙাইগাওঁ থাৰ্মেল প্ৰকল্প ইতিমধ্যে কাৰ্য্যক্ষম হৈছে আৰু লাকুৱা থাৰ্মেল প্ৰকল্পও সোনকালেই কাৰ্য্যক্ষম হৈ উঠিব। তেল আৰু প্ৰাকৃতিক গেচ নিগম আৰু অইল ইণ্ডিয়াৰ তৈলক্ষেত্ৰ সমূহত প্ৰাকৃতিক গেচ ব্যৱহাৰৰ বাবে ৭টা মবাইল গেচ টাৰ্বাইন স্থাপনৰ কাম অহা বছৰৰ ভিতৰতেই সম্পূৰ্ণ হ'ব। ১৯৮১-৮২ চনৰ ভিতৰত ১৬০০ খন গাঁৱত বৈদ্যুতিকৰণৰ ব্যৱস্থা কৰা হৈছে; ইয়াকে লৈ মুঠতে ৭২০০ খন গাঁৱত বৈদ্যুতিকৰণ হ'ব।

২২। ব্ৰহ্মপুত্ৰ উপত্যকাৰ বান নিয়ন্ত্ৰণৰ ব্যৱস্থাসমূহ কেন্দ্ৰীয় খণ্ডৰ অধীনত হাতত লোৱা হৈছে। মাননীয় সদস্যসকলে হয়তো জানে যে ভাৰতীয় সংসদে অলপতে ব্ৰহ্মপুত্ৰ নদী বোৰ্ড গঠনৰ বাবে এখন বিল পাছ কৰিছে। এই নদী বোৰ্ডৰ কাম-কাজ ব্যাপক হ'ব। এই বোৰ্ডে ব্ৰহ্মপুত্ৰ উপত্যকাত বান নিয়ন্ত্ৰণৰ প্ৰধান প্ৰধান কামসমূহৰ জৰীপ আৰু নিৰ্মাণ কাৰ্য্য হাতত ল'ব।

২৩। স্থানীয় সম্পদ, ব্যৱসায়িক সম্ভাৱনা আৰু চাহিদাৰ ভিত্তিত উদ্যোগ প্ৰতিষ্ঠা কৰাত উৎসাহ দিয়াটোৱেই হ'ল ৰাজ্য-খনৰ ঔদ্যোগিক উন্নয়নৰ বাবে লোৱা বিস্তৃত কৌশল। অদূৰ ভৱিষ্যতে স্থাপন কৰিব লগীয়া কাগজ কল, ৰাসায়নিক আৰু পেট্ৰো-ৰাসায়নিক প্ৰকল্প আদিৰ দৰে প্ৰধান আঁচনিসমূহৰ প্ৰয়ো-জনীয়তা পূৰণৰ বাবে যথেষ্ট সংখ্যক থলুৱা লোকক প্ৰশিক্ষণ দিবলৈকো প্ৰস্তাৱ কৰা হৈছে।

২৪। ৰাজ্য চৰকাৰৰ অনুৰোধক্ৰমে ভাৰতীয় ৰিজাৰ্ভ বেঙ্কে অসমত বেঙ্কৰ সা-সুবিধা বৃদ্ধি কৰিবলৈ ১৯৭ টা কেন্দ্ৰ বাছি লৈছে। দুটা আঞ্চলিক গাঁৱলীয়া বেঙ্ক ইতিমধ্যে প্ৰতিষ্ঠা কৰা হৈছে আৰু দুটা তেনে আঞ্চলিক গাঁৱলীয়া বেঙ্ক স্থাপনৰ বাবে ৰিজাৰ্ভ বেঙ্কৰ অনুমোদন পোৱা হৈছে। অহা বছৰৰ ভিতৰতে সেই দুটা বেঙ্কো স্থাপন কৰাৰ সম্ভাৱনা আছে। উত্তৰ-পূব অঞ্চলৰ বাবে ভাৰত চৰকাৰে ৰাষ্ট্ৰীয়কৃত বেঙ্কৰ এটা সুকীয়া 'ৰিক্ৰুইট্‌মেণ্ট বোৰ্ড' স্থাপন কৰাৰ বাবে সন্মতি দিছে। ইয়াৰ ফলত স্থানীয় লোকসকল প্ৰভুত পৰিমাণে উপকৃত হব। ভাৰত চৰকাৰে গুৱাহাটীত ষ্টেট বেঙ্কৰ এটা স্থানীয় প্ৰধান কাৰ্য্যালয় খোলাৰ বাবেও সন্মতি প্ৰদান কৰিছে। গ্ৰাম্যাঞ্চলত ঋণদান ব্যৱস্থা সুচল কৰাৰ উপৰিও এই বেঙ্কসমূহত এই অঞ্চলৰ শিক্ষিত নিবনুৱা যুৱকসকলৰ সংস্থানৰ বাবে সু-ব্যৱস্থা থাকিব।

২৫। ৰাজ্যখনৰ উন্নয়নৰ আন এটা বুনিয়াদ হৈছে যাতায়াত ব্যৱস্থাৰ দ্ৰুত উন্নয়ন সাধন। অসমৰ দৰে সীমান্তবৰ্তী ৰাজ্য এখনত সীমান্ত পহৰা দিয়াৰ ক্ষেত্ৰত ৰাস্তাঘাটৰ ভূমিকা গুৰুত্বপূৰ্ণ। ১৯৮১-৮২ চনৰ ভিতৰত জনজাতি অঞ্চলৰ ১৫০ কিঃ মিঃ কে ধৰি মুঠ ৯০০ কিঃ মিঃ নতুন ৰাস্তা নিৰ্মাণ কৰা হব। ইয়াৰোপৰি ১৫৭ কি: মিঃ বাট-পথ সমান কৰা হব। ব্ৰহ্মপুত্ৰৰ ওপৰত প্ৰস্তাবিত কলীয়াভোমোৰা দলঙৰ সংযোগী পথ নিৰ্মাণৰ কাম ৰাজ্যিক গড়কাপ্তানী বিভাগৰ হাতত ন্যস্ত কৰা হৈছে, কিন্তু যোৱা বছৰ এই আঁচনিৰ কাম বাধাগ্ৰস্ত হয়। অহা বছৰৰ ভিতৰতে পিছ পৰি থকা কামখিনিও সম্পূৰ্ণ কৰি আশা কৰা লক্ষ্যত উপনীত হব পৰা যাব। যাৱতীয় সামগ্ৰীৰ অভাৱ আৰু পৰিবহন ব্যৱস্থাৰ বাধা-বিপত্তি সত্বেও গৃহ-নিৰ্মাণৰ ক্ষেত্ৰত সন্তোষজনক অগ্ৰগতি লাভ কৰিব পৰা গৈছে। ৰাজধানী চৌহদত তিনি মহলীয়া এম, এল, এ হোষ্টেল আৰু ৰেকৰ্ড

বিল্ডিঙৰ কাম-কাজ সন্তোষজনক ভাৱে আগবাঢ়িছে আৰু অলপতে ই সম্পূৰ্ণ হৈ উঠিব।

২৬। বাধ্যতামূলক, সাৰ্বজনীন প্ৰাথমিক শিক্ষা অবিহনে নিৰক্ষৰতা আৰু অজ্ঞতা দূৰীকৰণ সম্পূৰ্ণ নহব। অতীজত বহু চেষ্টা কৰা সত্ত্বেও বাধ্যতামুলক সাৰ্বজনীন প্ৰাথমিক শিক্ষা এতিয়াও এটা নিষ্ফল আকাংখা হৈয়ে আছে। সি যি কি নহওঁক, ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাত এই বয়সৰ শতকৰা ১০০ ভাগ ল'ৰা-ছোৱালীকে সামৰি লবলৈ বিচৰা হৈছে। ১৯৮১-৮২ চনৰ ভিতৰত অতিৰিক্ত ১'১৩ লাখ ল'ৰা-ছোৱালীক প্ৰাথমিক বিদ্যালয় সমূহত ভৰ্তি কৰা হব। মাধ্যমিক বিদ্যালয়সমূহত প্ৰায় ৯০ হাজাৰৰো অধিক ল'ৰা-ছোৱালীক এই বছৰতে ভৰ্তি কৰা হব। স্কুলসমূহত বিনামূলীয়া পাঠ্য পুথিৰ যোগান, মধ্যাহ্ন আহাৰ, বৃত্তি, খোৱা পানীৰ সুবিধা, শৌচ-প্ৰস্ৰাৱ আদি স্বাস্থ্য সন্মত সুবিধা আৰু আচবাব আদিৰ ব্যৱস্থা কৰি দুখীয়া পৰিয়ালৰ লৰা ছোৱালীক স্কুলত নাম ভৰ্তি কৰিবলৈ আকৰ্ষিত কৰা হব। স্কুলসমূহত বিজ্ঞান পাঠ্যক্ৰম প্ৰৱৰ্তন আৰু শিক্ষকসকলৰ প্ৰশিক্ষণৰ ব্যৱস্থা সম্প্ৰসাৰণ কৰি ইয়াৰ গুণগত বিকাশ সাধন কৰিবলৈ বিচৰা হব। প্ৰাথমিক আৰু মাধ্যমিক সাহায্যপ্ৰাপ্ত স্কুলসমূহত কাম কৰি থকা শিক্ষকসকলৰ প্ৰাদেশিকীকৰণ ব্যৱস্থা অব্যাহত থাকিব। খেলা-ধূলা আৰু সাংস্কৃতিক চৰ্চাৰ প্ৰতি দিয়া উৎসাহ উদ্দীপনাও অব্যাহত থাকিব।

২৭। ষষ্ঠ পাঁচ বছৰীয়া পৰিকল্পনাত প্ৰযুক্তি বিদ্যা প্ৰদানৰ বাবে ইতিমধ্যে ৰচনা কৰা বুনিয়াদ সুদৃঢ় কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়। মীন পন্নয়, কাঠ, বিজুলী আৰু টেলি কমিউনিকেচনৰ কাৰিকৰী বিষয়ৰ ওপৰত এটা ডিপ্লোমা পাঠ্যক্ৰম খোলাৰ পৰিকল্পনা কৰা হৈছে। ১৯৮১—৮২ চনৰ ভিতৰত এটা নতুন পলিটেক্‌নিক কেন্দ্ৰ স্থাপন কৰাৰ সম্ভাৱনা আছে

২৮। ১৯৮১—৮২ চনৰ স্বাস্থ্য পৰিকল্পনাত তিনিটা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ১৬০ টা উপকেন্দ্ৰ আৰু ১৮ টা সহযোগী স্বাস্থ্য কেন্দ্ৰৰ কথা ভবা হৈছে। ইয়াৰ উপৰিও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু উপকেন্দ্ৰসমূহৰ নিৰ্মাণৰ পিচপৰি থকা কামো সম্পূৰ্ণ কৰাৰ কথা ভবা হৈছে। চলিত বছৰৰ ভিতৰতে দুখন নতুন গ্ৰাম্য হাস্পাতাল স্থাপনৰ প্ৰস্তাৱো কৰা হৈছে। গোৱালপাৰা, দৰং আৰু লক্ষীমপুৰ জিলাত তিনিখন অতিৰিক্ত স্বাস্থ্যসেৱাৰ স্কুল স্থাপন কৰাৰ সম্ভাৱনা আছে। ভাৰত চৰকাৰে গ্ৰহণ কৰা সংশোধিত আঁচনি অনুযায়ী মেলেৰীয়া নিৰ্মূল আঁচনিখনক কাৰ্য্যকৰী কৰা হব। গুৱাহাটীত এটা সংযুক্ত খাদ্য আৰু ঔষধ পৰীক্ষাগাৰৰ কাম আৰম্ভ কৰা হব। ধুবুৰীত ২০০ বিচনাযুক্ত চিভিল হাস্পাতালৰ কাম সোনকালে সম্পূৰ্ণ হব। মৰিগাওঁ, ধেমাজি আৰু হামৰেণ মহকুমাৰ হাস্পাতালৰ নিৰ্মাণ কাৰ্য্যও আগবাঢ়িছে। হাফলং চিভিল হাস্পাতালৰ কাম ১৯৮০ চনৰ ২ অক্টোবৰৰ পৰা আৰম্ভ কৰা হৈছে।

২৯। ১৯৮১-৮২ চনৰ ভিতৰত ৭০০ খন গাঁৱলৈ খোৱা পানী যোগান ধৰিবলৈ পৰিকল্পনা কৰা হৈছে। তাৰে ২০০ খনৰো অধিক গাওঁ জনজাতি অধ্যুষিত এলেকাৰ ভিতৰত পৰিব। ১৮ খন চহৰৰ বাবে পানী যোগান আঁচনিৰ কামো বিভিন্ন স্তৰত আগবাঢ়ি আছে আৰু ৪ খনৰ কাম এই বছৰৰ ভিতৰতে সম্পূৰ্ণ হব। তদুপৰি ভৈয়াম অঞ্চলৰ ১০০ খন গাওঁ আৰু পাহাৰ অঞ্চলৰ ৪৮ খন গাওঁ কেন্দ্ৰীয় চৰকাৰৰ তত্বাৱধানত উন্নত গ্ৰাম্য পানী যোগান আঁচনিয়ে সামৰি লব।

৩০। ১৯৮১ চনৰ বছৰটো আন্তঃৰাষ্ট্ৰীয় অক্ষম লোকৰ বৰ্ষ হিচাপে পালন কৰা হৈছে। শাৰীৰিক বিকলাঙ্গ ছাত্ৰ-ছাত্ৰীলৈ বৃত্তি দান, যোগ্য ব্যক্তি সকললৈ আৱশ্যকীয় সাহায্য দান, বিকলাঙ্গ সকলৰ মাজত কল্যাণমূলক সেৱা আগবঢ়োৱা স্বেচ্ছাসেৱী অনুষ্ঠানসমূহক বিত্তীয় সাহায্য আৰু পুনঃসংস্থাপনৰ সুবিধা দিয়াৰ

অবিৰত আঁচনিসমূহ সম্প্ৰসাৰণ কৰাৰ উপৰিও বিকলাঙ্গ সকলৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে চলিত বছৰতে কিছুমান নতুন আঁচনিৰ কাম হাতত লোৱা হব। কৃত্ৰিম অঙ্গ প্ৰত্যঙ্গ আৰু শ্ৰৱণ চিকিৎসা ( audio Therapy ) কেন্দ্ৰ উন্নয়নৰ লগতে এখন মানসিকভাৱে বাধাগ্ৰস্ত ল'ৰা-ছোৱালীৰ স্কুল স্থাপনৰ কামো এই আঁচনিৰ অধীনত হাতত লোৱা হৈছে।

৩১। ৰাজ্যখনৰ নিবনুৱা সমস্যাটো এতিয়াও এটা উদ্বেগৰ বিষয় হৈ আছে। ১৯৮০ চনৰ এপ্ৰিল মাহত নিয়োগ-বিনিময় কেন্দ্ৰসমূহৰ নাম ভৰ্তি ৰেজিষ্টাৰৰ পৰা দেখা যায় যে ৩'২৯ লাখ লোকে চাকৰি বিচাৰি আছে তাৰে ১.৩৯ লাখ হ'ল শিক্ষিত নিবনুৱা। ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ আঁচনিয়ে ৰাজ্যখনত প্ৰতিটো সমূহীয়া উন্নয়ন খণ্ডতে বছৰি প্ৰায় ১০০ দিনত ১০০০ জন মানুহৰ নিযুক্তিৰ সুবিধা দিয়াৰ কথা বিবেচনা কৰিছে। শিক্ষিত নিবনুৱা সকলৰ মাজত ক্ৰমাগতভৱে বৃদ্ধি পোৱা নিবনুৱা সমস্যাৰ সমাধান কৰিবলৈ চলিত বছৰতেই হাতত লোৱা বিশেষ আঁচনিখনৰ কাম অহা বছৰত আৰু আগুৱাই নিয়া হব। এই আঁচনিয়ে গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ, পাম পৰিচালক, টেলিফোন অপাৰেটৰ, ষ্টেনোগ্ৰাফাৰ আদি বিষয়ৰো প্ৰশিক্ষণৰ সুবিধা আগবঢ়াব। হয়াৰ বাহিৰেও ( ITI ) উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান সমূহৰ প্ৰশিক্ষণ দিবলৈ বিভিন্ন পাঠ্যক্ৰম আৰু যন্ত্ৰপাতিৰ আধুনিকীকৰণৰ ব্যৱস্থা লোৱা হৈছে।

৩২। অসমৰ পাৰ্বত্য অঞ্চলৰ আৰ্থ-সামাজিক সমস্যাসমূহ ফলপ্ৰসূভাৱে চোৱা-চিতা কৰিবলৈ ৰাজ্যখনত ১৯৬৭—৬৮ চনতে এটা সু-সংহত উন্নয়ন প্ৰচেষ্টা চলোৱা হৈছিল। স্বায়ত্ব শাসিত জিলা দুখনৰ জিলা পৰিষদ কেইখনক আঁচনিসমূহ ৰূপায়ণৰ দায়িত্ব অৰ্পণ কৰা হৈছে। পাৰ্বত্য অঞ্চলসমূহৰ বাবে এটা সুকীয়া পৰিকল্পনা বোৰ্ডে নীতি নিৰ্দ্ধাৰণ আৰু আঁচনিৰ কাম-কাজৰ

পৰ্য্যালোচনা কৰে। অহা বছৰৰ পৰিকল্পনাত ভূমি সংৰক্ষণ, ঝুম খেতি নিয়ন্ত্ৰণ আৰু কফি, ৰবৰ আদিৰ দৰে শস্যসমূহৰ উন্নয়নৰ ওপৰত গুৰুত্ব দিয়া হৈছে। তদুপৰি পৰিবহন আৰু যাতায়ত ব্যৱস্থাৰ ওপৰতো যথেষ্ট গুৰুত্ব আৰোপ কৰা হৈছে। শিক্ষা, স্বাস্থ্য আৰু পানীযোগান ব্যৱস্থাৰ নিচিনা সুবিধা পৰ্য্যাপ্ত পৰিমাণে আগবঢ়োৱা হৈছে।

৩৩। ৰাজ্য চৰকাৰৰ অনুৰোধক্ৰমে ভাৰত চৰকাৰে অলপতে অঞ্চলটোৰ কাৰণে উল্লেখযোগ্যভাৱে ধন খটুৱাবলৈ আগবাঢ়ি আহিছে। নিউ বঙাইগাওঁৰ পৰা গুৱাহাটীলৈ ব্ৰড্‌গজ ৰেলৱে লাইনৰ নিৰ্মাণ কাৰ্য্যৰ কাম খৰতকীয়া কৰা হৈছে। আন্দোলনৰ কাৰণে সঘনাই কাম-কাজ বন্ধ হৈ থকা সত্বেও বঙাইগাঁৱৰ ৰিফাইনাৰী-কাম-পেট্ৰোকেমিকেলচ্ –প্ৰকল্পটোৰ কাম ক্ষিপ্ৰ গতিত আগবাঢ়িছে। ৩০০ কোটি টকাৰ দেশৰ অন্যতম বৃহৎ এই প্ৰকল্পটোৱে বছৰি ৩০,০০০ হেজাৰ টন পলিয়েষ্টাৰ আঁহ উৎপাদন কৰিব পাৰিব। অলপতে ভাৰত চৰকাৰে এই প্ৰকল্পৰ অধীনত আৰু কিছুমান আনুষঙ্গিক উদ্যোগ স্থাপনৰ সম্ভাৱনা সৰ্ম্পকে পৰীক্ষা কৰিবলৈ এটা উচ্চক্ষমতাসম্পন্ন কমিটীক নিযুক্তি দিছে। ৬৫ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰিবলৈ লোৱা ব্ৰহ্মপুত্ৰৰ দ্বিতীয় দলংখনৰ কাম নিৰ্দ্ধাৰিত সময়মতেই আগবাঢ়িছে আৰু ই ১৯৮৫ চনত সম্পূৰ্ণ হবগৈ বুলি আশা কৰা হৈছে। অসমত টেলি কমিউনিকেশ্যন ব্যৱস্থাৰ উন্নতি সাধিবলৈ এখন ব্যাপক আঁচনিৰ কথা ভবা হৈছে। ইয়াৰ ভিতৰত গুৱাহাটীৰ কাৰণে অতিৰিক্ত টেলিফোন লাইনৰ ব্যৱস্থা, এচ, টি, ডি ব্যৱস্থাৰ উন্নতি সধা, ব্যাপকভাৱে মাইক্ৰোৱেভ পদ্ধতিৰ সম্প্ৰসাৰণ আৰু অতিৰিক্ত দূৰৱৰ্তী উচ্চ ফ্ৰিকুয়েন্সিৰ অনাতাঁৰ সংযোগ আদিৰ কামো সামৰা হৈছে।

৩৪। অসমে ঘেহুঁ, দাইল, লোণ, চেনি, খোৱাতেল আৰু অন্যান্য অত্যাৱশ্যকীয় ভোগ্য সামগ্ৰীৰ কাৰণে বাহিৰৰ যোগানৰ

ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়। আন্দোলনৰ সময়ছোৱাত যোগান ব্যৱস্থা ব্যাহত হৈছিল, কিন্তু অলপতে চৰকাৰে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ জৰিয়তে এই আৱশ্যকীয় সামগ্ৰীবোৰৰ যোগান অব্যাহত ৰাখিব পাৰিছে। চৰকাৰৰ দ্বাৰা বিশেষ ব্যৱস্থা হাতত লোৱাৰ ফলত যোৱা কেইবছৰমানৰ তুলনাত চলিত বছৰটোত তীখা, বিলাতী মাটি আদি প্ৰয়োজনীয় নিৰ্মাণ সামগ্ৰী বোৰৰ যোগান ব্যৱস্থাৰ উল্লেখনীয়ভাৱে উন্নতি হোৱা পৰিলক্ষিত হৈছে। বছৰটোৰ ভিতৰতে অভাৱৰ মাহ কেইটাত যেতিয়া বয়-বস্তুৰ দাম উৰ্দ্ধমুখী হয় তেতিয়াও বিশেষকৈ ধান আৰু ঘেঁহুৰ বজাৰ মূল্য অস্বাভাবিকভাৱে বঢ়া নাই।

৩৫। প্ৰায় প্ৰত্যেক বছৰতে অসমত এবাৰ হলেও বানপানী আহে। ১৯৮০ চনৰ ভিতৰত দুবাৰ বানপানী হয়। প্ৰথমবাৰ জুলাই মাহত আৰু দ্বিতীয়বাৰ আগষ্ট মাহত; যাৰ ফলত মানুহৰ ধন সম্পত্তি আৰু জীৱনৰ বিস্তৰ ক্ষতি সাধন হয়। তাৰোপৰি ৰাস্তা-ঘাট, ঘৰবাৰী আৰু দলং আদিৰ বিস্তৰ ক্ষতি হয়। বছৰটোৰ ভিতৰত সাহায্য আৰু পুনঃসংস্থাপন ব্যৱস্থাৰ কাৰণে ১২.৭২ কোটি টকা ব্যয় কৰা হয়।

৩৬। খাৰুৱা পেট্ৰোলজাত সামগ্ৰীৰ ওপৰত ৰয়েল্টিৰ হাৰ বঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ৰাজ্য চৰকাৰে অবিৰামভাৱে যুক্তি দৰ্শাই আহিছে। ১৯৮০ চনৰ মে মাহত ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত বিশদ বিৱৰণেৰে এখন স্মাৰক পত্ৰ দাখিল কৰি বৰ্তমানৰ প্ৰতি টন খাৰুৱা তেলৰ ৰয়েল্টি ৪২ টকাৰ পৰিৱৰ্তে ৩১৫ টকা হাৰত নিৰ্দ্ধাৰণ কৰিবলৈ অনুৰোধ কৰে। ভাৰত চৰকাৰে ৰয়েল্টিৰ হাৰ ঘোষণা কৰিছে। এই হাৰ প্ৰতি টনত মাথোন ৬১ টকালৈ বৃদ্ধি কৰা হৈছে।

৩৭। এতিয়া মই সন্মানিত সদস্যসকলক বাজেটৰ প্ৰধান

বিষয়সমূহৰ বিষয়ে অৱগত কৰিব খুজিছোঁ।

৩৮। ১৯৮০-৮১ চনৰ ৩০২'২৭ কোটি টকাৰ বিপৰীতে ১৯৮১-৮২ চনত ৩৫০'৮৫ কোটি টকা ৰাজহ আয় ধাৰ্য্য কৰা হৈছে। সম্প্ৰতি উত্থাপিত এই হিচাবটোৱে যোৱা বছৰৰ সংশোধিত প্ৰাক্‌কলনৰ ওপৰত ৪৮.৫৮ কোটি টকাৰ আয় বৃদ্ধি হোৱাকে সূচায়। ৰাজ্যিক কৰ ৰাজহ বৃদ্ধি হোৱা (২০.৬২ কোটি টকা), কৰৰ বাহিৰৰ ৰাজহ (১৫'২৭ কোটি টকা), কেন্দ্ৰীয় কৰ আৰু শুল্কৰ অংশ (১১'৪৭ কোটি টকা), আৰু কেন্দ্ৰৰ পৰা পোৱা বৰ্দ্ধিত আঁচনি সাহায্য (৯'২১ কোটি টকা) ৰ কাৰণে ঘাইকৈ এই বৃদ্ধি পৰিলক্ষিত হৈছে। মূলধনী আয় ১৯৮০-৮১ চনৰ ২৭১'০৬ কোটি টকাৰ পৰা ১৯৮১-৮২ চনত ২২০'৭৯ কোটি টকালৈ হ্ৰাস পোৱা দেখা যায়। ভাৰতীয় ৰিজাৰ্ভ বেঙ্কৰ পৰা সময়ে সময়ে লোৱা অৰ্থোপায়ৰ আগধন এই আয়ৰ ভিতৰত পৰে আৰু আগধনখিনি বাদ দি চলিত বছৰটোৰ মূলধনী আয় হব যোৱা বছৰৰ ১৮৬'০৬ কোটি টকাৰ বিপৰীতে ১৬৮'৭৯ কোটি টকা। বিদেশী নাগৰিকৰ সমস্যাক লৈ চলি থকা আন্দোলনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যখনৰ অৱস্থা শোচনীয় হোৱা হেতুকে ১৯৮০-৮১ চনৰ ভিতৰত ৰাজ্য চৰকাৰে ভাৰত চৰকাৰৰ পৰা ৪০ কোটি টকাৰ এটা বিশেষ ঋণ লয়। যোৱা বছৰৰ তুলনাত চলিত বছৰটোত পৰিকল্পনা সাহায্য ১৪'১৭ কোটি টকা বেছি হব। এই সকলোবোৰ দিশ বিবেচনা কৰিলে দেখা যায় যে যোৱা বছৰৰ মূলধনী আয়ৰ হিচাপতকৈ কোনো তাৎপৰ্য্যপূৰ্ণ পাৰ্থক্য নেথাকিব।

৩৯। ১৯৮০-৮১ চনৰ সংশোধিত প্ৰাক্‌কলনত ধাৰ্য্য কৰা ৩৬৯'০৯ কোটি টকাৰ বিপৰীতে ১৯৮১-৮২ চনত ৩৮৫'৬৭ কোটি টকা ৰাজহ ব্যয় ধাৰ্য্য কৰা হৈছে। ১৬'৫৮ কোটি টকাৰ এই বৃদ্ধি অতি সামান্য আৰু এই ধন কৰ্মচাৰীসকলৰ সাধাৰণতে বাঢ়ি

যোৰা বেতন আৰু ভাট্টা আদি দিবলৈ প্ৰয়োজন হব। ১৯৮০-৮১ চনত সংশোধিত প্ৰাক্ ক'লনত ধাৰ্য্য কৰা ২৫৫'৬৬ কোটি টকাৰ বিপৰীতে ২২৮'৭৬ কোটি টকা মূলধনী ব্যয় ধাৰ্য্য কৰা হৈছে। এই ব্যৱধান প্ৰধানকৈ অৰ্থোপায়ৰ আগধন পৰিশোধ কৰিবৰ কাৰণে কৰা ব্যৱস্থাৰ বাবে হৈছে; যিটো ১৯৮০-৮১ চনৰ ৮৬ কোটি টকাৰ তুলনাত অহা বছৰটোত ৫৫ কোটি টকা হবগৈ পাৰে।

৪০। ১৯৭৯-৮০ চনৰ হিচাপ ৮'০৫ কোটি টকাৰ আৱন্তণীৰ ঘাটি উদ্বৃত্তৰ বিপৰীতে ১০'১৫ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰে। বছৰটোৰ বাবে সামৰণিৰ উদ্বৃত্ত ৪২'৮৫ কোটি টকাৰ ঘাটি হোৱাৰ লগে লগে ১৯৮০-৮১ চনৰ ভিতৰত এই অৱস্থাৰ যথেষ্ট অৱনতি ঘটে। ৰাজ্যখনত হোৱা আন্দোলনেই হ'ল এই অত্যাধিক ঘাটিৰ ঘাই কাৰণ। ১৯৮০-৮১ চনৰ ভিতৰত ভাৰত চৰকাৰে ৪০ কোটি টকাৰ এটা বিশেষ ঋণ নিদিয়া হলে সামৰণি উদ্বৃত্ত আৰু বেছি বেয়া হ'লহেঁতেন। ১৯৮১-৮২ চনৰ এই হিচাপৰ পৰা দেখা যায় যে বছৰটো ৭৯'২৬ কোটি টকাৰ ঘাটি উদ্বৃত্তৰে সামৰণি পৰিব।

৪১। বিদেশী নাগৰিকৰ বিষয়টোৰ ওপৰত চলা আন্দোলনে ৰাজ্যখনৰ সম্পদ ৰাজিৰ ওপৰত গভীৰভাৱে প্ৰভাৱ পেলায়। এহাতে ৰাজ্যিক ৰাজকোষৰ ৰাজহৰ প্ৰভূত ক্ষতি সাধন হোৱাৰ লগতে শান্তি আৰু শৃংখলা অটুট ৰখা তথা সংঘৰ্ষৰ দ্বাৰা ক্ষতিগ্ৰস্ত পৰিয়াল বৰ্গলৈ সাহায্যৰ বাবে খৰচৰ মাত্ৰা বৃদ্ধি পায়। ১৯৭৯-৮০ আৰু ১৯৮০-৮১ চনৰ দুয়োখন বিত্তীয় বাজেটত ইয়াৰ প্ৰভাৱ প্ৰতিফলিত হয়। ১৯৭৯-৮০ চনৰ ভিতৰত ৰাজ্যিক কৰৰ সংগ্ৰহ প্ৰায় ৯৪ কোটি টকা হব বুলি আশা কৰা হৈছিল; কিন্তু প্ৰকৃত সংগ্ৰহৰ পৰিমাণ আছিল ৭২ কোটি টকাহে। এই ঘাটি আংশিকভাৱে খৰাং বতৰৰ কাৰণে হৈছিল যিটোৱে চাহ অৰ্থনীতিক যথেষ্ট ভাৱে ক্ষতিগ্ৰস্ত কৰে। কৰৰ বাহিৰৰ ৰাজহত

বিশেষকৈ তেল ৰয়েল্টি আৰু বনাঞ্চলৰ ৰয়েল্টিৰ ঘাটি হৈছিল ছয় কোটিতকৈয়ো অধিক। আইন আৰু শৃংখলা অটুট ৰাখিবৰ বাবে আৰু সংঘৰ্ষত ক্ষতিগ্ৰস্ত পৰিয়ালবৰ্গৰ পুনঃ সংস্থাপনৰ বাবে অতিৰিক্ত খৰচ বহন কৰা হৈছিল।

৪২। ১৯৮০-৮১ বছৰটোত ৰাজহৰ প্ৰত্যাশিত ঘাটিৰ পৰিমাণ প্ৰায় ৪৫ কোটি টকা হব। তেলৰ ৰয়েল্টি, খাৰুৱা তেল আৰু পেট্ৰোলজাত সামগ্ৰীৰ বিক্ৰীকৰ, বনজ সম্পদৰ পৰা অহা ৰাজহ, সাধাৰণ বিক্ৰীকৰ আৰু কৃষিজাত সামগ্ৰীৰ পৰা ওলোৱা আয়কৰৰ ঘাটিৰ ফলতে এই ঘাটি অৱস্থাৰ উদ্ভৱ হৈছে। তদুপৰি ১৯৮০-৮১ চনৰ বছৰটোত আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত প্ৰায় ৮'৭ কোটি টকাৰ অতিৰিক্ত খৰচ হয়।

৪৩। অসমৰ দৰে সৰু সীমিত সম্পদৰ ৰাজ্য এখনৰ ক্ষেত্ৰত এনেকুৱা ঘাটি পূৰণ কৰাটো যে সম্ভৱ নহয়, এই কথা মাননীয় সদস্যসকলে নিশ্চয় উপলব্ধি কৰিব। ১৯৮০-৮১ চনৰ বাজেটৰ ঘাটি পূৰণৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক ৩৫ কোটি টকাৰ অনুদানৰ বাবে অনুৰোধ জনাইছে আৰু এই ঘাটি পূৰণ কৰা হব বুলি আশা কৰা হৈছে।

৪৪। বুজন পৰিমাণৰ ৰাজহৰ বৃদ্ধি আৰু পৰিকল্পনা বহিভূত খৰচ কম হোৱা সত্বেও ১৯৮১-৮২ বছৰটোত সৰ্বমুঠ ঘাটি হবগৈ ৩৬'৪১ কোটি টকা। ১৯৮১-৮২ চনৰ বৃহত্তৰ পৰিকল্পনাত ধাৰ্য্য কৰা খৰচেই ইয়াৰ ঘাই কাৰণ।

৪৫। মাননীয় সদস্যসকলে নিশ্চয় জানে যে ৰাজ্য চৰকাৰৰ চাকৰিয়াল সকলৰ দা-দৰমহা আৰু বানচ আদি আৰু অন্যান্য অনুষঙ্গিক বিষয়বোৰ পৰীক্ষা কৰি চাবৰ কাৰণে ৰাজ্য চৰকাৰে দৰ্মহা আয়োগ এখন গঠন কৰিছে। সদ্যহতে আয়োগে পুৰাদমে

কামত লাগি আছে। আয়োগে হয়তো ১৯৮১-৮২ বিত্তীয় বছৰতে তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰিব পাৰিব। ১৯৮১-৮২ বছৰৰ কাৰণে ধাৰ্য্য কৰা খৰচৰ ভিতৰত দৰ্মহা আয়োগৰ প্ৰতিবেদনৰ ফলাফল সামৰি লোৱা নাই।

৪৬। সদনৰ মাননীয় সদস্যসকলৰ ওচৰত মই বিক্ৰীকৰৰ ক্ষেত্ৰত অলপতে লোৱা কেতবোৰ ব্যৱস্থাৰ কথাও জনাব খোজো। কৰ-কাটলৰ সংশোধনৰ উদ্দেশ্যে ১৯৮০ চনৰ চেপ্তেম্বৰত কেন্দ্ৰীয় বিত্তমন্ত্ৰী গৰাকীয়ে মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনাত বহিছিল। এই সন্মিলনে অনুমোদন কৰিছিল যে জীৱন ৰক্ষাৰ ঔষধ-পাতি আৰু বনস্পতিৰ ওপৰত লগোৱা কৰৰ সলনি ৰাজ্যসমূহৰ বৰ্ত্তমান আৰু ভৱিষ্যতত ৰাজহৰ ক্ষেত্ৰত উপযুক্ত ৰক্ষণাবেক্ষণ দি, অতিৰিক্ত আবকাৰী কৰহে থাকিব লাগে। এই সন্মিলনে তলত উল্লেখ কৰা কৰ-কাটলবোৰ সামৰি লব পৰাকৈ কৰৰ সূত্ৰটোৰ সংশোধনৰ কাৰণে এখন সংবিধান (সংশোধনী) বিল উত্থাপন কৰিব লাগে বুলিও অনুমোদন জনায়।

(১) কোনো চুক্তিৰ ভিত্তিৰ অন্যথায় নগদ টকা, বিলম্বিত পৰিশোধ (Deferred Payment) অথবা অন্য মূল্যবান দেয়ৰ (Other Valuable Consideration) বাবে বয়বস্তুৰ ওপৰত থকা স্বত্ব হস্তান্তৰকৰণৰ ওপৰত কৰাৰোপন ;

(২) কামৰ চুক্তি পৰিপালনৰ লগত জড়িত বয়বস্তুৰ (বয়বস্তু হিচাপেই হওক কিম্বা আন কিবা আকাৰতেই হওক) বয়বস্তুৰ স্বত্বৰ হস্তান্তৰকৰণৰ ওপৰত কৰাৰোপন ;

(৩) নগদ টকা, বিলম্বিত পৰিশোধ অথবা অন্য মূল্যবান দেয়ৰ বাবে যি কোনো উদ্দেশ্য (নিৰ্দ্ধাৰিত সময়ৰ বাবে হওঁকেই বা নহওঁকেই) যি কোনো বয়বস্তু ব্যৱহাৰৰ কাৰণে স্বত্বৰ হস্তান্তৰকৰণৰ ওপৰত কৰাৰোপন ;

(৪) নগদ টকা, বিলম্বিত পৰিশোধ কিম্বা অন্য মূল্যবান দেয়ৰ বাবে কোনো অপঞ্জীভূক্ত সংস্থা কিম্বা ব্যক্তিবৰ্গৰ সন্থাই ইয়াৰ কোনো সদস্যক বয়বস্তুৰ যোগানৰ ওপৰত কৰাৰোপন ;

(৫) কোনো সেৱা হিচাপেই হওঁক কিম্বা কোনো সেৱাৰ অংশ স্বৰূপেই হওঁক কিম্বা অন্য যিকোনো ধৰণেই হওঁক খাদ্য-দ্ৰব্য অথবা কিম্বা মানব উপভোগ্য অন্য সামগ্ৰী কিম্বা কোনো পানীয় ( ৰাগীয়াল হওঁকেই বা নহওঁকেই ) হওঁক কোনো বয়বস্তুৰ তেনে যোগান যদি নগদ টকা, বিলম্বিত পৰিশোধ কিম্বা অন্য মূল্যবান দেয়ৰ বাবে যোগান ধৰা হয় তেনে যোগানৰ ওপৰত কৰাৰোপন।

১৯৮১ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত মুখ্যমন্ত্ৰীসকলৰ আৰু এখন সন্মিলন অনুষ্ঠিত হয়। ইয়াত সিদ্ধান্ত লোৱা হয় যে খাৰুৱা তেল, বিলাতী মাটি আদিৰ দৰে কেতবোৰ অধিক সামগ্ৰীৰ ওপৰত বিক্ৰী কৰৰ প্ৰতিকল্প হিচাবে অতিৰিক্ত আবকাৰী শুল্কও থাকিব লাগে। বিত্ত আয়োগৰ লেখীয়া এখন আয়োগে এই বিষয়টো বিশদভাৱে পৰীক্ষা কৰিব এই কাৰণেই যাতে ৰাজ্যসমূহৰ বৰ্তমান আৰু ভৱিষ্যতেও ন্যায়সঙ্গত ৰাজহ স্বাৰ্থ ( interest ) সম্পূৰ্ণৰূপে ৰক্ষা পৰে।

৪৭। ১৯৭২ চনত অসমক পুনৰ্গঠন কৰাৰে পৰা মেঘালয়, মিজোৰাম আৰু অৰুণাচল প্ৰদেশলৈ ৰাজ্য চৰকাৰে আন্তঃৰাজ্যিক বিক্ৰীৰ বেলিকা কেন্দ্ৰীয় বিক্ৰী কৰৰ পৰা সাধাৰণ বিক্ৰী কৰ বেহাই দিছে। ১৯৭৯ চনৰ এপ্ৰিল মাহত মেঘালয়লৈ আগবঢ়োৱা বেহাই উঠাই লোৱা হয়। ১৯৮১ চনৰ জানুৱাৰী মাহত মিজোৰাম আৰু অৰুণাচল প্ৰদেশলৈ আগবঢ়োৱা বেহায়ো উঠাই লোৱা হয়। ৰাজ্য চৰকাৰলৈ কেতবোৰ অতিৰিক্ত ৰাজহ অনাৰ উপৰিও এই ব্যৱস্থাই কৰফাঁকি ৰোধ কৰিব বুলি আশা কৰা হৈছে।

৪৮। ৰাজ্যখনলৈ স্বাভাৱিক অৱস্থা ঘূৰি অহাৰ লগে লগে ৰাজ্য চৰকাৰে বিশ্বাস কৰে যে ৰাজ্যৰ অৰ্থনীতি ক্ষিপ্ৰতাৰে পুনৰুজ্জীৱিত হব আৰু অহা বছৰৰ পৰিকল্পনা আঁচনিসমূহ খৰতকীয়াকৈ ৰূপায়ণ কৰিব পৰা যাব। আমাৰ ৰাজনৈতিক বৈষম্য থকা স্বত্বেও মই এই সন্মানিত সদনৰ প্ৰতিজন সদস্যকে ৰাজ্যখনত উন্নয়ন প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ বাবে চলোৱা আমাৰ প্ৰচেষ্টাত সহযোগীতা কৰিবলৈ অনুৰোধ জনাও।

মহোদয়, ইয়াকে কৈ মই সন্মানিত সদনত ১৯৮১-৮২ চনৰ বাজেট উত্থাপন কৰিলোঁ।

এই খিনিতে মই এটা কথা কব খুজিছো যে অসমৰ ছপাশালৰ কৰ্মচাৰী সকলে কামৰ পৰা বিৰত থকাৰ কাৰণে বাজেট বক্তৃতা-খন ছপা কৰোতে কিছু ভুল থাকি গৈছে। সেই কাৰণে মই অনুৰোধ কৰো যে দুয়োখন মিলাই ভুল ক্ৰুটিখিনি শুধৰাই লয় যেন।

অধ্যক্ষ মহোদয়, ১৯৮১-৮২ চনৰ বাজেটখন উত্থাপন কৰিলো।

## PRESENTATION OF VOTE ON ACCOUNTS, 1981-82

**Shri KESHAB CHANDRA GOGOI (Minister) :** Mr. Speaker, Sir, I beg to present the vote on Accounts (1981-82)

**Mr. SPEAKER :** Now the finance Bill will be circulated.

## INTRODUCTION OF GOVERNMENT BILLS

Shri KESHAB CHANDRA GOGOI (Minister): Mr. Speaker, Sir, I beg leave of the House to introduce the Assam Finance Bill, 1981.

Mr. SPEAKER: Has the hon. Minister leave of the House to introduce the Bill?

.....(The leave granted..)

Mr. SPEAKER: Now I will read out the message from the Governor of Assam is as -

Rajbhawan Gauhati the 18th March/81.

Under the provision of Article 207 (1) of the Constitution of India, I, Lallan Prasad Singh, Governor of Assam, recommend the introduction in the Assam Legislative Assembly of the Assam Finance Bill, 1981.

Sd/ Lallan Prasad Singh,
Governor of Assam.

Shri KESHAB CHANDRA GOGOI (Minister): Sir, I beg to introduce the Assam Finance Bill, 1981.

(Secretary, Assam Legislative Assembly read out the title of the Bill).

Smti. SYEDA ANWARA TAIMUR (Chief Minister): Sir, I beg leave of the House to introduce the Assam Shops and Establishments (Amendment) Bill, 1981.

Mr. SPEAKER : Has hon. Chief Minister leave of the House to introduce the Bill ?

... ( leave granted ) ...

Smti. SYEDA ANWARA TAIMUR ( Chief Minister ) : Sir, I beg to introduce the Bill.

Shri DHANI RAM RONGPI ( Minister ) : Sir, I beg leave of the House to introduce the Motor Vehicles ( Assam Amendment ) Bill, 1981.

Mr. SPEAKER : Has the hon'ble Minister leave of the House to introduce the Bill ?

........( leave granted )........

Shri DHANI RAM RONGPI ( Minister ) : Sir I beg to introduce the Bill.

( Secretary, Assam Legislative Assembly read out the title of the Bill ).

## NO-CONFIDENCE MOTION

Shri ATUL CHANDRA GOSWAMI : Sir, I move the motion. The motion is- "This House expresses its want of confidence to the Council of Ministers headed by Smti. Syeda Anwara Taimur.

মাননীয় অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় অসমীয়া ভাওনা

কৰবাত দেখিছে। অসমীয়া ভাওনাত নান্দিৰ পিচতে সূত্ৰধাৰ প্ৰবেশ কৰে। এই চৰকাৰৰ পতনৰ নান্দি দুজন কুশ-লৱ ইতিমধ্যে গলেই। তেওলোক হৈছে-আব্দুল কায়েম চৌধুৰী আৰু কাজি কুতুবুদ্দিন। এওলোকৰ নান্দিৰ পিচতেই মই ইয়াত প্ৰবেশ কৰো। এই চৰকাৰৰ বিৰুদ্ধে কিয় অনাস্থা প্ৰস্তাৱ আনিব লগা হৈছে-তাৰ কাৰণ মই বাখ্যা কৰিব খুজিছো।

অধ্যক্ষ মহোদয়, আজি আপুনি ঘোষণা কৰা মতে এই চৰকাৰৰ সদস্যৰ সংখ্যা দেখা গল মাত্ৰ ৪৮ জন। ১২১ জনীয়া বিধান সভাত মাত্ৰ ৪৮ জন সদস্যৰে এটা চৰকাৰ চলোৱাৰ নৈতিক অধিকাৰ এই চৰকাৰৰ নাই। আমি ভাবিছিলো আমাৰ কষ্ট লাঘব হব, কাৰণ গণতন্ত্ৰৰ পৰম্পৰা ৰক্ষা কৰি শ্ৰীমতী চৈয়দা আনোৱাৰা টাইমুৰে পদত্যাগ আগতীয়াকৈ কৰিব। কিন্তু মৰিলেও মৰ কামোৰ নেৰাৰ দৰে, এই চৰকাৰে গাদী ৰাখিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছে। অধ্যক্ষ মহোদয়, এই চৰকাৰে শাসন ভাৰ লৈয়ে অসমৰ জলন্ত সমস্যা, যিটো বিদেশী নাগৰিকৰ সমস্যা, বিদেশী বহিস্কৰণৰ সমস্যা, এই সমস্যা সমাধান কৰাৰ কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হৈছো বুলি কৈছিল। অৱশ্যে তেওঁলোকে এই সমস্যা সমাধান কৰিছে বুলিয়েই ভাবিছো। কাৰণ ৩৯ টা চি-আৰ-পি বেটেলিয়ান, ১২ টা বি, এচ, এফ, বেটেলিয়ান আৰু মধ্য প্ৰদেশৰ ৬-৭ টা বেটেলিয়ান লৈ আন্দোলন শেষ কৰি দি সকলোকে ৰক্ষণাবেক্ষণ দিয়া সম্ভৱ বুলি আই কংগ্ৰেছ দলৰ এই চৰকাৰে গন্য কৰাৰ ইঙ্গিত পোৱা হৈছে।

এনে ব্যৱস্থাৰ দ্বাৰাই তেওঁলোকে আমাৰ দেশৰ সমস্যা সমাধান কৰিম বুলি কৈ আছে। কিন্তু অধ্যক্ষ মহোদয়, কাৰ্য্যক্ষেত্ৰত কি দেখা গৈছে? কাৰ্য্যক্ষেত্ৰত এই চৰকাৰে তেওঁলোকৰ প্ৰতিশ্ৰুতি ভংগ কৰিছে, আৰু দেশখনক এটা বিপৰ্য্যয়ৰ মাজলৈ দিনে দিনে ঠেলি লৈ গৈ আছে।

অধ্যক্ষ মহোদয়, আপুনি নিশ্চয় শুনি আহিছে, যি গৰাকী ইন্দিৰা গান্ধী প্ৰগতিশীল আৰু সমাজবাদ বুলি ঢাক ঢোল বজাই ফুৰিছিল কেইদিনমান আগতে দিল্লীত বহা এখন সন্মিলনৰ পাচতেই ইন্দিৰা গান্ধীৰ আচল ছবি সকলোৱে দেখা পাইছিল। তেও এতিয়া প্ৰশ্ন কৰিব ধৰিছে যে মাক্সিজিম এটা দৰ্শনেই নহয়। আজি ইন্দিৰা গান্ধীৰ কাৰণে বানেশ্বৰ শইকীয়া, হেমেন দাস আৰু প্ৰমোদ গগৈৰ কমিউনিষ্ট পাৰ্টি, কমিউনিষ্ট পাৰ্টিয়েই নহয়। কেৱল শ্ৰীমতী ৰোজা দেশপাণ্ডেৰ কমিউনিষ্ট পাৰ্টিটোহে ইন্দিৰা গান্ধীৰ সমৰ্থিত কমিউনিষ্ট পাৰ্টি। সেইটোৱেই বোলে আচল কমিউনিষ্ট পাৰ্টি। সেইকাৰণেই তেওঁলোকে যিটো ধাৰণা কৰি আছে যে ৪৮ যোগ ১১ যোগ ৬ যোগ ৪ যোগ ২ ক লৈ তেওঁলোকৰ গাদী সংৰক্ষণ হব। সি সুদুৰ পৰাহত। কিন্তু তেওঁলোকে কমিউনিষ্টৰ চৰিত্ৰ নাজানে কাৰণেই এই আশাত বন্দী হৈ আছে।

( সদনত হাহিঁৰ ৰোল )

অধ্যক্ষ মহোদয়, অলপতে মই এটা সপোন দেখিছিলো। সপোনত মই দেখিছিলো যে এগৰাকী সন্মানিত মন্ত্ৰীয়ে মোক আহি কলে যে আপুনি 'নো' কন্‌ফিডেন্স মোচন' দাঙি নধৰিব আৰু এই কেইদিন আমাক বিধান সভা চলাই যাবলৈ দিয়ক। বিধান সভাৰ অধিবেশনৰ পিচতেই নেতৃত্বৰ পৰিবৰ্ত্তন কৰা হব। আৰু এজন বেলেগ নেতা বাছি লৈ এই চৰকাৰক ভাল কৰিম। তাৰ পিচত হঠাতে মই সাৰ পাই গলো আৰু ওচৰতে অন হৈ থকা মোৰ সৰু ৰেডিঅটোত শুনিবলৈ পালো যে কেন্দ্ৰীয় মন্ত্ৰী ভি, চি, শুক্লাক ড্ৰপ কৰা হ'ল। অৱশ্যে শ্ৰীমতী আনোৱাৰা টাইমুৰৰ বিৰুদ্ধে মোৰ কোনো আক্ৰোশ নাই। কাৰণ আমি ইন্দিৰা গান্ধীৰ চৰকাৰৰ বিৰোধীতাহে কৰিছো। কালিলৈ তেওঁৰ পৰিবৰ্ত্তে অন্য কোনোবা মুখ্যমন্ত্ৰী হলেও বিৰোধ কৰিম। তাৰ পিচত ১২ এপ্ৰিলৰ দিনা নগাওঁ চাৰ্কিট হাউচত কৰবাৰ পৰা

উৰি, অহা এগৰাকী ৰাজহাঁহে কিছুমান হাহঁকণী পাৰিলে। সেই কণীবোৰে উমনি লৈ পোৱালী হৈ কাকতত বিবৃতি দিয়ে যে আনোৱাৰা টাইমূৰৰ যদি বিৰোধীতা কৰা হয় তেনেহলে ধৰ্ম্ম-নিৰপেক্ষতাৰ বিৰোধীতা কৰা হব।

( সদনত হাঁহিৰ ৰোল )

অধ্যক্ষ মহোদয়, উজনিৰ ফালে আনোৱাৰা টাইমুৰক মানিকী বাইটি বুলি কয় গতিকে আমি তেওঁক মানিকী বাইটি বা মানিকী ভণ্টি বুলি ভাবো। গতিকে তেওঁক বিৰোধ কৰাটো ধৰ্মনিৰপেক্ষতা বা ধৰ্মবিৰোধী কথা নহয়। আমাৰ কিছুমান নীতি আৰু আদৰ্শ থকা উচিত। আজি চৰকাৰে এটা ভাল সুযোগ পাইছিল। গনসংগ্ৰাম পৰিষদ আৰু ছাত্ৰ সন্থাই আলোচনাৰ মাজেৰে সমস্যাটোৰ মীমাংসা কৰিব লাগে বুলি কৈছিল। কিন্তু সেই সময়ত এই চৰকাৰে অতি ক্লীবতাৰ পৰিচয় দিলে। গতিকে বিদেশী নাগৰিকৰ সমস্যাই কেতিয়া কি ভয়ংকৰ ৰূপ লয় কব নোৱাৰি। দিল্লীৰ পৰা দিশপুৰলৈ কেৱল এটাই নিৰ্দ্দেশ আহিছিল যাতে অসমত কংগ্ৰেছ আইৰ সিংহাসন ঠিক থাকে। প্ৰাক্তন মুখ্য-মন্ত্ৰী শ্ৰীযোগেন্দ্ৰ নাথ হাজৰিকাৰ মন্ত্ৰী সভাৰ অনাস্থা প্ৰস্তাৱৰ আলোচনাতো আমি অসম আন্দোলনৰ বিষয়ে কৈছিলো। অৱশ্যে যিবিলাক বেয়া কাম সেইবিলাকক আমিও বেয়া বুলি কওঁ। কিন্তু সেই বুলি অসমৰ আন্দোলন বঙাল খেদা, মুছলমান খেদা, নেপালী খেদা, আদি বিভিন্ন অপযশ দিয়াটো ভাল কাম নহয় আৰু এই আন্দোলনৰ উদ্দেশ্যও নহয়। এজন মানুহে কোনো এখন ঠাইত কিবা কলেই গোটেই মানুহখিনিকেই জগৰীয়া কৰাটো উচিত নহয়। আজি অসমৰ জনসংখ্যা বৃদ্ধিৰ বিস্ফোৰণৰ প্ৰতি লক্ষ্য কৰক। অসমত জনসংখ্যাৰ বৃদ্ধি ৩৬.৭৫ শতাংশ হৈছে আনহাতে ভাৰতৰ জনসংখ্যা বৃদ্ধি পাইছে মাত্ৰ ২৪ শতাংশ।

অধ্যক্ষ মহোদয়, এই মন্ত্ৰীসভাৰ এজন অতি সচেতন,

অতিকৈ জ্ঞানী মন্ত্ৰী তেখেতে কলিকতাত দিয়া বিবৃতি এটা মই এই সদনত পঢ়ি দিছো ।

Statesman March, 10.

"Mr. Golam Osmani, PWD and Supply Minister of Assam, told reporters in Calcutta on Monday that extremist elements in the All-Assam Students' Union and Gana Sangram Parishad had now taken the upper-hand and the moderates were lying low. However, the law and order situation is under control. But, the Government was worried about its own employees who were yet to be free from regionalism and some were still involved in the movement.

Mr. Osmani who was on his way to Delhi, alleged that the Assam agitation, which was inspired by an American writer, was organised by bureaucrats and manouvered by youth and students and financed from dubious sources. Foreign involvement was not ruled out.

He said his Government was stressing the need for transfer of State Officials to other regions and bringing officers belonging to All In'ia services to Assam to ensure national integration".

( ভইচেচ ঃ পিচৰ কথা খিনিও পঢ়ি দিয়ক )

তেখেতে অৱশ্যে হিজ্ গভৰ্ণমেন্ট বুলি কৈছে, আনোৱাৰা টাইমুবৰ গভৰ্ণমেন্ট বুলি কোৱা নাই ।

উপাধ্যক্ষ মহোদয়, এইবাৰ ৰাজ্যপালে যি ভাষণ দিলে তাত মোৰ চৰকাৰ বুলি তেখেতে কোৱা নাই, 'দি গৰ্ভনমেণ্ট' বুলি কৈছে। বোধহয়, তেখেতে এইটো যে এগৰাকী লেডি জন কুইচট আৰু ১৪ জনীয়া চাং কুপাঙ্গা গৰ্ভনমেণ্ট সেই কথা বুজি পাইছে।

আনহাতে 'ল এণ্ড অৰ্দাৰ' কেনেকৈ চলিছে তাৰ দেখাৰ উদাহৰণ মোৰ হাতত আছে। যোৱা ২৮ নবেম্বৰ তাৰিখে মই গুৱাহাটীলৈ আহিছিলো, তেতিয়া দিশপুৰত এম-এল-এ কেম্পাচত কাৰফিউ চলি আছিল।

মিঃ ডেপুটি স্পীকাৰ ঃ মাননীয় সদস্যই ২৪ মিনিট পাব, তাৰে ১৫ মিনিট পাৰ হৈ গৈছে।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ চাৰ, মাজে মাজে দিগদাৰ কৰিলে সময়বোৰ এনেয়ে যায়। সেইদিনা মই থানাৰ পৰা পাছ আনিবলৈ আহোতে দলদোপৰ ওচৰতে দেখা পাইছিলো ডনবস্কো স্কুলত পঢ়া ৩৫-৪০ জন মান ল'ৰা (ফাইব/চিক্সত পঢ়া) তেওঁলোক তাত থিয় হৈ আছিল। এনেতে এজন মানুহ আহি দিশপুৰ থানাত সোমাল, তেওঁ হেনো ডাইৰেক্টৰ অক ইকনমিক অফেঞ্চৰ সমৰ দাস। তেওঁ আহি তাত থকা ডি, আই, জি ৰেংকৰ শ্ৰীহৰিদাস কছাৰী নামৰ এজন অফিচাৰক কবলৈ ধৰিলে -' তুমি মেখেলা পিন্ধি আছ।" এই অসমীয়া ল'ৰাবোৰক মাৰি মাৰি গুৱাহাটীৰ বাহিৰ কৰি দিয়া। কথা শুনি মই অবাক। মই তেতিয়া আমাৰ নগাৱঁৰ সুযোগ্য মন্ত্ৰী (বৰ্ত্তমানৰ) শ্ৰীমুকুট শৰ্ম্মা যাক আমি বাপু বুলি কওঁ তেওঁক মই এই কথাবোৰ কৈছিলো। সেই অফিচাৰ জনে হাতৰ লাখুটি জোকাৰি জোকাৰি কৈছিল এইজনক ইয়াৰ পৰা বাহিৰ কৰি দিয়ক। তেতিয়া এজন লোকে কৈছিল যে এখেত এম, এল, এ হয়। তেতিয়া তেখেতে (সমৰ দাসে) কৈছিল-" মোৰ ছোৱালীজনী মেডিকেল কলেজত পঢ়ে তাইক অসমীয়া লৰাই জোকায়। এইবিলাক কাৰণতে আজি মোৰ মেজাজ গৰম হৈ আছে"। কথা শুনি মই অবাক।

উপাধ্যক্ষ মহোদয়, এই চৰকাৰে বাৰে বাৰে কৈ আছে ছাত্ৰ সকল বৰ আকোঁৰগোজ, তেওঁলোকৰ আঠটা দাবীৰ ভিতৰত পাঁচটা দাবী মানি লোৱা হৈছে। সেই পাঁচটা দাবীৰ ভিতৰত এটা হৈছে অসমৰ বনাঞ্চল বিলাক গোপ চাৰ আছে সেইবিলাকত যাতে নতুনকৈ অনুপ্ৰবেশ নহয় তাৰ কাৰণে চৰকাৰে গভীৰ প্ৰচেষ্টাৰে কাম কৰিব।

এইখন চাৰ চিঠিৰ কপি। তাত কোৱা হল যে

Government of Assam, Revenue (Settlement) Deptt. Settlement Branch No. RSS-550/76/Pt. 111/5 Dated Dispur the 3rd April, 1980 from Shri S. P. Hazarika, I.A.S., Secretary to All Deputy Commissioners, All Sub-Divisional Officers and All Settlement Officers.

Sub : Removal of encroachment from P. G. R. and V. G. R. and Khas Lands.

Necessary instructions may be issued to all concerned to see that the encroachments made since 1. 10. 80 are removed immediately and to note that any remissness in the matter of prevention of new encroachments would be treated as dereliction of duty.

Secretary, Revenue.

চাৰ, এইখন হ'ম চেক্ৰেটেৰীয়ে দিছে

Copy of the Wireless message sent by Commissioner and Secretary to the Govt. of Assam, Political (A) Deptt. to stay all eviction operations.

17.12.80, Assam, Dispur.

To All Deputy Commissioners/Sub-divisional Officers.

Information Commissioner of Lower Assam Division, Gauhati (By Hand)

No. PLA- 161/80 (.) Govt. desire that in order to enable effective utilisation of available forces for Law and Order duties with a view to cope with present situation in the State eviction from Forest Reserves and other areas should be suspended until further instructions (.) When order issued and date fixed for eviction further action should be stayed.

Sd/ C. D. Tripathi,
Commissioner and Secretary
to the Govt. of Assam,
Political (A) Department.

এই ধৰণেৰে আমাৰ দেশত এইবিলাক কাম কৰি আছে। আনহাতে চাৰ, এই বিধান সভাত আপুনি তেতিয়া উপাধ্যক্ষ হোৱা নাছিল তেতিয়া আপুনি নিমখ আৰু ছিজ্‌লা তেলৰ কাহিনী সুন্দৰকৈ কৈছিল। ষ্টেটটফেদে নিমখ আনি থাকিলেও আমাৰ মাননীয় ওচমানি চাহাবে নিমখ আনিবলৈ মালচাঁদ, মতিলাল আদি লোককহে দিছে। ওচমানি চাহাবে এতিয়া গোটেই অসমখনকে নিমখ কৰি দিব খুজিছে। তাৰোপৰি ৰেপচিদ তেলৰ ক্ষেত্ৰত দেখা যায় যে আমাৰ অসমীয়া মানুহে ৰেপচিদ তেল অলপ কম খায়, কিন্তু এতিয়াহে লাহে লাহে ব্যৱহাৰ কৰিবলৈ শিকিছে। এই ৰেপচিদ তেল আনিবলৈ ওচমানি চাহাবে কেইবা লাখো টকা তেখেতৰ নিজা পাৰ্টিৰ মানুহক দিছে। চাৰ, ইন্দিৰা গান্ধীয়ে কৈছে পাবলিক ডিষ্ট্ৰিবিউশ্যন হব। চাৰ,

যোৱা চেপ্তেম্বৰ মাহৰ ২৬ তাৰিখে ওচমানি চাহাবৰ হোজাইত শুভ প্ৰত্যাবৰ্ত্তন হৈছিল। তাত তেখেতে কলে যে অসমৰ নাগৰিক অধিকাৰ সংৰক্ষণ সমিতিৰ মিটিং কৰিছিল এই কামৰ বাবে টকা লাগে। ইয়াৰ পৰা মানুহ গৈ দিল্লীত ইন্দিৰা গান্ধীক কবগৈ লাগে। ইয়াৰ বাবে আৰফান আলি, তৈয়ৱ আলি আনজিৰ আলি আদি কৰি কেইজন মান আগৰ বেপাৰীয়ে কেইবা লাখ টকা সংগ্ৰহ কৰি দিয়ে। টকা পইচা যোগাৰ কৰি সাধন চৰকাৰ, তাৰাপদ ভট্টাচাৰ্য্য, দিলীপ চক্ৰবৰ্ত্তী আদিক ওচমানী চাহাবে দিল্লীলৈ পঠাই অসম আৰু অসমীয়াৰ বিৰুদ্ধে অপপ্ৰচাৰ কৰালে।

উপাধ্যক্ষ ডাঙৰীয়া আব্দুল লতিফ বুলি ভেটেনেৰী ডিপাৰ্ট-মেন্টৰ এজন মানুহে পদত্যাগ কৰিলে। কিন্তু ওচমানি চাহাবে আকৌ সেই মানুহজনক আগৰ ঠাইতে মকৰল কৰিলে। তেওঁ ভেটেনেৰী বিভাগৰ এচিচ:টেন্ট ডায়েৰী অফিচাৰ হৈছে আৰু আন দহ জন নিজৰ নিজৰ মানুহ আনিছে বুলি আমি শুনিবলৈ পাইছোঁ। বৰ্ত্তমান চৰকাৰে বৰ্ত্তমানৰ আন্দোলনটো সমাধান কৰিবৰ কাৰণে কোনো কাম কৰা নাই। এই আন্দোলনটোক তেওঁলোকে মাত্ৰ অনা অসমীয়া খেদা আন্দোলন বুলি কৈছে। অসমৰ প্ৰত্যেক জন মানুহে এইটো বিশ্বাস কৰে যে এজন মানুহ প্ৰথমে ভূমিষ্ঠ হৈ জীৱনৰ বাকী সময় খিনি য'ত কটাব লগা হয় তেওঁৰ ভাষা লাগে যিয়েই নহওক তেওঁৰ প্ৰতি আমাৰ কোনো বিৰোধ নাই। আৰু সেই সকল বঙালীৰ প্ৰতি আমাৰ বিদ্বেষ নাই যিজনে ঘৰে ঘৰে আছে পৰম আত্মীয় আমি সেই সব লব বুজিয়া বুলি অনুভৱ কৰে।

Mr. DEPUTY SPEAKER : It is 12.30. The House Stands adiourned till 2·30 P. M. Mr. Goswamj will continue.

( মধ্যাহ্ন ভোজনৰ বাবে ২-৩০ লৈ সদন স্থগিত )

( After lunch )

মাননীয় উপাধ্যক্ষ ঃ আপোনাৰ নিৰ্দ্দিষ্ট সময় শেষ হৈছে। আপোনাক দুই মিনিট সময় দিছো তাৰ ভিতৰত শেষ কৰিবলৈ চেষ্টা কৰিব।

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ঃ চেষ্টা কৰিম। ছয় ডিচেম্বৰ তাৰিখে সাংবিধানিক সংকটৰ পৰা ৰক্ষা পৰিবৰ কাৰণে মাইনৰিটি চৰকাৰৰ জন্ম হল। এই চৰকাৰে নিজে পপুলাৰ চৰকাৰ বুলি ঢাক ঢোল কোবাই আছে। পপুলাৰিটিৰ প্ৰমান দেখিছো যে এই চৰকাৰৰ মুখ্যমন্ত্ৰী থাকে কইনাধৰা পাহাৰত আৰু নীতি নিৰ্দ্ধাৰণ কৰে দুজন ব্যক্তিয়ে। এজন হল এই চৰকাৰৰ স্বনামধন্য মন্ত্ৰী গোলাম ওচমানি, যিজন জনতা চৰকাৰৰ দিনত আটাইতকৈ কৰাপটেড বুলি ড্ৰপ কৰা হৈছিল। আনজন যাৰ বিৰুদ্ধে এই বিধান সভায় প্ৰায়বিলাক দুৰ্নীতিৰ অভিযোগ প্ৰমাণিত হৈছিল। সেইজন বিষয়া হাচমত পাচাক আজিৰ বিত্তমন্ত্ৰীয়ে লগ ধৰিব নোৱাৰি অমৃতবাজাৰ পত্ৰিকাৰ যোগেদি কলিকতাত বৰ্খাস্ত কৰিছিল। দুৰ্ভাগ্যৰ বিষয় এই কৰাপটেড মানুহজনেই চৰকাৰৰ পৰামৰ্শদাতা আৰু এই চৰকাৰক ৰক্ষা কৰিব লাগিব কেইজন মান মোৰ বন্ধুৱে, যি সকলে গোলাম ওচমানিক কৰাপটেড বুলি দিল্লীত প্ৰমাণ কৰিছিল। প্ৰমাণ হৈছিল শুদ্ধ ইয়াৰ কাৰণে শ্ৰীগোলাপ বৰবৰাই মন্ত্ৰীসভাৰ পৰা তেওঁক ড্ৰপ কৰিছিল। আজি ভাগ্যৰ এনে পৰিহাস সেই সকলক সমৰ্থন কৰিব লাগিব। সেই সকলে যি সকলে ইয়াৰ বাবে কাম কৰিছিল। এই চৰকাৰে নিজকে অসম্প্ৰদায়িক, ধৰ্ম্মনিৰপেক্ষ বুলি কৈছে। নিশ্চয় তেখেত সকল এই বিষয়ত অগ্ৰগণ্য বুলি কিছুমান কাৰ্য্যই প্ৰমাণ কৰিছে। এশ দিনৰ ভিতৰত এই চৰকাৰে সাতশ ব্যক্তিক বদলি কৰিছে যি সকলৰ বিৰুদ্ধে কোনো ধৰণৰ অভিযোগ নাই। কেৱল শাস্তি দিবৰ কাৰণে এই কাৰ্য্য তেখেত সকলে কৰিছে। আচৰিত হৈছো যে আমাৰ অসম দেশৰ এডভোকেট জেনেৰেল নিয়োগ কৰাৰ ক্ষেত্ৰত যি বিলাক

কথা শুনিছো যদি সঁচা হয় পেটতে হাত ভৰি লুকায়। শ্ৰীনিবেণ লাহিড়ীৰ এক মাত্ৰ ডিচকুৱালিফিকেচন হল যে তেখেত বঙালী বুলি এভভোকেট জেনেৰেল হব নোৱাৰে। শ্ৰীঅনিল ৰতন বৰঠাকুৰ চি, আই, এ এজেণ্ট।

( গণ্ডগোল )

Shri FAKRUL ISLAM : A Point of Order Sir.

Mr. DEPUTY SPEAKER : Let us hear his Point of Order.

Shri FAKRUL ISLAM : Sir, in this August House it is obligatory on the part of the members to keep the democratic norms. If one is to mention the name of any person who cannot reply here, his name may be mentioned with the previous permission of the Speaker.

Mr. DEPUTY SPEAKER : Let us refer to Rule 279A. 'No allegation of a defamatory or incriminatory nature shall be made by a member against any person unless the member has given previous intimation to the Speaker also to the Minister concerned so that the Minister may be able to make an investigation into the matter for the purpose of a reply.' I hope while speaking, hon. members to keep this rule in mind.

শ্ৰীঅতুল চন্দ্ৰ গোস্বামী : মই অভিযোগ অনা নাই। যদি সঁচা হয় তেনেহলে দুখ পাইছো। যিজনক পতা হল বঙালীও নহয়, চি, আই, এৰ এজেণ্ট নহয়। তেওঁ হল আব্দুল মহিব মজুমদাৰ, আব্দুল মতলিব মজুমদাৰৰ ল'ৰা। তেওঁ ১৯৬৭ চনত প্ৰেছ কনফাৰেন্সত

কৈছিল যিখনত আমজাদ আলি, এক্স এম, পি, আৰু মঃ পিয়াৰ উপস্থিত আছিল। তেখেতৰ ষ্টেটমেণ্টটো পঢ়ি দিছো-

"Mr. Majumdar explained in the Press Conference that the aims and objects of the new Party were to unite the Muslim Community and to serve its socio-economic needs to give the Muslim Community a healthy direction. He also said that religion was the basis of the new Party.

He said that Muslims felt completely 'Un secure' with the present Assam Govt. and Congress leadership ( Govt. headed by Shri Sarat Chandra Sinha ) and he went on to explain that the 'insecurity' was political, economic and social'.

তেওঁ নিজে দিয়া প্ৰেছ কনফাৰেন্সৰ ষ্টেটমেণ্ট। গতিকে এওঁলোকে যি খিনি কয় তাক কাৰ্য্যত ওলোটা কৰে। সেই কাৰণে এই প্ৰস্তাবৰ জৰিয়তে এই পবিত্ৰ সদনৰ সকলো মাননীয় সদস্য সকলক অনুৰোধ কৰিছো। তেখেত সকলে এই চৰকাৰক এক মিনিট সময় যাতে থাকি আমাৰ দেশৰ সংহতি আমাৰ দেশৰ সমস্যা সমাধানত বাধা নজন্মায় তাৰ কাৰণে মোৰ প্ৰস্তাৱত সমৰ্থন দিব। এই আশা ৰাখি প্ৰস্তাবটো উত্থাপন কৰিলো।

শ্ৰীগোলাপ বৰবৰা ঃ উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে দাঙি ধৰা অনাস্থা প্ৰস্তাবৰ সমৰ্থনত মই জয়জয়তে আমাৰ দলৰ পৰা এটা কথা পৰিষ্কাৰ কৰি দিব খোজো যে এই অনাস্থা প্ৰস্তাব আমি আনিছো চৈয়দা আনোৱাৰ টাইমুৰ মহিলা বুলি নহয়। এই অনাস্থা প্ৰস্তাব আমি আনিছো চৈয়দা আনোৱাৰা

টাইমূৰ এগৰাকী মুচলিম মহিলা বুলি নহয়। এই অনাস্থা ইন্দিৰা কংগ্ৰেছ চৰকাৰৰ বিৰুদ্ধে। এই চৰকাৰটো অসমৰ জনসাধাৰণৰ ওপৰত এটা সংখ্যালঘিষ্ঠ চৰকাৰ হিচাবে জাপি দিয়াৰ বিৰুদ্ধে। যি দিনাখন এই চৰকাৰৰ শপত গ্ৰহণ হয়, আচৰিত কথা আমি দিগ্গপুৰত কেইজনমান বহি আছো সেই সময়ত কিছুমান নিমন্ত্ৰণী পত্ৰ আহিল। দুজন মান এম, এল, এই পালে। বাকী নিমন্ত্ৰণী পত্ৰ ঘুৰাই নিয়া হল, তাত বোলে সময়ৰ হেৰ-ফেৰ কৰিব লগীয়া হ'ল।

এই নিমন্ত্ৰনী পত্ৰ বিৰোধী দলৰ দলপতি হিচাবে মই পোৱা নাছিলো আৰু যিমান দূৰ খবৰ পাইছো আমাৰ সদনৰ মাননীয় অধ্যক্ষ শ্ৰীচান্দ্‌ মহম্মদ চাহাবেও কোৱা নাছিল। কিন্তু গধূলি ৬ জন মন্ত্ৰীৰ শপত গ্ৰহণ কৰা হৈ গল। ইয়াৰ আগতে এনেকুৱা নজীৰ আছে আমাৰ চৰকাৰৰ ওপৰত অৰ্থাৎ জনতা চৰকাৰৰ ওপৰত অনাস্থা আহিবৰ সময়ত কিমান বিধায়ক আছে ৰাজ্যপালে তাৰ লিষ্ট বিচাৰিছিল। ইয়াৰ পিচৰ খন চৰকাৰ গঠন কৰাৰ সময়তো কিমান বিধায়ক আছিল তাৰ লিষ্ট বিচাৰিছিল। বিধায়কৰ চহীতে সন্তুষ্ট হোৱা নাছিল, আনকি বিধায়কসকল তেখেতৰ আগত উপস্থিত হব লগা হৈছিল। কিন্তু এইবাৰ তেনে একো কৰা ন'হল। আপত্তি নাছিল যদি চৈয়দা আনোৱাৰা টাইমুৰে এটা নিৰ্ব্বাচনত জিকাৰ পিচত বহু মত পোৱা দলৰ বিধায়ক সকলৰ দ্বাৰা তেখেতে নেতৃত্বলৈ নিৰ্ব্বাচিত হলহেতেন কিন্তু সেইটো হোৱা নাই। ইফাল-সিফালৰ পৰা গৈ কংগ্ৰেছ (আই)ত যিখিনি সদস্য গোট খাইছিল সেই সদস্যখিনিক লৈও সভা পাতি লেজিচলেচাৰ পাৰ্টি হোৱা নাছিল, য'ত আনোৱাৰা টাইমুৰ নেতৃত্বলৈ নিৰ্ব্বাচিত হৈছিল। ৰাজ্যত তেতিয়া ঘেৰাও চলি আছিল, বিধায়কৰ ঘেৰাওঁ। সেই সময়ত কন্যা-ধৰা গেষ্ট হাউচলৈ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী আহিছিল। তালৈ আই কংগ্ৰেছৰ কোনো কোনো সদস্য আহিব পৰা নাছিল।

পিচত তেওঁলোকৰ ভিতৰতে সিদ্ধান্ত লৈ মন্ত্ৰী সভা এখন অসমৰ ৰাইজৰ ওপৰত জাপি দিয়া হ'ল। সেই কাৰণেই এই মন্ত্ৰী সভাৰ বিৰোধীতা কৰিছো, এই মন্ত্ৰী সভাৰ পতন বিচাৰিছো।

আনহাতে এই মন্ত্ৰী সভা হোৱা দিন ধৰি অসমৰ বৰ্ত্তমান যিটো সমস্যা, অসমৰ যিটো অগ্নিগৰ্ভ সমস্যা সেইটোৰ কাৰণে যিখিনি কাম কৰিব লাগিছিল সেইখিনি কৰা নাই। অসমৰ বিদেশী সমস্যা লৈ বহু খিনি ঘটনা ঘটি গ'ল। ব্ৰহ্মপুত্ৰৰ বুকুৰেদি বহুত পানী বৈ গ'ল, কিছু তেজো বৈ গল। তাৰ সমাধানৰ কাৰণে কোনো চেষ্টা কৰা নাই। আন্তৰিকতাৰে সৈতে সমস্যা সমাধান কৰিবলৈ কেন্দ্ৰক এই চৰকাৰে জোৰ দি একো কোৱা নাই। বৰং দুখ পাইছো মন্ত্ৰীসভা গঠন হোৱাৰ পিছত আনোৱাৰা টাইমুৰৰ বক্তৃতাত শুনিবলৈ পালো আৰু কাগজত পঢ়িবলৈ পালো যে অসমৰ আন্দোলন সাঁত পৰি গৈছে। তেঁখেতে আত্মসন্তুষ্টিৰ ভাৱ লৈছে, আত্মসন্তুষ্টিৰ ভাৱ লোৱা উচিত নহয়। আজি যিটো সাঁত পৰা যেন দেখিছে মাত্ৰ ছাত্ৰ সকল পৰীক্ষাৰ কাৰণে ব্যস্ত ,হোৱাৰ বাবেহে এইটো হৈছে। তেওঁলোকে ঘোষণা কৰিছে যে পৰীক্ষা দি আকৌ আন্দোলন কৰিব। গোটেই অসমত আজি বহুতো বেটেলিয়ান, চি, আৰ, পি, মধ্যপ্ৰদেশৰ পুলিচ, বি, এচ, এফ বহুতো কিবা কিৰিবলৈ বাহিৰত এটা শান্তি হোৱা যেন দেখিবলৈ পাইছে। কিন্তু প্ৰকৃতাৰ্থত এই শান্তি মৰিশালীৰ শান্তি, আচল শান্তি নহয়। মৰিশালীলৈ বহুতো মৰাশ' মানুহে লৈ আহে। তাত চিঞৰ-বাখৰ হয়। যেতিয়া মানুহবোৰ গুচি আহে তেতিয়া মৰিশালী শান্ত হয়। সেই কাৰণেই মই কৈছো, যদি এই শান্তি লৈয়ে আত্মসন্তুষ্টি লাভ কৰিছে তেন্তে সেইটো ভুল কৰিছে। আকৌ কেতিয়াবা বিস্ফোৰণ হ'ব। গতিকে ইয়াৰ এটা সুস্থ সমাধান লাগে আৰু অসমৰ ৰাইজে ইয়াৰ এটা সুস্থ সমাধান বিচাৰিছে। আন্দোলন বহু দিন ধৰি চলাৰ পিচত বৰ্ত্তমান অসমৰ প্ৰতিজন নাগৰিকে অনুভৱ কৰিছে যে আলোচনাৰ মাজেৰে

ইয়াৰ এটা সুস্থ সমাধান হব লাগে। এইটো সুৱৰ্ণ সুযোগ। ছাত্ৰ সকলে কৈছে উইদাউট প্ৰি কনদিচন্ আলোচনা হব লাগে। কেন্দ্ৰীয় চৰকাৰে ইমান দিনে কৈ আহিছে যে ছাত্ৰ সন্থাই প্ৰি-কনদিচন্ ধৰি থকাৰ কাৰণে আলোচনা কৰা হোৱা নাই। গতিকে এই সুযোগ গ্ৰহণ কৰিব লাগে চৰকাৰে। ৰাজ্য চৰকাৰে ১০০ দিনৰ ভিতৰত যি ব্যৱস্থা কৰিব লাগিছিল এতিয়াও কৰা নাই। আন্দোলন শেষ হৈ গৈছে বুলি তেওঁলোকে ভাবিছে। কিন্তু এজন শাসক হিচাবে কওঁ যে ১৯৪২ চনত গান্ধীজীৰ নেতৃত্বত যি আন্দোলন চলিছিল নেহৰু আৰু অন্যান্য নেতা সকল কহুতো জেইলত আছিল। জয় প্ৰকাশ নাৰায়ণ, ডঃ লুহিয়া, অৰুণা আশ্ৰফ আদি জেইলৰ পৰা পলাই আহিছিল। '৪৩ ৰ শেষলৈকে চলাৰ পিচত সেই আন্দোলনো দেখাত বন্ধ হৈ গৈছিল। সেই সময়ত বৃটিছ চৰকাৰে কৈছিল গান্ধীৰ আন্দোলন শেষ হৈ গ'ল। যেতিয়া নেহৰু জেইলৰ পৰা আহি লাহোৰত প্ৰথম থন সভা পাতিছিল তেতিয়া ভাত ৫ লাখ মানুহ গোট খাইছিল আৰু আন্দোলন কাৰীক নতুনকৈ স্পৃহা জগাইছিল। জৰুৰীকালিন অৱস্থাৰ আগতে জয়প্ৰকাশৰ নেতৃত্বত যি আন্দোলন চলিছিল জৰুৰী কালিন অৱস্থাৰ পিচত ইন্দিৰা গান্ধীয়ে সেই আন্দোলন শেষ হৈ গ'ল বুলি ভাবিছিল। চণ্ডিগড় হস্পিতেলৰ অপাৰেচনৰ পিচত জয়-প্ৰকাশক যেতিয়া দিল্লীলৈ অনা হৈছিল তেওঁৰ লগত অহা বিষয়া জনে কৈছিল—Look Mr. Jayprakash Narayan? Your movement has no impact over Delhi. Delhi is quite normal.

কিন্তু সেইটো প্ৰকৃততে হোৱা নাছিল। তাৰ পিচত সুবিধা পাই বাইজে আকৌ মুৰ দাঙি উঠিছিল আৰু চৰকাৰ ওফৰি গৈছিল। গতিকে মই কব খোজো যে অনতিপলমে অসমৰ সমস্যাৰ সমাধানৰ কাৰণে আলোচনা আৰম্ভ হব লাগে।

কোনোবাই ৫১ চন, কোনোবাই ৬১ চন আৰু কোনোবাই ৭১ চনটো বিদেশী বিতাৰণৰ কাৰণে সময়ৰ সীমা বান্ধিব খুজিছে। কিন্তু অসমৰ বাইজে 'উইদাউট প্ৰি কন্দিচন্' আলোচনাত বহাৰ কথা কৈছে। আমিও আলোচনা-বিলোচনাৰ মাজেৰে ইয়াৰ এটা প্ৰকৃত সমাধান বিচাৰিছোঁ। কিন্তু বৰ্ত্তমান চৰকাৰে ইয়াৰ প্ৰচেষ্টা যিহেতু কৰা নাই, সেই কাৰণেই এই চৰকাৰৰ বিৰুদ্ধে আমাৰ অনাস্থা।

আজি ভাৰতৰ অন্যান্য ৰাজ্যত যেনেকৈ বৰ্ত্তমান চৰকাৰে অত্যাচাৰ চলাইছে, ঠিক তেনেকৈ আজি অসম দেশতো অত্যাচাৰ-অনাচাৰ চলোৱা হৈছে। অসমৰ কোনো ঠাইতেই আজি ৰাইজ অত্যাচাৰ মুক্ত নহয়। অসমৰ সকলো ঠাইতেই আজি ১৪৪ ধাৰা জাৰি কৰা হৈছে। যোৱা দুই ফেব্ৰুৱাৰী তাৰিখে শিৱসাগৰ জিলা আমাৰ পাৰ্টিৰ চেক্ৰেটেৰীয়ে মোৰ উপস্থিতিত এখন ৰাজহুৱা সভা আহ্বান কৰিছিল। এই মিটিং খন অসমৰ বৰ্ত্তমান ৰাজনৈতিক, অৰ্থনৈতিক পৰিস্থিতিৰ বিষয়ে আলোচনা কৰিবৰ কাৰণে আহ্বান কৰা হৈছিল। শিৱসাগৰত ১৪৪ ধাৰা আছিল। মিটিংখন আছিল ২ বজাত। আমাৰ ৰাজ্যিক কমিটিৰ সম্পাদক প্ৰণব গগৈয়ে সভাৰ কাৰণে অনুমতি বিচাৰিছিল। কিন্তু ১২ বজাত জিলাৰ এচ, ডি, অ, এজনে তাত কোনো সভা-সমিতি হ'ব নোৱাৰে বুলি কলে। আজি অসমত এনে এটা অৱস্থা হৈছে যে য'তে ত'তে ১৪৪ ধাৰা জাৰি কৰা হৈছে, যাৰ বাবে মুক্তভাৱে কোনো এখন সভা-সমিতি পাতিব নোৱাৰে। কিন্তু আই কংগ্ৰেছৰ ফাল্গৰ পৰা য'ত যাৰ মন যায়, তাকেই কৰিব পাৰে। আজি বৰ্ত্তমান চৰকাৰে শান্তি শৃঙ্খলাৰ নামত এনে ভাৱে দমন নীতি চলাই আছে যাৰ কাৰণে নিৰীহ মানুহৰ ওপৰত ইয়াৰ হেঁছা বেছিকৈ পৰিছে। নিৰীহ জনগণৰ ওপৰত অত্যাচাৰ চলোৱা হৈছে, তেওঁলোকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে। গতিকেই এই চৰকাৰৰ প্ৰতি আমাৰ অনাস্থা

হৈছে। মোৰ সমষ্টি তিনিচুকীয়াত যোৱা ১-২ তাৰিখে ল'ৰা-ছোৱালীয়ে পিকেটিং কৰিছিল। তাত কিবা খেলি মেলি অৱস্থাৰ সৃষ্টি হ'ব বুলি কলেজৰ দুজন প্ৰফেচাৰ তাত ৰৈ আছিল। হঠাতে তালৈ পুলিচ গৈ দুয়োজনকে, এজনৰ নাম অনিল বৰুৱা আৰু নৰেন্দ্ৰনাথ খাটনীয়াৰক মৰিয়াই মৰিয়াই ধৰি নি থানাত লক-আপত ভৰাই থয়। ফলত অনিল বৰুৱা বেহুচ হৈ পৰে। তাকে দেখি লকআপত থকা বাকীবোৰ মানুহে মৰিল মৰিল বুলি চিঞৰিবলৈ ধৰিলে। ইয়াৰ পিছত বাহিৰৰ অন্য মানুহ আৰু তেওঁলোকৰ পৰিবাৰ গৈ তেওঁলোকক চিকিৎসা কৰাবলৈ আবেদন জনালে। ৰাতি চাৰে সাত মান বজাতহে তেওঁলোকক চিকিৎসাৰ কাৰণে পঠোৱা হ'ল। এনেবোৰ অত্যাচাৰ-অনাচাৰ চলি আছে, অথচ বৰ্ত্তমান চৰকাৰে তালৈ কোনো কাণ-সাৰ দিয়া নাই। গতিকেই এই চৰকাৰৰ প্ৰতি আমাৰ অনাস্থা। এই চৰকাৰে ৰাজ্যত শান্তি-শৃংখলা ৰক্ষাৰ নামত, চি, আৰ, পি,ৰ হাতত সমস্ত ক্ষমতা জাপি শান্তি প্ৰতিষ্ঠা হৈছে বুলি কৈ ফুৰিছে; কিন্তু কাৰ্য্যত একো নাই। গতিকেই এই চৰকাৰৰ ওপৰত আমাৰ অনাস্থা।

ইন্দিৰা গান্ধীয়ে তেওঁৰ ক্ষমতা যোৱাৰ ভয়ত শান্তি ৰক্ষাৰ নামত পুলিচ বাহিনীৰ দ্বাৰা শৃংখলা ৰক্ষা কৰিবলৈ নেচনেল চিকিউৰিটি এক্টৰ প্ৰৱৰ্তন কৰিছে। ৰাজ্য চৰকাৰ সমূহে তাক প্ৰয়োগ নকৰো বুলিলেও পাৰে। কিন্তু এই আইন অসমত বেয়াকৈ প্ৰয়োগ কৰা হৈছে। তাৰোপৰি, তেওঁলোকে শ্ৰমিকসকলৰ প্ৰতি আজি একেবাৰে উদাসীন হৈ আছে। বিশেষকৈ চাহ বাগিচাৰ বনুৱা সকলৰ প্ৰতি কোনো সদভাব দেখুৱা নাই। আজি বহুদিন ধৰি অসম টি কৰ্পৰেশ্যনৰ অন্তৰ্গত শ্ৰমিক সকলে বেতন পোৱা নাই। তেওঁলোকৰ ফাকুৱাটো এটা ডাঙৰ উৎসৱ। এনে উৎসৱৰ সময়তো বাগিচাৰ শ্ৰমিকসকলে বেতন নেপালে। বৰ্ত্তমান চৰকাৰে বেতন পোৱাৰ ব্যৱস্থা কৰি দিব

নোৱাৰিলে। বৰ্ত্তমান চৰকাৰৰ এই শ্ৰমিক বিৰোধী নীতিৰ কাৰণেও চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছো। তাৰোপৰি ১৯৬০ চনতেই এখন আইন পাচ কৰা হৈছিল। সেই আইন খনকে এতিয়া ধুলি-বালি গুচাই বাতৰি কাকতৰ চেন্সৰ কৰিবলৈ ব্যৱহাৰ কৰিছে। আমাৰ দলৰ বিভিন্ন বক্তব্য চেন্সৰ কৰিছে। সিদিনা অলপতে আমাৰ মাননীয় সদস্য শ্ৰীবাণেশ্বৰ শইকীয়াই আৰ-চি-পি-আই দলৰ বক্তব্য পৰিবেশন কৰিবলৈ প্ৰেছলৈ পঠিয়াইছিল। কিন্তু বাতৰিটোৰ কিছু অংশ কাটি প্ৰকাশ কৰা হৈছে। গণতান্ত্ৰিক দেশত যদি বাতৰি কাকতে নাগৰিকসকলৰ মতামত প্ৰচাৰ কৰাৰ অধিকাৰ নেপায়, তেন্তে চৰকাৰৰ গাদীত থকাৰ কোনো অধিকাৰ নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আশা কৰো, বৰ্ত্তমান মন্ত্ৰী সভাৰ প্ৰতি অনা অনাস্থা প্ৰস্তাৱ অন্তৰ খুলি প্ৰতিজন সদস্যই গ্ৰহণ কৰিব আৰু এই চৰকাৰক গাদীৰ পৰা আঁতৰাব।

*শ্ৰীপদুম বাহাদুৰ চৌহান : মাননীয় উপাধ্যক্ষ মহোদয়, আজি প্ৰায় ডেৰ-বছৰৰ মুৰত আকৌ অসমৰ পবিত্ৰ বিধান সভাৰ মজিয়াত ঠিয় হৈ কথা কোৱাৰ সুবিধা পাইছো আৰু আমাৰ মাননীয় সদস্য সকলে, যি সকলে অনাস্থা প্ৰস্তাৱ আনিছে, অসমৰ বিধান সভাৰ এই পবিত্ৰ সদনত তেওঁলোকে তেওঁলোকৰ মতামত দাঙি ধৰিবলৈ এটা সুযোগ পাইছে। মই গৌৰৱ অনুভৱ কৰিছো যে আজি ডেৰ বছৰৰ পিছত আমি এনেকৈ বিধান সভা এখন পাতি চৰকাৰৰ কাৰ্য্য-কলাপৰ বিষয়ে বিতং ভাৱে আলোচনা কৰিবলৈ সুবিধা পাইছো। যেতিয়া আমাৰ জনতা দলে চৰকাৰ গঠন কৰিছিল, তেতিয়া আজিৰ যি সকল বিৰোধী পক্ষৰ সদস্য আছে, প্ৰায় বেছি ভাগ সদস্যই এই জনতা চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছিল আৰু এই অনাস্থা প্ৰস্তাৱৰ বিৰুদ্ধেও ময়েই প্ৰথমে ঠিয় হ'বলৈ সুবিধা পাইছিলো আৰু আজিও এই

* Speech not corrected.

সুবিধা পাইছো আৰু ধন্য মানিছো। আজি মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই আৰু প্ৰাক্তন মুখ্য মন্ত্ৰী শ্ৰীবৰবৰা ডাঙৰীয়াই যি অনাস্থা প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰিছো। মাননীয় বৰবৰা ডাঙৰীয়াই তেওঁৰ অনাস্থা প্ৰস্তাৱত কৈছে যে তেওঁলোকে মুখ্যমন্ত্ৰী আনোৱাৰা টাইমুৰ মুছলমান হয় বুলি অনা নাই। এই অনাস্থা কংগ্ৰেছ আইৰ বিৰুদ্ধে আনিছে। কিন্তু এই পবিত্ৰ বিধান সভাৰ বাহিৰত তেওঁলোকে আমাৰ বিভিন্ন সদস্যৰ ঘৰে ঘৰে গৈ কৈ ফুৰিছে যে এই চৰকাৰৰ পতন কৰিব লাগে। আমি এই কথা কবই লাগিব ( সদনত হুলস্থুল ) খুলি কোৱাৰ অধিকাৰ আমাৰো আছে। উপাধ্যক্ষ মহোদয়, তেখেত সকলে কয় যে দেশ আজি ৰসাতলে গ'ল। দেশ বচাওক। আজি মুছলমানৰ হাতৰ পৰা দেশ বচাওক। এইটো তেখেত সকলৰ প্ৰচাৰ –

( হুলস্থুল )

**Mr. DEPUTY SPEAKER :** Order, order.

* **শ্ৰীপহ্ম বাহাদুৰ চৌহান :** মাননীয় উপাধ্যক্ষ মহোদয়, অনাস্থা প্ৰস্তাৱ উত্থাপন কৰি শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই কৈছে যে অসমৰ যি ডেৰ বছৰীয়া আন্দোলন- এই আন্দোলন কোনো বঙালীৰ বিৰুদ্ধে নহয়, কোনো মুছলমানৰ বিৰুদ্ধে নহয়, এই আন্দোলন কোনো নেপালীৰ বিৰুদ্ধে নহয়। কিন্তু আমি এই ডেৰ বছৰীয়া আন্দোলনত কি দেখিবলৈ পাইছো- যদি কাৰোবাৰ ঘৰ জলিছে সেইয়া বঙালীৰ ঘৰ জলিছে যদি কাৰোবাৰ ঘৰ জলিছে সেইয়া মুছলমানৰ ঘৰ জলিছে, যদি কাৰোবাৰ ঘৰ জলিছে নেপালীৰ ঘৰ জলিছে। কিন্তু এই আন্দোলনত গোটেই অসমৰ খিলঞ্জীয়া মানুহৰ যে সমৰ্থন আছে সেই কথা সঁচা নহয়। আৰু সকলোবোৰ আন্দোলনকাৰীয়েই যে অহিংস

* Speech not corrected.

নীতিৰে কোনো নেপালী, বঙালী, মুছলমানৰ বিৰুদ্ধে যোৱা নাই সেইটো সঁচা নহয়। ইয়াৰ ভিতৰতে একশ্ৰেণীৰ এলিমেণ্ট আছে যিবোৰে বঙালীৰ বিৰুদ্ধে, নেপালীৰ বিৰুদ্ধে আনকি খিলঞ্জীয়া ট্ৰাইবেলৰ বিৰুদ্ধেও গৈছে। মোৰ সমষ্টি তামুলপুৰ। মোৰ সমষ্টিতে এই আন্দোলনৰ ভিতৰতে এজন জনজাতীয় যুৱকক হত্যা কৰা হৈছে। এই আন্দোলন যদি বিদেশীৰ বিৰুদ্ধেই তেতিয়াহলে এই দুখীয়া ট্ৰাইবেলজনক কিয় হত্যা কৰা হল? গোটেই আন্দোলনৰ কৰ্ম্মকৰ্ত্তা সকল কোনো ধৰ্ম্ম বা সম্প্ৰদায়ৰ বিৰুদ্ধে নেথাকিব পাৰে কিন্তু তাৰ মাজতে একশ্ৰেণী আছে যি ধৰ্ম্মৰ নামত, সম্প্ৰদায়ৰ নামত, বিভিন্ন গোষ্ঠীৰ নামত আন্দোলন চলাইছে। আমি দেখিবলৈ পাইছো যে আমাৰ ইয়াত কংগ্ৰেছ আই চৰকাৰ গঠন হোৱাৰ পিচৰ পৰা আন্দোলন নাই বুলিবই পাৰি। আমাৰ ইয়াত যোৱা ৬ ডিচেম্বৰৰ পৰা কংগ্ৰেছ (আই) চৰকাৰ গঠন হল। আমাৰ বিৰোধী দলৰ নেতা সকলে এই কথা হয়তো গম নেপাব পাৰে কিয়নো তেওঁলোক বাইজৰ মাজলৈ যাবলৈ সাহস নকৰিব পাৰে।

( সদনত বিৰাট হুলস্থুল )

মই ভাবো এই চৰকাৰ যদি ১৯৮০ চনৰ ৬ ডিচেম্বৰত নহৈ তাৰ এবছৰৰ আগতে অৰ্থাৎ ১৯৭৯ চনৰ ৬ ডিচেম্বৰতেই হব লাগিছিল।

( সদনত হুলস্থুল -হাঁহিৰ ৰোল )

আজি বিৰোধী দলৰ মাননীয় সদস্য শ্ৰীঅতুল ডাওৰীয়াই কৈছে যে এই চৰকাৰ সংখ্যালঘু চৰকাৰ, এই চৰকাৰৰ ওপৰত ৰাইজৰ আস্থা নাই। কিন্তু মই কব খুজিছো যে এই চৰকাৰৰ ওপৰত ৰাইজৰ সম্পূৰ্ণ আস্থা আছে। কাৰণ ৰাইজে জানে যে এই চৰকাৰৰ পতন হলে বিৰোধী দলৰ চৰকাৰ গঠন হব নোৱাৰে কিয়নো

তেওঁলোক সকলো দল মিলি এক মত হব নোৱাৰে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীবৰবৰা ডাঙৰীয়াই এই সদনতে ঘোষণা কৰিছিল যে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিচত যি বিলাক বিদেশী লোক আহিছিল সেই সকলক বহিস্কাৰ কৰা হব। কিন্তু যেতিয়াই আন্দোলন হল তেতিয়াই তেখেতে নিজৰ সুৰ সলাই সাংবিধানিক ভাবে, বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰিব লাগে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই কৈছে যে ১৯৭১ চনক ভিত্তি হিচাবে ধৰি আমাৰ যি বিলাক দায় দায়িত্ব আছে, আন্তৰাষ্ট্ৰীয় চুক্তি আছে সেই সকলোবোৰ দিশ বিবেচনা কৰি বিদেশী নাগৰিকৰ সমস্যাটো সমাধান কৰিব লাগিব। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীযোগেন্দ্ৰ নাথ হাজৰীকা দেৱে কৈছে যে এই বিলাকৰ দ্বাৰা বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান হব নোৱাৰে। মাত্ৰ ১৯৬১ চনটোকে ভিত্তি বছৰ হিচাবে ধৰিলে বিদেশী নাগৰিকৰ সমস্যাৰ সমাধান হব পাৰে। এইদৰে কোনো চৰকাৰৰ কোনো কথা কাৰোৰ লগত নিমিলাৰ কাৰণেই আমি সেইবোৰ চৰকাৰক পতন ঘটাই আমি নতুন চৰকাৰ এটা গঠন কৰি অসমৰ ৰাইজে বিচৰা মতে বিদেশী নাগৰিকৰ সমস্যাটোৰ সমাধান সুত্ৰ উলিয়াব খুজিছো।

( সদনত হুলস্থুল )

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই কৈছিল যে যি চৰকাৰ যেতিয়াই নাথাকক, চৰকাৰ চৰকাৰ হিচাবেই থাকিব লাগিব। দেশৰ আইন শৃঙ্খলা ৰক্ষা কৰিবই লাগিব। চৰকাৰে দেশৰ বৰ্ত্তমান আইন মানিব লাগিব।

অসমত ( আই) কংগ্ৰেছ চৰকাৰ গঠন হোৱাৰ পিচত ১৪৪ ধাৰা ......... (-গণ্ডগোল ) ......... মিন কৰিছে। দেশৰ আইন, দেশৰ সংবিধানৰ ভিত্তৰত যিখন আইন আছে সেই আইনে যি অধিকাৰ দিছে এই চৰকাৰে সেই সাংবিধানিক অধিকাৰ

অসমৰ ৰাইজৰ নিৰাপত্তাৰ কাৰণে নিশ্চয় প্ৰযোজ্য কৰিব। দেশৰ আইন শৃঙ্খলা কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰা হব। .........

( সদনত গণ্ডগোল একো শুনা নাযায় )। .......

ইয়াৰ পিচত অসম চৰকাৰৰ দায়িত্ব হব অসমৰ জনগণক বিপদাপন্ন অৱস্থাৰ পৰা ৰক্ষা কৰাটো। ...... ( গণ্ডগোল )- তেওঁলোকে আৰু কৈছে যে এই চৰকাৰ সংখ্যালঘিষ্ঠ চৰকাৰ। ..... ( সদনত গণ্ডগোল একো শুনা নাযায় ) এইখিনিতে মোৰ মহাভাৰতৰ কুৰুক্ষেত্ৰ ৰণৰ কথা মনত পৰিছে। তাত আমি দেখিবলৈ পাইছোঁ যে শ্ৰীকৃষ্ণ পাণ্ডৱ সকলৰ পক্ষেহে।

..........( গণ্ডগোল ) ......

কিন্তু তেওঁলোকৰ ভিতৰতো বহুতো সদস্য আছে যি সকল সদস্যই এই মন্ত্ৰীসভাৰ বিৰোধীতা কৰিব খোজা নাই। কিন্তু তেওঁলোক বিৰোধী পক্ষত আছে কাৰণেই চৰকাৰৰ সমালোচনা কৰিবলৈ বাধ্য হৈছে। এই কথা নিশ্চয় সকলোৱে জানে।

......... ( গণ্ডগোল ) ......... ।

Mr. DEPUTY SPEAKER : Order, order. Hon'ble members will please listen ( when Shri Padam Bahadur Chouhan rose to speak again ) Order, order. Please take your seat. While making speeches in the House hon'ble members should be a bit restrained. We should not express such thing or make such utterences which may reflect on the secular and democratic character. I hope, hon'ble members will keep this in mind and let us prove ourselves an example before the people.

Shri DULAL CHANDRA BARUA : That word must be expunged.

**Mr. DEPUTY SPEAKER** : I will examine that part of the speech. If I find anything contrary to the Rules steps will be taken accordingly.

* শ্ৰীপদুম বাহাদুৰ চৌহান : মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰকাৰ আজি যদি পতন হয় তেন্তে কাইলৈ মুখ্যমন্ত্ৰী কোন হয় সেই কথাও আমি বিবেচনা কৰি চাব লাগিব। শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই শ্ৰীগোলাপ বৰবৰা চৰকাৰৰ পতন ঘটালে। আকৌ শ্ৰীযোগেন্দ্ৰ নাথ হাজৰিকা ডাঙৰীয়াকো একেটা কাৰণতেই একেদিনাই চুপে চাপে চাপোৰ্ট উঠাই পতন ঘটালে। মাননীয় শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াই নিজেই মুখ্যমন্ত্ৰী হোৱাৰ কথা এটা চিন্তা কৰিব পাৰে বুলিয়েই ব্যক্তিগত ভাবে মই ভাবো। কাৰণ মই দেখিবলৈ পাইছো যে তেখেতে কাকো এৰা নাই চৰকাৰ ভাঙিছে আৰু পাতিছে। কিন্তু তেখেত মুখ্যমন্ত্ৰী হোৱাত এটা ডাঙৰ সমস্যা আছে। তেওঁলোকৰ মাজত বিভিন্ন মতৰ মানুহ আছে, বিভিন্ন দলৰ মানুহ আছে। আমাৰ দলত আজি ৪৮ জন সদস্য আছে বুলি কৈছে। কিন্তু তেওঁলোকে যদি চৰকাৰ গঠন কৰে তেওঁলোকে ২৮ জনো দেখুৱাব নোৱাৰিব। সেই কাৰণে অসমৰ জনসাধাৰণৰ মঙ্গলৰ কাৰণে দেশৰ স্বাৰ্থৰ কাৰণে, ভাৰতবৰ্ষৰ সাৰ্ব্বভৌমত্ব ৰক্ষাৰ কাৰণে (আই) কংগ্ৰেছ চৰকাৰৰ প্ৰয়োজন আছে।

.........( গণ্ডগোল ).........

আজি গোটেই উত্তৰ পূৰ্ব্বাঞ্চলত বিভেদকামী শক্তিয়ে মুৰ দাঙি উঠিছে। এই চৰকাৰ থকাৰ কাৰণেই এই শক্তিসমূহে মুৰ দাঙি উঠিব পৰা নাই। যি সকল সদস্যই অনাস্থা প্ৰস্তাৱ দাঙি ধৰিছে তেওঁলোকে নিজেই জানে যে এই চৰকাৰ পতন হোৱাৰ পিচত আন চৰকাৰ গঠন হোৱাৰ আশা নাই। আৰু আমি অসমৰ জনসাধাৰণক অনিশ্চিত ভৱিষ্যতৰ মুখলৈ ঠেলি দিব নোৱাৰো।

* Speech not corrected.

সেই কাৰণে অসমৰ মঙ্গলৰ কাৰণে এই অনাস্থা প্ৰস্তাৱ উঠাই লব লাগে। শেষত এই অনাস্থা প্ৰস্তাৱৰ বৈপ্লৱিক বিৰোধীতা কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীহেমেন দাস : মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ এই ষষ্ঠ বিধান সভাৰ.........

মাননীয় উপাধ্যক্ষ : চৌহান ডাঙৰীয়াৰ বক্তৃতাৰ কিছু কথাৰ আপত্তি উঠিছিল। সেই সম্পৰ্কে আমি পৰীক্ষা কৰিম বুলি কৈছিলোঁ। মই আশা কৰিছো এই কথাখিনি আমি পৰীক্ষা কৰাৰ আগতে যেন প্ৰকাশ কৰা নহয়।

শ্ৰীহেমেন দাস : ষষ্ঠ বিধান সভাৰ মঞ্চত ইতিমধ্যেই তিনিবাৰ পট পৰিবৰ্ত্তন হল। অসমৰ ৰাজনীতিত পোন প্ৰথম বাৰৰ বাবে অকংগ্ৰেছী জনতা চৰকাৰ প্ৰতিষ্ঠা কৰিলে বৰবৰা নেতৃত্বাধীন চৰকাৰে। ডেৰ বছৰ কাল ৰাজত্ব কৰিবলৈ নৌ পাওতেই দলৰ কিছুমান মানুহ বাহিৰলৈ ওলাই আহি বৰবৰা চৰকাৰক গাদীচ্যুত কৰিলে। তাৰ পিচত আহিলে অসম জনতা চৰকাৰ। জনতা চৰকাৰৰ পৰা যি সকল সদস্যই ওলাই আহি অসম জনতা চৰকাৰ গঠন কৰাত সহায় কৰিছিল তেওঁলোকৰ কাৰনেই হাজৰীকা চৰকাৰো গাদীচ্যুত হল। তাৰ পিচত এবছৰ ৰাষ্ট্ৰপতি শাসন চলিল। ৰাষ্ট্ৰপতি শাসনৰ পিচত আহিল মাননীয়া আনোৱাৰা টাইমুৰ নেতৃত্বাধীন কংগ্ৰেছ ( আই ) চৰকাৰ। এতিয়া এই চৰকাৰো সন্মুখীন হৈছে অনাস্থা প্ৰস্তাৱৰ। অনাস্থা প্ৰস্তাৱ সম্পৰ্কে আমাৰ দৃষ্টিভঙ্গী কি আজি বহুতো মানুহে আমাক সুধিছে। আমাৰ দৃষ্টিভঙ্গী অতি সহজ, সৰল আৰু স্পষ্ট। বৰবৰা মন্ত্ৰীসভাৰ বিৰুদ্ধে আমি অনাস্থা প্ৰস্তাৱ অনা নাছিলো, তেওঁৰ গাদী ৰক্ষাৰ কাৰণে আপ্ৰাণ চেষ্টাহে কৰিছিলোঁ। কিন্তু নোৱাৰিলোঁ। শ্ৰীহাজৰীকাৰ বিৰুদ্ধেও অনাস্থা প্ৰস্তাৱ অনা নাছিলোঁ। গাদীচ্যুত

কৰাতো দূৰৰে কথা। সেই অনাস্থা প্ৰস্তাৱো গৃহীত নহল। তেওঁ শাসনৰ গাদীতে থাকিল। পিচে নিজৰ কৰ্ম্মদোষতহে গাদীচ্যুত হল। যি সকল সদস্যই বৰবৰা ডাঙৰীয়াক অনাস্থা প্ৰস্তাৱৰ দ্বাৰা গাদীৰ পৰা নমাইছিল সেই সকল সদস্যই এতিয়া দুভাগত ভাগ হৈ কিছুসংখ্যক শাসক দলত আৰু কিছুসংখ্যক বিৰোধী পক্ষত বহি আছে। আমাৰ দৃষ্টিত দুই দলৰ মাজত শ্ৰেণীগত কোনো পাৰ্থক্য নাই। দুইখন চৰকাৰেই অসমৰ জনগণক আজি ভীষণ অনিশ্চয়তাৰ মাজলৈ ঠেলি দিছে। অসম দেশত আজি হাজাৰ হাজাৰ যুৱক নিবনুৱা হৈ আছে।

আজিৰ হিচাবতে ৩ লাখতকৈ অধিক নিবনুৱা হৈ আছে। মূল্য বৃদ্ধিয়ে ভয়ানকভাৱে আগবাঢ়ি আহিছে কিন্তু তাৰ বিৰুদ্ধে বিধায়কসকলে আজি মাত মতা নাই। ক'ত আজি শ্ৰেণী সংগ্ৰাম ? আজি পুজিপতি সকলে লুণ্ঠন কৰিছে কিন্ত তাৰ বিৰুদ্ধে সংগ্ৰাম কৰা নাই। জন সাধাৰণৰ সুখ-দুখৰ চিন্তা কৰা নাই। যুদ্ধ কৰিছো মাত্ৰ নিজৰ ভিতৰতে ক্ষমতা দখলৰ কাৰণে।

উপাধ্যক্ষ ডাঙৰীয়া, শ্ৰীবৰবৰা ডাঙৰীয়া আতৰি যোৱাৰ পাচত যি চৰকাৰ হল সেই চৰকাৰক সমৰ্থন দিলে কংগ্ৰেছ (ইউ), কংগ্ৰেছ (আই), চি, পি, আই, আৰু লোকদলে। সেই চৰকাৰে কি কৰিলে ? সেই চৰকাৰৰ বিৰুদ্ধে অৰ্থাৎ হাজৰীকা মন্ত্ৰী সভাৰ বিৰুদ্ধে যেতিয়া অনাস্থা প্ৰস্তাব আহিছিল তেতিয়াও মই স্বৈৰতন্ত্ৰৰ আমদানিৰ কথা কৈছিলো। সেই সময়ত অসমত কি বিভিষীকাৰ ৰাজত্ব চলিছিল। গণতন্ত্ৰৰ নামত মানুহৰ কণ্ঠ-ৰোধ কৰা হৈছিল। গাৰে ভূয়েঁ লোকসভাৰ প্ৰাৰ্থী সকলক অবৰোধ কৰি ৰখা হৈছিল। ৰাজনৈতিক দলৰ মানুহক ঘেৰাও কৰি থোৱা হৈছিল। মাননীয় সদস্য শ্ৰীশৰৎ চন্দ্ৰ সিংহ ডাঙৰীয়াক ৭২ নং ৰূমত চাৰিঘণ্টাৰ কাৰণে ঘেৰাও কৰি ৰখা হৈছিল। সেই অপমানৰ কথা মনত পৰিলে আজিও গাৰ নোম শিয়ৰি উঠে।

চাৰিওফালৰ পৰা মুনিহ তিৰোতাই আনকি মন্ত্ৰীৰ লগত কাম কৰা পি এচৰ ঘৈনীয়েকে তেখেতক ঘেৰাও কৰি লৈ মেখেলা ডিঙিত দিয়া পৰ্য্যন্ত আদি কথা উত্থাপন কৰিছিল। মানুহৰ ভোটাধিকাৰ পৰ্য্যন্ত হৰণ কৰা হৈছিল। মাক্সবাদী কমিউনিষ্ট পাৰ্টিৰ ১৫০ জন কৰ্ম্মীক নিৰ্ম্মম ভাবে প্ৰহাৰ কৰা হৈছিল। যাৰ ফলত চাৰিজন হস্পিতেলাইজ হৱ লগা হৈছিল। এই অত্যাচাৰত অতীষ্ঠ হৈ যোগেন হাজৰীকা মন্ত্ৰী সভাৰ পৰা শৰৎ সিংহ আৰু প্ৰমোদ গগৈয়ে সমৰ্থন প্ৰত্যাহাৰ কৰিছে। কিন্তু তাৰ পাচত ৰাইজৰ মুক্তি হল জানো? কিন্তু উপাধ্যক্ষ মহোদয়, আচৰিত কথা শ্ৰীমতী ইন্দিৰা গান্ধীৰ পাৰ্টি অৰ্থাৎ শ্ৰীমতী টাইমুৰে কিন্তু তেতিয়া সমৰ্থন প্ৰত্যাহাৰ কৰা নাছিল। কি অপুৰ্ব নাটক। যি সময়ত ইন্দিৰা কংগ্ৰেছে মাইনৰিটিৰ স্বাৰ্থৰ কথা কৈ ফুৰিছে সেই সময়তে ভোটাৰ তালিকাৰ পৰা লক্ষ লক্ষ মানুহৰ নাম কাটি দিয়াৰ যি ষড়যন্ত্ৰ চলিছিল সেই সময়তো কিন্তু ইন্দিৰা কংগ্ৰেছে চৰকাৰৰ পৰা সমৰ্থন প্ৰত্যাহাৰ কৰা নাছিল।

( চে'ম, চে'ম )

ইয়াত নিশ্চয় শ্ৰীমতী গান্ধীৰ কিবা ষড়যন্ত্ৰ আছে। আৰু সেই কাৰণে সমৰ্থন আতৰাই নানিলে।

উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰপতি শাসনত কি পালো? অদ্ভুত ৰাজত্ব আছু আৰু গনসংগ্ৰামৰ। মানুহৰ ঘৰত জুই জলিল। নলবাৰী, সৰ্থেবাৰীত, মুকালমুৱাত চাৰিও ফালে জ্বলিল জুই। অকল যে বেঙ্গেগৰে ঘৰ জ্বলিছে সেইটো নহয় অসমীয়া মানুহৰো ঘৰ জ্বলিছে। ৰাষ্ট্ৰপতিৰ শাসনত কি পালো? একবছৰৰ ভিতৰত মাক্সবাদী কমিউনিষ্ট পাৰ্টিৰ ৪৯৪ জন কৰ্ম্মী আহত হ'ল। সংখ্যালঘুৰ এক হাজাৰক হত্যা কৰিলে। কেৱল যে আন্দোলনকাৰী সকলে মানুহৰ ঘৰকে ধ্বংস কৰিছিল সেইটো নহয়। চাৰিওফালে অৰাজকতাৰ সৃষ্টি কৰিছিল। কিন্তু তেতিয়াটো

শ্ৰীমতী গান্ধীৰে শাসন অসমত চলিছিল। শ্ৰীমতী গান্ধীৰ শাসনৰ সময়ত বিজনীত সাধাৰণ দৰ্খাস্ত দিবলৈ অহা সংখ্যালঘুৰ লোক সকলক পুলিচে গুলি কৰি হত্যা কৰিছিল। লেংটিচিঙাত সংখ্যা-লঘুৰ যুৱকক পুলিচে হত্যা কৰিছিল। কিন্তু এই সকল পুলিচক শ্ৰীমতী গান্ধীৰ শাসনে শাস্তি দিয়া নাই। সংখ্যালঘুক হত্যা কৰা কাৰণে তেওঁলোকক প্ৰমোচন দিছে। উপাধ্যক্ষ মহোদয়, আপুনি জানে এইখিলাক কৰিয়েই ক্ষান্ত থকা নাছিল। বিধায়ক সকলক ঘেৰাও কৰা হৈছিল; সামাজিক ভাবে বৰ্জন কৰা হৈছিল, মাৰপিত কৰিছিল। এই সদনৰ সদস্য কমৰেড বিৰেশ মিশ্ৰক নগাওঁৰ ৰাজপথত মাৰি পেলাই থৈছিল। সদস্য বীৰেন চৌধুৰীক ঘৰৰ ভিতৰত মাৰপিত কৰিছিল। ৰাষ্ট্ৰপতিৰ শাসনত জাগ্ৰাৰ শ্ৰীমদন আৰু শ্ৰীমাধৱ (প্ৰথমজন ছাত্ৰ আৰু দ্বিতীয়জন শিক্ষক) শিয়াল কুকুৰৰ দৰে শ শ জনে ঘৰৰ পৰা ধৰি নি হত্যা কৰিলে। পুলিচক খবৰ দিয়া হ'ল। পুলিচে কলে তেওঁলোকক হত্যা কৰা হোৱা নাই তেওঁলোক আছে। তেওঁলোকৰ দেডবড়ি উলিয়াবলৈ কোৱা হ'ল। কিন্তু আজিলৈকে তাৰ কোনো ব্যৱস্থা নকৰিলে। গাওঁ সংগঠনৰ দ্বাৰা বিলৰ পৰা তেওঁলোকৰ কঙ্কাল কেইটা উদ্ধাৰ কৰা হৈছে। কিন্তু হত্যাকাৰী সকলক ধৰাৰ ব্যৱস্থা ৰাজ্যপালৰ শাসনতটো নহলেই আমাৰ শ্ৰীমতী টাইমুৰেও আজি ১০০ দিনে আচামিক ধৰাৰ কোনো ব্যৱস্থা কৰা নাই। এইফালে সংখ্যালঘুৰ প্ৰতি তেওঁলোকৰ কি প্ৰেম। ৰাজপথত সংখ্যালঘুক নিৰ্ম্মম ভাবে হত্যা কৰা হৈছে। সিদিনাখন সৰভোগত জন্মেজয় নামৰ ১২মান শ্ৰেণীত পঢ়া এজন লৰাক হত্যা কৰিছে। এনে হত্যা চলিয়েই আছে। যিসকলৰ সংগ্ৰামৰ প্ৰতি আস্থা নাই তেওঁলোকো ঘৰত থাকিব নোৱাৰে। বৰ-পেটাৰ মাধৱ চৌধুৰী কলেজৰ চাৰিজন অধ্যাপক শ্ৰীঅতুল গোস্বামী শ্ৰীবিজন লাল চৌধুৰী শ্ৰীমহী গোস্বামী আৰু শ্ৰীঅজিত দাসক কলেজলৈ যাব দিয়া নাছিল। বহুত দিন পাচত অৱশ্যে পুলিচৰ

সহায় লৈ তেওঁলোক গল। আজি ইমান দিনে মই চৰকাৰক দৰমহা খিনি দিয়াৰ কথা কলো কিন্তু আজি ১০০ দিনেও এই চৰকাৰৰ দিনত তেওঁলোকৰ দৰমহা দিব পৰা হোৱা নাই। শ্ৰীমতী ৰূপশ্ৰী বৰুৱা গোলাঘাট কমাৰ্চ কলেজৰ শিক্ষয়িত্ৰী তেওঁ আন্দোলন সমৰ্থন নকৰা কাৰণে তেওঁৰ চাকৰিয়েই নাই। শ্ৰীমতী দিপ্তী শইকীয়া তেওঁৰো একে অৱস্থা। তেওঁলোকক ৰক্ষা কৰাৰ অৰ্থে কোনো ব্যৱস্থা লোৱা নাই। তেনেহলে গণ-তন্ত্ৰৰ ৰক্ষাৰ ডাঙৰ কথা ক'ত থাকিল? ৰাজ্যপালৰ শাসন আৰু আজিৰ শাসনৰ পাৰ্থক্য ক'ত থাকিল? এতিয়াও আছু আৰু গনসংগ্ৰামৰে নীতি চলি আছে। আমি ৭ টা ৰাজনৈতিক দলে সৌ সিদিনাখন নগাওঁত মিটিং কৰিব নোৱাৰিলো। ৰঙিয়া, নল-বাৰীত মিটিং কৰিবলৈ গৈ মাৰপিট খাব লগা হ'ল। গতিকে এতিয়াও সেই আগৰ শাসনেই চলি আছে।

মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ বৰবৰা ডাঙৰীয়াই আগতে কৈছে যে ৰাষ্ট্ৰপতিৰ শাসনত সকলো সদস্যই ঘেৰাওঁত থাকিব লগীয়া হ'ল কিন্তু কংগ্ৰেছ আই ঘেৰাও মুক্ত হ'ল। তেওঁলোকে ঘেৰাওঁৰ মাজতে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হ'ল। কিন্তু আমাৰ মাননীয় সদস্য শ্ৰীনৰেন দত্ত ১২ তাৰিখলৈ ঘেৰাওত থাকিব লগীয়া হ'ল অৰ্থাৎ মন্ত্ৰীসভা হোৱাৰ ৬ দিন পাছলৈ। গতিকে আছু, গনসংগ্ৰামৰ দিনত যি হৈছিল আজিও সেয়ে হৈ আছে। কিন্তু এই নীতিৰে যদি ইন্দিৰা কংগ্ৰেছে দেশ শাসন কৰিব বিছাৰিছে মাৰাত্মক ভুল কৰিছে। এই চৰকাৰৰ ১০০ দিনত আমি কি দেখিছো? এই কেই দিনতে আমাৰ পাৰ্টিৰ ৫২ জনক ষড়যন্ত্ৰমূলকভাৱে আক্ৰমন কৰিছে। পৰহি সৰভোগত মাৰ্ক্সবাদীৰ কাৰ্য্যালয়ত আক্ৰমন চলাইছে। আমি ৭ টা ৰাজ-নৈতিক দলে অসমৰ শান্তি সম্প্ৰীতিৰ এটা পৰিবেশ ঘুৰাই আনিবৰ কাৰণে আছু আৰু গণসংগ্ৰামক আলোচনাত বহিবলৈ আবেদন কৰিছো। কিন্তু আলোচনাত বহাৰ কাৰণে এই চৰকাৰে আগভাগ

লোৱা নাই। আনহাতে দিল্লীৰ পৰাও আলোচনালৈ নিমন্ত্ৰণ জনোৱা নাই। দিল্লীত কিয় ? অসমৰ বৰ্ত্তমান জলন্ত সমস্যা সমাধানৰ কাৰণে বৰ্ত্তমানৰ মুখ্যমন্ত্ৰীয়ে সকলো দলৰে লোক সকলক লৈ আলোচনা কৰিব নোৱাৰিলেহেঁতেন নেকি ? আমাৰ লৰাই যেনিবা ভুল কৰিলে, তেওঁলোকৰ মাজত কিছুমান ধুৰন্ধৰ মানুহ সোমাই তেওঁলোকক ভুল পথে পৰিচালনা কৰিছে। আমি জানো তাৰ বিষয়ে আলোচনা কৰিব নোৱাৰো ? কিন্তু এই কাম এই চৰকাৰে কৰা নাই আৰু নকৰে। ছাত্ৰ সকলৰ যে সকলোৱে নুবুজা এনে নহয় তেওঁলোকৰ মাজতো জনা বুজা লোক বহুত আছে। কিন্তু এই চৰকাৰৰ কাৰ্য্যত আমি কি দেখিছো ? আছু আৰু গনসংগ্ৰামে ডেৰ বছৰে যি কাম কৰিলে তেওঁলোকে তাৰ পালটা কাম কৰি আছে। সংখ্যালঘু আৰু সংখ্যাগুৰুৰ মাজত সংঘাত লগাই যদি দেশ শাসন কৰিব বিচাৰিছে মই কম, তেওঁলোক মুৰ্খৰ স্বৰ্গত বাস কৰিব বিচাৰিছে।

( At this stage Mr. Deputy Speaker vacated and Mr. Speaker occupied the chair )

শ্ৰীবানেশ্বৰ শইকীয়া : মাননীয় অধ্যক্ষ মহোদয়, আজি ষষ্ঠ বিধান সভাৰ এই বাজেট অধিবেশণ বহিছে কাৰাগাৰৰ মাজত পুলিচৰ সশস্ত্ৰ বাহিনীৰ পহৰাত। মুক্ত ভাবে ভ্ৰমণৰ সুযোগ সুবিধা কোনো মানুহৰেই নাই। কোনো মানুহেই নিৰ্ব্বিবাদে বাহিৰলৈ যাব নোৱাৰে। আজিও অসমত গাৱে ভূয়ে চহৰে নগৰে কোনো মানুহে নিৰ্ব্বিবাদ ঘূৰা পকা কৰিব নোৱাৰে। আজিও অসম বিধান সভাৰ মাননীয় সদস্য সকলৰ জীৱন বিপন্ন। মাননীয় সদস্য সকলে ৰাতি শান্তিত শুব নোৱাৰে। বিধান সভা আৱাস গৃহত বোমা বিস্ফোৰণ হৈছে। অথচ আজি আমি এই বিধান সভা বহাত গৌৰৱ অনুভৱ কৰিছো। কাৰাগাৰৰ মাজত থাকিও আমি গৌৰৱ কৰিছো। মই মোৰ দলৰ তৰফৰ পৰা অৰ্থাৎ আৰ চি পি আই ৰ দলৰ পৰা কৈছো-

এই কংগ্ৰেছ আই দলক চৰকাৰত বহাৰ কোনো অধিকাৰ জনসাধাৰনে দিয়া নাই। ১৯৭৮ চনতে কংগ্ৰেছ আইক অসমৰ জনসাধাৰনে নামাঞ্জুৰ কৰিছে। গণতন্ত্ৰৰ নামত এই চৰকাৰ শাসনৰ গাদীত থকাৰ অধিকাৰ নাই আৰু নৈতিক অধিকাৰো নাই। যি সকল লোকে জনসাধাৰনৰ ওচৰত প্ৰতিশ্ৰুতি লৈ আহিছিল সেই প্ৰতিশ্ৰুতি বিশ্বাসঘাটকতাৰে ভঙ্গ কৰিছে গতিকে তেওঁলোক শাসনৰ গাদীত বহাৰ অধিকাৰ নাই। কংগ্ৰেছ আইয়ে চৰকাৰ গঠন কৰাৰ পাছত ১০০ কোটি টকা খৰছ কৰি দিল্লীত যি কিষাণ মেলা পাতিছিল তাৰ দ্বাৰা গৰীবৰ স্বাৰ্থৰক্ষা বুজোৱা নাই ই বৰং বুৰ্জোৱা শ্ৰেণীৰ স্বাৰ্থ ৰক্ষাৰ কথাহে বুজাইছে। ই জনসাধাৰনক বিভ্ৰান্ত কৰিছে। দিল্লীত যি চেক কৰিছে তাৰ দ্বাৰা আমি লৌহ পৰিবৰ্ত্তনৰ আশা কৰা নাই। সকলো ষড়যন্ত্ৰ শোষক শ্ৰেণীৰ। আজি বেলৰ ভাৰা বঢ়াই দিয়া হ'ল তাৰ দ্বাৰা কাৰ ওপৰত বোজা পৰিব ? তাৰ বোজা পৰিব শ্ৰমিক শ্ৰেণীৰ ওপৰত, দুখীয়া গৰীব কৃষক বনুৱাৰ ওপৰত। যোৱা এবছৰে ইন্দিৰা কংগ্ৰেছ চৰকাৰে সৰ্ব্বভাৰতীয় ভিত্তিত যি ব্যাপক শ্ৰমিক বিৰোধী নীতি গ্ৰহণ কৰি আছে সেই একে নীতি অসম চৰকাৰেও ১০০ দিনত কৰি আছে। চৰকাৰৰ এই নীতি জনস্বাৰ্থ বিৰোধী। যোৱা কালিৰ খবৰ কাগজতো নিমখৰ কথা ওলাইছে যি নিমখৰ কাৰণে মহাত্মা গান্ধীয়ে ১৯৩২ চনত বিদ্ৰোহ কৰিবলগীয়া হৈছিল, সেই নিমখকনৰ কাৰণে এই চৰকাৰে নীতি বিগহিত কাম কৰিছে। গতিকে এই চৰকাৰৰ এই কাম কৰাৰ কোনো নৈতিক অধিকাৰ নাই। আপোনালোকে আকৌ জনসাধাৰনৰ মেনদেট লৈ আহিব লাগিব কিন্তু তেখেত সকলৰ তাৰ কাৰণে সাহস আছে জানো ? জনসাধাৰনক বিশ্বাসঘাটকতা কৰিছে যেতিয়া তেওঁলোকে আৰু জনসাধাৰনৰ মাজলৈ ঘুৰি যাব নোৱাৰে। কিন্তু জনসাধাৰনৰ ওচৰত যাবলৈ ৰাস্তা কৰিছে। আজি অসমৰ এই সংকটময় পৰিস্থিতিত আমাৰ মাননীয় বিত্তমন্ত্ৰী মহোদয়ে ৪০ কোটি টকাৰ ঋণ কেন্দ্ৰীয় চৰকাৰৰ পৰা লোৱা বুলি কৈছে। কিন্তু বৰ্ত্তমানৰ অসমৰ

পৰিস্থিতি মোকাবিলা কৰিবলৈ আজিৰ চৰকাৰৰ শক্তি নাই। যি চৰকাৰে আজি সংখ্যালঘুৰ কথা কৈছে সেই চৰকাৰেই সংখ্যালঘুৰ বিৰুদ্ধে ষড়যন্ত্রও কৰিছে তাক মই ন দি কব পাৰো। চৰকাৰৰ গৃহমন্ত্রী আছে আপোনালোকে খবৰ লওঁক তাৰ প্রমাণ হাতে হাতে পাব। আজি গৰীব জনসাধাৰণৰ জীৱনক লৈ নানান ধৰনৰ ষড়যন্ত্র কৰা হৈছে। আজি ডেৰ বছৰে অসমৰ জনসাধাৰণ ক্লান্ত হৈ পৰিছে, শ্রেণী বিভক্ত হৈছে আৰু সংস্কৃতি ভাঙি ভাঙি টুকুৰা টুকুৰ হৈ যাব ধৰিছে। আজিও ইন্দিৰা কংগ্রেছ চৰকাৰে তেওঁলোকৰ নীতি ঘোষণা কৰিব পৰা নাই। দিল্লীত মই তিনিখন বৈঠকত ভাগ লৈছিলো তাত কংগ্রেছ পাৰ্টিৰ কি নীতি কোনেও এষাৰ মাতকে নেমাতিলে।

মই দিল্লীৰ তিনিখন বৈঠকত উপস্থিত আছিলো তাত এই কংগ্রেছ আই চৰকাৰৰ কি নীতি ভালদৰে বুজি পাইছিলো। এই সমস্যা সমাধানৰ কাৰণে এই কংগ্রেছ আই চৰকাৰৰ কোনো নীতি নাই। ১৪ অক্টোবৰ তাৰিখে আলোচনাৰ কাৰণে অসমৰ নেতা সকলক দিল্লীলৈ মাতিছিল। তেতিয়াই এই চৰকাৰে এন-আৰ-চি অসমত ব্যৱহাৰ কৰাতো সমৰ্থন কৰি প্রস্তাৱ আগবঢ়াইছিল। এতিয়া কৈছে যে এই চৰকাৰে সংখ্যালঘুক ৰক্ষা কৰিব, মুছলমানক ৰক্ষা কৰিব। তেওঁলোকে কৈছে যে তেওঁলোক মুছলমানৰ ৰক্ষক হিচাবে গাদীলৈ আহিছে। আমি বুজি পাইছো এইবোৰ চাতুৰ্য্য কেৱল মুছলমান ৰাইজৰ পৰা ভোট সংগ্রহৰ কাৰণে ব্যৱহাৰ কৰিছে। কেন্দ্রীয় গৃহমন্ত্রী শ্রীযোগেন্দ্র মাকোৱানাই কৈছিল-এন-আৰ-চি ব্যৱহাৰ কৰিব পাৰো। আমাৰ এজন মাননীয় লোকসভাৰ সদস্যৰ প্রশ্নোত্তৰত এই কথা কৈছিল। এই এন-আৰ-চি জনস্বাৰ্থ বিৰোধী, ৰাইজৰ বিৰোধী। এই এন-আৰ-চি ব্যৱহাৰ কৰিয়েই অসমক বিপদাপন্ন কৰিছে। এই এন-আৰ-চিৰ দ্বাৰা যি সকল মুছলমান নেতা সেই সকলক কিয় ৰক্ষা কৰিব পৰা নাই? অসমত বঙালীয়েই হওক বা

মুছলমানেই হওক বা অন্যান্য জাতিৰ মানুহেই হওক এই সকলৰ যি যুগমীয়া সম্প্ৰীতি আছিলে সেই সম্প্ৰীতি ভাঙি টুকুৰা টুকুৰ কৰিছে। এই সম্প্ৰীতি ৰক্ষাৰ কাৰণে কংগ্ৰেছ ( ইয়ে ) চেষ্টা কৰা নাই। চেষ্টা কৰিছে অসমৰ ৭ টা ৰাজনৈতিক দলে। অসমৰ জনসাধাৰণক বিপদৰ পৰা ৰক্ষা কৰিবৰ কাৰণে কংগ্ৰেছ আইৰ চৰকাৰ আগবাঢ়ি আহিব পৰা নাছিল। ইয়াৰ কাৰণে প্ৰচেষ্টা চলালে অসমৰ ৭ টা ৰাজনৈতিক দলে। আজি যিটো পৰিস্থিতিৰ সৃষ্টি হৈছে এই পৰিস্থিতিটো কেৱল মাত্ৰ ৭ টা ৰাজনৈতিক দলৰ কাৰণেহে হৈছে। আজি কবলৈ আহিছে কংগ্ৰেছ ( আই ) য়ে অসমৰ মুছলমান সকলৰ স্বাৰ্থ ৰক্ষা কৰিব। এইবিলাক মাত্ৰ কেৱল প্ৰতাৰণাহে। ইন্দিৰা গান্ধীৰ ঘৰৰ আগতে দিল্লীৰ লালকিল্লাৰ তলত কিমান মুছলমানক হত্যা কৰিলে? কংগ্ৰেছ আয়ে কিয় ৰক্ষা কৰিব নোৱাৰিলে? আলিগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক ইৰফান হবিব এজন আন্তৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ব্যক্তি। তেওঁক কিয় চাচপেণ্ড কৰি ৰখা হৈছে। কংগ্ৰেছ (ই) য়ে যিবোৰ বাতাবৰণৰ সৃষ্টি কৰিছো বুলি কৈছে সেইবিলাক ভুৱা। অসমৰ জনসাধাৰণৰ স্বাৰ্থ কংগ্ৰেছ (ই) য়ে ৰক্ষা কৰিব নোৱাৰে। এই চৰকাৰ গাদীত থকাৰ কাৰণে কোনো নৈতিক, সাংবিধানিক, ৰাজনৈতিক অধিকাৰ নাই। আনহাতে মই সতৰ্ক কৰি দিব বিচাৰিছো যে শ্ৰীগোলাপ বৰবৰা মন্ত্ৰী সভাই হওক বা শ্ৰীযোগেন্দ্ৰ নাথ হাজৰীকাৰ মন্ত্ৰীসভাই হওক তেওলোকে যি বোৰ কাৰ্য্যকলাপ কৰিলে সেইবোৰ নিন্দনীয়। এটা গোষ্ঠীৰ বিৰুদ্ধে আন এটা গোষ্ঠীক লগাই দিয়া কথা আমি কেতিয়াও সমৰ্থন কৰিব নোৱাৰো। এইটো নিন্দনীয়। মই কওঁ যে এই চৰকাৰ গাদীত থকাৰ কোনো অধিকাৰ নাই। এই চৰকাৰে অসমৰ আইন শৃঙ্খলা ৰক্ষা কৰিব নোৱাৰে। অসমৰ জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰে। গতিকে এই কংগ্ৰেছ আই চৰকাৰক গাদী পৰিত্যাগ কৰিবলৈ দাবী জনালো। মই ইয়াকে কৈ সামৰণি মাৰিলো।

শ্ৰীআজাদ আলি ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই যিটো অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে সেই অনাস্থা প্ৰস্তাৱ সমৰ্থন কৰি মই দুআষাৰ ক'ব খুজিছো। উপাধ্যক্ষ মহোদয়, কংগ্ৰেছ আই দলে যি চৰকাৰ গঠন কৰিলে, গঠনৰ সময়ত যি বিলাক সাংবিধানিক নীতি নিয়ম, যি বিলাক সাংবিধানিক চৰ্ত্ত পালন কৰিব লাগে তাক পালন কৰা হোৱা নাই। উপাধ্যক্ষ মহোদয়, আপুনি জানে যে অসমৰ কংগ্ৰেছ আই নিৰ্বাচিত হৈ আহিছিল মাত্ৰ ৮ জনহে। তাৰ পিচত ৬ ডিচেম্বৰত যেতিয়া তেওঁলোকে চৰকাৰ গঠন কৰিলে তেতিয়া তেওঁলোকৰ দলৰ সংখ্যাগৰিষ্ঠতা আছিল নে নাই এই কথা বিচাৰ কৰি চোৱা হোৱা নাছিল। আচলতে সংবিধান মতে যি কোনো চৰকাৰ গঠন কৰাৰ সময়তে যি দলে গঠন কৰিব সেই দলৰ সংখ্যাগৰিষ্ঠতা আছেনে নাই সেইটো বিচাৰ কৰি চোৱা হয়। এইবিলাক কথা ৰাজ্যপাল গৰাকীয়ে বিচাৰ কৰিব লাগে। কিন্তু এই চৰকাৰ গঠনৰ সময়ত দলৰ সংখ্যাগৰিষ্ঠতা আছিল নে নাই সেই কথা ৰাজ্যপালে চোৱা নাছিল। আমি ভাবিছিলো সাংবিধানিক সংকত দুৰ কৰাৰ কাৰণে এই চৰকাৰ খনখেদ্যাকৈ পাতিছে। গতিকে পিচত এই দলৰ সংখ্যাগৰিষ্ঠতা আছেনে নাই সেইটো চাবৰ কাৰণে ৰাজ্যপালে বিধান সভা মাতি সুযোগ দিব। আমি ষোৱা চাৰি তিনিমাহৰ ভিতৰতে বিধান সভা মাতিব বুলি ভাবিছিলো যদিও এই চাৰি তিনিমাহৰ ভিতৰত বিধান সভা মাতি আমাক সুযোগ নিদিলে। মাত্ৰ এই চাৰি তিনিমাহৰ ভিতৰত কংগ্ৰেছ আই দলক দল বৃদ্ধি কৰিবলৈ, সংখ্যাগৰিষ্ঠ কৰিবলৈ সুযোগহে দিলে। উপাধ্যক্ষ মহোদয়, এই দলে এতিয়াও সংখ্যাগৰিষ্ঠতা লাভ কৰিব পৰা নাই। আপোনাৰ মতেই আমি জানিব পাৰিছো যে এই দলৰ সদস্য সংখ্যা মাত্ৰ ৪৮ জনহে। সাংবিধানিক ভাবে এই চৰকাৰ থাকিব নোৱাৰে। গতিকে এই চৰকাৰৰ ওপৰত অহা অনাস্থা প্ৰস্তাৱটো মই সমৰ্থন কৰিছো।

উপাধ্যক্ষ মহোদয়, শ্ৰীমতী টাইমুৰ ক্ষমতালৈ অহাৰ পিচতে বে-তাৰ যোগে যি ভাষণ দিছিলে সেই ভাষণ মই বৰ মনোযোগেৰে শুনিছিলো। তেখেতে কৈছিল যে এই চৰকাৰ কেৱল সাংবিধানিক সংকট দুৰ কৰাৰ কাৰণেই নহয়, যি বিলাক উন্নয়নমূলক কাম ব্যাহত হৈ আছে সেইবোৰ আগবঢ়াই লৈ যাব। আৰু অসমৰ যি জলন্ত বিদেশী নাগৰিকৰ সমস্যা সেই সমস্যা সমাধান কৰাৰ কাৰণে যথেষ্ট চেষ্টা কৰিব। তাৰ কাৰণে তেখেতে সহযোগ বিচাৰিছিল। তাৰ কাৰণে সহযোগ নোপোৱাও নহয়। এই চাৰে তিনিমাহৰ ভিতৰত ছাত্ৰসকলৰ তৰফৰ পৰা আৰু গণসংগ্ৰাম পৰিষদৰ তৰফৰ পৰা আন্দোলন স্থগিত ৰখা হৈছিল আমি বিশ্বাস কৰিছিলো- ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি এই সমস্যাটোৰ এটা সমাধান কৰিব। এই সমস্যাটোৱে অসমৰ জাতীয় সংহতি আৰু আবেগিক সংহতি আজি ভাঙি টুকৰা টুকুৰ কৰিছে। এই চাৰে তিনিমাহৰ ভিতৰত বিদেশী নাগৰিকৰ সমস্যাৰ সমাধানৰ বাবে যি ব্যৱস্থা কৰিব লাগিছিল তেনেকুৱা ব্যৱস্থা কৰা হোৱা নাই।

ছাত্ৰ সন্হাৰ তৰফৰ পৰা আৰু গনসংগ্ৰামৰ তৰফৰ পৰা বিনাচৰ্ত্তে দ্বিপাক্ষিক বা ত্ৰিপাক্ষিক আলোচনাত বহিবলৈ প্ৰস্তুত আছে। কিন্তু অসম চৰকাৰৰ তৰফৰ পৰা নাইবা কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা আলোচনাৰ মাধ্যমেৰে এটা বাস্তৱ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা নাই। গতিকে পিচলৈ তেওঁলোকে কেৱল নিজৰ গাদী ৰক্ষা কৰাৰ কথা চিন্তা কৰি এই সমস্যাৰ সমাধান কৰাৰ কাৰণে বাস্তৱ দৃষ্টিভঙ্গী লোৱা নাই। অধ্যক্ষ মহোদয়, মই বিশেষকৈ মাইনোৰিটি সম্প্ৰদায়ৰ সদস্য। শুনা যায় ইন্দিৰাৰ দলেই, ইন্দিৰাৰ চৰকাৰেই হেনো সংখ্যালঘু সকলৰ ত্ৰাণকৰ্ত্তা। তেওঁলোকৰ স্বাৰ্থ ইন্দিৰা চৰকাৰেই ৰক্ষা কৰে। আৰু এই স্বাৰ্থ কেৱল ইন্দিৰাৰ হাততেই আছে। অধ্যক্ষ মহোদয়, যিবিলাক আমি বাস্তৱ চিত্ৰ দেখিছো তাৰপৰাই মোৰ অভিজ্ঞতা হৈছে।

মই কব খোজোঁ যে ইন্দিৰা চৰকাৰে কেতিয়াও সংখ্যালঘুৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰে। কাৰণ আমি দেখিবলৈ পাইছো ইন্দিৰা গান্ধী প্ৰধানমন্ত্ৰী হৈ থাকোঁতেই মোৰাদাবাদত যি সাম্প্ৰদায়িক সংঘৰ্ষ হৈছে ভাৰতবৰ্ষৰ ৩৩ বছৰীয়া ইতিহাসত তেনে সাম্প্ৰদায়িক সংঘৰ্ষ হোৱা নাছিল। সেইদিনা মোৰাদাবাদত ঈদৰ নামাজ পঢ়ি থকা অৱস্থাত ইন্দিৰা গান্ধীৰ চৰকাৰে বহুতো মানুহক গুলিৰে নিহত কৰিলে। কিন্তু এইবিলাক ঘটাৰ পিচত দোষীক সাব্যস্ত কৰি তেওঁলোকৰ বিৰুদ্ধে চৰকাৰে এতিয়ালৈকে কোনো শাস্তিৰ ব্যৱস্থা কৰা নাই। তাৰ পিচতো ইন্দিৰা চৰকাৰৰ কথা কোৱাৰ যথাৰ্থতা আছে বুলি আমি নাভাবো। গতিকে আমি ইন্দিৰা গান্ধীৰ চৰকাৰৰ বিৰোধীতা কৰিছো। শ্ৰীমতী টাইমুৰ মুছলমান হিচাবে তেওঁৰ চৰকাৰৰ বিৰোধীতা কৰা নাই। নীতিগত ভাৱে এই স্বেচ্ছাচাৰী চৰকাৰৰ বিৰোধীতা কৰিছো। আৰু আশা ৰাখিছো মাননীয় সদস্যসকলেও দেশৰ আৰ্থিক আৰু সাংস্কৃতিক কথালৈ চিন্তা কৰি এখন সুস্থ-সবল আৰু প্ৰগতিশীল চৰকাৰ গঠন কৰি দিয়াৰ বাবে আমাৰ এই প্ৰস্তাৱটো সমৰ্থন কৰিব। এইখিনি কৈয়ে প্ৰস্তাৱটো সমৰ্থন কৰি মই সামৰণি মাৰিলো।

শ্ৰীএম ইব্ৰাহিম আলী ঃ অধ্যক্ষ মহোদয়, ডেৰ বছৰ পিচত বিধান সভাৰ মজিয়াত ১০০ দিনীয়া চৰকাৰ এখনৰ বিৰুদ্ধে আজি বিৰোধী পক্ষই যি অনাস্থা প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱৰ চাৰিত্ৰীক বৈশিষ্টত দুটা কথা স্পষ্ট। এখন চৰকাৰক অনাস্থা প্ৰস্তাৱৰ দ্বাৰা ওফৰাবলৈ হলে তেওঁলোকৰ কিছুমান নীতিগত কাম-কাজৰ পৰ্য্যালোচনাৰ কাৰণে এটা নিম্নতম সময়ৰ প্ৰয়োজন। আৰু নিম্নতম সময় নিদি কেৱল ইন্দিৰা কংগ্ৰেছৰ চৰকাৰ বুলিয়েই এই চৰকাৰক ওফৰাবলৈ যি দাবী উত্থাপন কৰিছে সেইটো দলীয় আক্ৰোশৰ বশৱৰ্ত্তী। অধ্যক্ষ মহোদয়, এইদলে চৰকাৰৰ দলীয় সদস্যৰ সংখ্যাৰ প্ৰশ্ন উত্থাপন কৰিছে। মই আপোনাক নিশ্চয়কৈ

কব পাৰো যে অহা কালি বা পৰহিলৈ এই সংখ্যা বিধান সভাৰ মজিয়াত প্ৰমাণ হব। বিৰোধী পক্ষৰ সদস্য সকলেও ইয়াৰ এটা স্পষ্ট চিত্ৰ দেখিবলৈ পাব।

( সদনত গণ্ডগোল )

অধ্যক্ষ মহোদয়, অসমৰ নিচিনা বিচিত্ৰ জনগোষ্ঠীৰ মাজত নেপালী, কোচ কলিতা, বড়ো, কছাৰী আদি বিভিন্ন জনগোষ্ঠীৰ সমষ্টি। শ্ৰীমন্ত মাধৱ আৰু শংকৰদেৱৰ বৰগীত আৰু আজান ফকিৰৰ জিকিৰৰ মাজেদি অসমীয়া সংস্কৃতি বৰ্ত্তি আছে। সেই আজান ফকিৰৰে বংশধৰ শ্ৰীমতী আনোৱাৰা টাইমুৰ অসমৰ এগৰাকী প্ৰথম মহিলা মুখ্যমন্ত্ৰী।

অধ্যক্ষ মহোদয়, বিদেশী নাগৰিকৰ সমস্যা সমাধানৰ ক্ষেত্ৰত আজি আমাৰ চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই বুলি অভিযোগ কৰিছে। আন্দোলনকাৰী সকলে আমাৰ এই চৰকাৰক কোনো চৰকাৰ বুলি স্বীকৃতি দিয়া নাই। চৰকাৰৰ অস্তিত্ব স্বীকাৰ নকৰি চৰকাৰৰ পৰা দাবী কৰা আৰু তেওঁলোকৰ হৈ বিৰোধী পক্ষৰ সদস্য সকলে ওকালতি কৰিছে। মাননীয় সদস্য-সকলে এই ক্ষেত্ৰত ছাত্ৰসন্থা আৰু গণসংগ্ৰাম পৰিষদৰ পৰা লিখিত আনিব লাগিছিল যে আনোৱাৰা টাইমুৰ চৰকাৰক স্বীকৃতি দি সমস্যা সমাধান কৰক। যোৱা অক্টোবৰ-নবেম্বৰ মাহত যেতিয়া আমি চহৰ এৰি গাওঁত আশ্ৰয় লৈছিলো আমাৰ বিৰোধী পক্ষৰ বহুতো সদস্যইও ঘৰবাৰী এৰি গাওঁত আশ্ৰয় লৈছিল। সেই সময়ত তেওঁলোকে মাত্ৰ এটা কথাই কৈছিল যে শদিয়াৰ পৰা ধুবুৰীলৈকে দুস্কৃতিকাৰী সকলে সমাজ বিৰোধী কাম কৰি আছে। আমি ভালদৰে জানো বিৰোধী পক্ষত গান্ধীবাদী নেতা কিছুমানো আছে। মহাত্মা গান্ধীৰ লগত তেওঁলোকে আন্দোলন কৰিছিল আৰু অনশনো কৰিছিল। যোৱা ডেৰ বছৰে অসমত

চলি থকা আন্দোলনৰ সম্পৰ্কত মাননীয় সদস্য অতুল গোস্বামী ডাঙৰীয়াই কৈছে যে এই আন্দোলনৰ ফলত মহাত্মা গান্ধীৰ আদৰ্শক হত্যা কৰা নাইনে ?

অধ্যক্ষ মহোদয়, বিদেশী নাগৰিকৰ সমস্যাৰ ক্ষেত্ৰত বৰ্ত্তমান চৰকাৰৰ দৃষ্টিভঙ্গী স্পষ্ট । অসমৰ এই বিদেশী সমস্যাৰ বিষয়ে কেন্দ্ৰীয় চৰকাৰে সৰ্বভাৰতীয় দৃষ্টিৰে বিচাৰ কৰিছে । ভাৰতৰ স্বাধীনতাৰ পিচত দেশ খনক দুভাগ কৰা হ'ল । আৰু এই দায়িত্বত কেৱল কংগ্ৰেছ চৰকাৰেই আছিল নে বিৰোধী পক্ষৰ সদস্য সকলো আছিল ?

বিদেশী নাগৰিকৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে আন্দোলনৰ নেতা শ্ৰীভৃগু ফুকনৰ লগত আলোচনা কৰি এটা সিদ্ধান্তলৈ আহিছিল । কিন্তু আমাৰ ৰাজনৈতিক নেতা কিছুমানে ইয়াৰ আৰত থাকি ডিকটেচন দি আন্দোলনটোক জটিল কৰি তুলিছে ।

অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰিব খোজো যে ১৯৫১-৬১ চনৰ ক্ষেত্ৰত আন্দোলনকাৰী আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত বুজা বুজি হৈছিল । মাত্ৰ প্ৰশ্ন হৈছিল ১৯৬১-৭১ চনৰ মানুহ খিনিক লৈ । তেওঁলোকৰ মাজৰ যিবিলাক অবৈধভাৱে আছিল তেওঁলোকক ভোটাৰ লিষ্টৰ পৰা নাম কাটি দিব লাগে । কিন্তু এইবিলাক বুজা বুজি হবৰ সময়ত ৰাজনৈতিক দলৰ মানুহ কিছুমানে বিমান যোগে অহৰহ দিল্লীলৈ অহাযোৱা কৰিছিল । আৰু আলোচনা ব্যৰ্থ কৰিছিল ।

অধ্যক্ষ মহোদয়, আমাৰ ল'ৰাখিনিক আতৰাই অনা হ'ল আৰু তেওঁলোকে শেষত গৈ স্কুল কলেজৰ দুৱাৰ মুকলি কৰি পৰীক্ষাত বহিল । আমাৰ হেমেন দাস ডাঙৰীয়াই কোৱাৰ দৰে এই ল'ৰা খিনিক লৈ বিৰোধী দলৰ নেতা সকলে ৰাজনীতি খেলিম বুলি ভাবিলে । মোৰ ভাবধাৰামতে ইয়াতকৈ আৰু ডাঙৰ মূৰ্খামী

আৰু একো হব নোৱাৰে। সাধাৰণ মণ্ডলৰ পৰা এচ, ডি, অ, হৈ কমিচনাৰ হ'ল, তাৰ পিচত কৰলৈ ধৰিলে যে দেশত লাখ লাখ বিদেশী আছে। সাধাৰণ কনিষ্টবলৰ পৰা এচ, পি, হৈ কৰলৈ ধৰিলে যে দেশত লাখ লাখ বিদেশী আছে। মোৰ প্ৰশ্ন হয় কমিশ্যনাৰ হৈ থাকোতে, এচ, পি, হৈ থাকোতে কলৈ গৈছিলা ? এই দৰে নিজৰ লৰাক, বোৱাৰীক বিভ্ৰান্ত কৰি হত্যা কৰিছে।

আজি ইন্দিৰা গান্ধীৰ কি যুক্তি আছিল যে চি, আৰ, পি নিযুক্তি দিব ? যদি চাউলখোৱাত, মাৰ্ঘেৰিতাত তেনে ধৰণৰ ঘটনা নঘটিলহেতেন তেন্তে কোনো যুক্তিৰ বাবে ইন্দিৰা গান্ধীয়ে চি, আৰ, পি, দিব নোৱাৰিলেহেতেন। মোৰ এটা প্ৰশ্ন জনতা চৰকাৰৰ দিনত কোনে যোগান বিভাগ ছাত্ৰ ইউনিয়নক চলাবলৈ দায়িত্ব দিছিল ? আজি আছু আৰু আমচু কাৰ সৃষ্টি ? মই কওঁ যি সকলে আন্দোলন কৰিছে তেওঁলোকৰ সৃষ্টি।

অধ্যক্ষ মহোদয়, ইন্দিৰা কংগ্ৰেছৰ সদস্য সংখ্যা আঠজন আছিল বুলি কোৱা হৈছে। জনতা দল আৰু অসম জনতা দলৰ অন্যায় কাৰ্য্যৰ প্ৰতিবাদ কৰি আমি ওলাই আহিবলৈ বাধ্য হলো। জনতা পাৰ্টিয়ে নিজৰ কবৰ নিজেই খান্দিলে। অধ্যক্ষ মহোদয়, ভাৰতৰ কোনো ৰাজনৈতিক দলৰ সদস্য সংখ্যা বা নিৰাপট্টা স্থায়ী বুলি ধৰি লব নোৱাৰি। একমাত্ৰ ইন্দিৰা গান্ধীৰ দলেই আজি ভাৰতৰ সৰ্বশ্ৰেষ্ঠ দল বুলি জনগনে প্ৰতিষ্ঠা কৰিছে।

( এই কথা শুনাৰ পিচতে বিৰাট হাহাকাৰ আৰু গণ্ডগোল। )

আজিৰ এই গণ্ডগোলীয়া পৰিস্থিতিৰ মাজত আনোৱাৰা টাইমুৰৰ চৰকাৰে যি সাহসেৰে দায়িত্ব পালন কৰিছে তাক লৈ অসমৰ মানুহে গৌৰৱ কৰিব পাৰে।

( ধ্বনি-অসমৰ দূভাৰ্গ্য। )

গোলাপ বৰবৰাই ডেৰ বছৰ দায়িত্ব লৈ পদত্যাগ কৰিব লগা হ'ল কিয় ? ই জনতা দলৰ দুৰ্ভাগ্য যে সুবিধা পোৱাৰ পিচতো গোলাপ বৰবৰাৰ গাদী টিকিব নোৱাৰিলে। ইয়াৰ পিচত যদি কোনো মহামাৰী নাহে তেন্তে আনোৱাৰা টাইমুৰৰ আমোলত অসমৰ পৰিবেশ শান্ত হৈয়ে ৰব। ইয়াৰ পিচত যদি কোনোবাই আন্দোলন কৰে, ১৪৪ ধাৰা ভঙ্গ কৰে, নাইবা কাৰফিউ ভঙ্গ কৰে তেন্তে তাক কোনো প্ৰকাৰে সহ্য কৰা নহ'ব।

**শ্ৰীপ্ৰেমধৰ বৰা :** আজি বিধান সভা বহা পাচঁ দিন হ'ল, তথাপি আমাৰ গৃহ মন্ত্ৰীয়ে সদনত এৰো বিবৃতি দিব নোৱাৰিলে।

**শ্ৰীএম ইব্ৰাহিম আলি :** অহা কালিলৈ মাননীয় গৃহ মন্ত্ৰীয়ে বিবৃতি দিব, গতিকে তাৰ পিচত তেখেতে কব। অধ্যক্ষ মহোদয়, অতুল গোস্বামী দেৱে কৈছে বৰ্ত্তমান চৰকাৰৰ এশ দিনৰ ভিতৰত সাত শ লোকক বদলি কৰা হৈছে, শ্ৰীহেমেন দাসে কৈছে আই কংগ্ৰেছে দোষী বিষয়াক যথোপযুক্ত শাস্তি দিব পৰা নাই। দোষী বিষয়া সকলক পদচ্যুত কৰি তেওঁলোকৰ পৰিয়ালক মাৰি পেলোৱাতকৈ নৰম শাস্তি দিয়া হৈছে। যাতে তেওঁ কামৰ পৰা বিৰত ৰাখিব পৰা হয়। তাৰোপৰি আজি ইন্দ্ৰিৰা কংগ্ৰেছ চৰকাৰৰ অসমত এশ দিন হ'ল। এই এশ দিনৰ ভিতৰত যিবিলাক অভিযোগ অনা হৈছে সেইবিলাকৰ বেছি ভাগেই ব্যক্তিকেন্দ্ৰিক। বিৰোধী পক্ষই অনাস্থা প্ৰস্তাৱ আনিছে তাতকৈ যদি ব্যক্তিগত মন্ত্ৰীৰ বিৰুদ্ধে চেনচৰৰ প্ৰস্তাৱ আনিলেহেঁতেন তেন্তে ভাল হ'লহেঁতেন। তেওঁলোকে ভাবে যে অসমত ইন্দিৰা গান্ধীৰ চৰকাৰ থাকিব নোৱাৰে। আমাৰ দুজন সদস্য, আব্দুল কায়েম চৌধুৰী আৰু কাজি কুটবুদ্দিনক আমাৰ বিধান সভাৰ চৌহদৰ পৰা পলুৱাই নিয়া কাৰ্য্যত লিপ্ত কোন ?

( সদনত বিভিন্ন সদস্যৰ চিঞঁৰ-বাখৰ হয় )

**Mr. SPEAKER :** Mr. Kakati, hear me, I request the

Hon'ble Members not to speak anything which is against the rule. These 2 ( two ) Members, they came personally and handed over their papers to me. They joined earlier and after that they left or where they have gone, I do-not know.

শ্ৰীএম ইব্ৰাহিম আলি : আজি এশ দিনৰ ওপৰ হোৱা চৰকাৰৰ বিৰুদ্ধে বিৰোধী পক্ষই যি অনাস্থা প্ৰস্তাৱ আনিছে মই আশা ৰাখিছো গোটেই বিলাক কথা চালি জাৰি চাই আৰু কিছুদিন কাম কৰিবলৈ দিবৰ বাবে অনাস্থা প্ৰস্তাৱ তুলি লব।

শ্ৰীঅজয় দত্ত : অধ্যক্ষ মহোদয়, আজি এই চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিবলগা হোৱাটো বৰ দুখৰ কথা। কাৰণ এইটো চৰকাৰেই নহয়। সাংবিধানিক সংকট দূৰ কৰাব কোনো উপায় নাছিল আৰু সেই কাৰণেই ৰাতিৰ ভিতৰতে এটা চৰকাৰ গঠন হল। প্ৰথম দিনৰ পৰা যি ধৰণে চৰকাৰটো চলি আছে সেই বিষয়ে অলপ আগতে শ্ৰীবৰবৰা ডাঙৰীয়াই কৈছে যে শপত সভা হল কোনেও গম নাপালে। অধ্যক্ষ মহোদয়ে খবৰ নাপালে, আনকি কংগ্ৰেছ (আই)ৰ নেতৃবৃন্দই খবৰ নাপালে। মন্ত্ৰী সভা গঠন হোৱাৰ ৫ দিন পাচতো দপ্তৰ বন্টন নহল। বাতৰি কাকতত খবৰ ওলাল কেবিনেট ৰুমত স্পিচিয়েল মিটিং হৈছে তাত এজন চেনচিবল মন্ত্ৰী, মুখ্যমন্ত্ৰী আৰু দুজন চৰকাৰী বিষয়া উপস্থিত আছিল। তাৰে এজন বোধকৰো মুখ্যমন্ত্ৰীৰ আত্মীয় লোক আছিল আৰু এজন মই জনাত দুনীতিৰ কাৰণে চাচপেণ্ড হৈ থকা বিষয়া আছিল। গতিকে এই চৰকাৰটো কেনেকৈ কাৰ দ্বাৰা পৰিচালিত হৈছে? অসমত যি আন্দোলন গঢ়ি উঠিছিল তাত বহুত ঘটনা ঘটি গৈছে। ব্ৰহ্মপুত্ৰৰ পানী যেনেকৈ বৈ গৈছে ঠিক তেনেকৈ বহুতৰ তেজ বৈ গৈছে। বহুত মানুহৰ ঘৰ জ্বলিল। দাস ডাঙৰীয়াই এই বিষয়ত বহু কথাই কৈছে আৰু শ্ৰীচৌহানেও এটা বৰ ডাঙৰ

কথা কৈছে। এই চৰকাৰ প্ৰতিষ্ঠা হল, শান্তি প্ৰতিষ্ঠা হল। তেনেহলে এই অশান্তিৰ কাৰণে দায়ী কোন ? এই অশান্তি কোনে কৰিছিল ? কাৰ উচটনিত হৈছিল ? সেই অশান্তি চলা সময়ত দিল্লীত ইন্দিৰা গান্ধী ক্ষমতাত আছিল তেখেতসকলে কিয় শান্তি প্ৰতিষ্ঠা কৰিব পৰা নাছিলে ?

( গণ্ডগোল )

তেখেতসকলৰ পুলিচ আছে, ক্ষমতা আছে। আজি সংখ্যালঘুৰ কথা শুনিছো। বহুতে চকু পানী টুকিছে। অসমত এক গভীৰ ষড়যন্ত্ৰ হৈছিল, ইয়াক কোনে কৰিছিল ? সংখ্যালঘুৰ নামত, ধৰ্ম্ম, ভাষাৰ নামত এটা চক্ৰান্তকাৰী দলে প্ৰধান সোতৰ পৰা জনগণক দূৰত নিয়াৰ চেষ্টা চলাইছে। দলীয় স্বাৰ্থৰ খাতিৰত দিল্লীত চি আৰ, পি, চি, আৰু আমচুৰ সৃষ্টি হৈছে। আছুৰ বিষয়ে কবলৈ নাযাওঁ। হত্যাকাৰী সদায় হত্যাকাৰী। পকেটমাৰৰ কোনো জাত নাই। হত্যা কৰাটো পাপ। মোৰ ঘৰৰ আগত ২৪ নবেম্বৰৰ পৰা ২৭ নবেম্বৰলৈ বহুত ঘটনা ঘটি গৈছে। ২৫-৩০ জন কলেজীয়া ছাত্ৰ নহয়, দোকান লুট কৰিছে মানুহক পিটিছে। তাৰ পিচত কটন কলেজত ঘটনা হৈছে। পুলিচ, চি-আৰ-পি আছে। ইয়াত ৰাষ্ট্ৰপতিৰ নামত কাৰ শাসন চলিছিল ? পুলিচে কোনো ব্যৱস্থা লোৱা নাই। চকুৰ আগত ডেকা লৰা দ্বিজেন চন্দ্ৰক ষ্টেব কৰিছে, নলাৰ পানী খুৱাই মৰা হৈছে। ঘৰত জুই জলাই দিয়া হৈছে তথাপি কোনো ব্যৱস্থা লোৱা নাই। অসমত আজিলৈকে যি বিলাক বিভ্ৰান্তিকৰ, বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হল তাৰ বাবে দায়ী ইন্দিৰা গোষ্ঠী, ব্যৱসায়ীক গোষ্ঠী আৰু এচাম আই, পি, এচ অফিচাৰ আৰু লাভবানও হৈছে। এই বিশৃঙ্খলাজনিত পৰিস্থিতিৰ কাৰণে দুটা গোষ্ঠী—এটা ইন্দিৰা (কং) আৰু এটা হল সেই পুঁজিপতি ব্যবসায়ী গোষ্ঠীটো। অসম আন্দোলনত বিভিন্ন ঘটনা হল। বিদেশীৰ পৰা বহিৰাগত আৰু তাৰ পিচত ভাষা ধৰ্ম্মৰ বিৰুদ্ধে

গল। নলবাৰী অঞ্চলৰ পোলাকাঠীত তথাকথিত এটা বঙালী পৰিয়ালৰ এজন বাপেকৰ তিনিজন লৰা হেৰাল। তেওঁ বোপাই বোপাই বুলি কান্দিছে। এইজন মানুহক আপুনি কেতিয়াও অনাসমীয়া বুলি কব পাৰিবনে? মুকালমুৱাত, চাউলখোৱাত বিভেদৰ বীজ ঘৃণনীয় ভাবে চক্ৰান্তকাৰীয়ে কাৰ্য্যকৰী কৰিলে। আজি সকলো ক্ষেত্ৰত ভেদনীতি প্ৰয়োগ কৰা হৈছে। আজি যি কেইজনে শাসক দলৰ ছায়াৰ তলত আশ্ৰয় লৈছে সেই সকলে নিজ দলত থাকি অন্যায়ৰ প্ৰতিবাদ কৰিব লাগিছিল। এই অশান্তি সৃষ্টিৰ চক্ৰান্ত কংগ্ৰেছ (আই)ৰ নাছিলনে? এই চৰকাৰ প্ৰতিষ্ঠা হোৱাত মন্ত্ৰী সকলৰ নিবনুৱা সমস্যা সমাধান হৈছে। শ্ৰীমতী গান্ধীয়ে ব্ৰাঞ্চ অফিচ খোলাত চাকৰি পাইছে কেইজনমান দলত্যাগী বিধায়কে কিন্তু মোৰ প্ৰশ্ন হল ভেদ নীতিৰ দ্বাৰা কোনো কাম চলিব নোৱাৰে। বৰ্তমানৰ এজন মন্ত্ৰী প্ৰথমতে জনতা, পিচত ধৰ্ম্মনিৰপেক্ষ, তাৰ পিছত লোকদল হল। এতিয়া কংগ্ৰেছ (আই) হল। জনতা চৰকাৰে বন্টন ব্যৱস্থা ৰাষ্ট্ৰীয়কৰণ কৰিছিল। তাক ধুলিস্যাৎ কৰি এম, এল, এ কিনাৰ কাৰণে ৰেপচীদৰ ব্যৱসায় বাগৰি, গুৱাহাটী ফ্লুৰমিল, শিৱসাগৰ ফ্লুৰমিলক দিলে। আৰু এটা ডাঙৰ কোটা মালচান্দ মতিলাল গ্ৰুপক দিয়া হ'ল যি বিশেষ গোষ্ঠীৰ কথা আক্ৰাম হুচেইন ডাঙৰীয়াই বহুবাৰ কৈ আছিল। এই মন্ত্ৰী কলিকতা গেষ্ট হাউচত থাকোতে এই ধৰনৰ কোটা বিতৰণ কৰিবলৈ পালে। আজি অসমৰ বন্টন ব্যৱস্থা ভাঙি পেলোৱা হৈছে।

নিমখৰ কাৰবাৰ ষ্টেটফেডলৈ জনতা চৰকাৰেই আনিলে। কিন্তু এই বিশেষ মন্ত্ৰীয়ে এই ব্যৱসায়ী গোষ্ঠীক নিমখৰ ব্যৱসায়ত তুলি দিলে। অধ্যক্ষ মহোদয়, কালি, পৰহি যিটো বোমা বিস্ফোৰণ হৈছিল হোষ্টেলৰ ভিতৰত তাৰ একো সমাধান আজিলৈকে হোৱা নাই। কিন্তু ইয়াৰ ফলত দেখা গ'ল মাত্ৰ হোষ্টেল চুপাৰিনটেনদেণ্ট শ্ৰীকমলা গোস্বামীক তাৰ পৰা বদলি কৰি দিয়া

হ'ল। কিন্তু যি দুজন বিশেষ বিষয়াৰ বিৰুদ্ধে ব্যৱস্থাৰ অভিযোগ অনা হল তেখেতসকলৰ বিৰুদ্ধে ব্যৱস্থা লোৱা নহল। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে জাতিৰ নামত, ধৰ্ম্মৰ নামত এটা কলংক আনিছে। অধ্যক্ষ মহোদয়, আমি জনসাধাৰণৰ প্ৰতিনিধি হিচাবে ইয়ালৈ নিৰ্ব্বাচিত হৈ আহিছো ৰাইজৰ কাম কৰিবৰ কাৰণে। আকৌ পুনৰ আমি ঘূৰি যাব লাগিব জনসাধাৰণৰ মাজলৈ। প্ৰয়োজন হলে তাৰ কাৰণেও আমি প্ৰস্তুত আছো। কিন্তু এই অবৈধ চৰকাৰ এদিনো চলিব নোৱাৰে।

অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীঅতুল চন্দ্ৰ গোস্বামী ডাঙৰীয়াই শ্ৰীমতী আনোৱাৰা টাইমুৰৰ চৰকাৰৰ ওপৰত যিটো অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে সেইটো সকলো দলৰ সদস্যাই সমৰ্থন কৰিব বুলি বিশ্বাস ৰাখি মোৰ বক্তব্য সামৰণি মাৰিলো।

Shri Md. UMARUDDIN : Mr. Speaker, Sir, the gravamen of charges which have been advanced in favour of the No-Confidence' motion against the Government may be placed under two broad categories. The first charge is that this Government has not got the required majority and that it is a minority Government and so it has no right to remain in power under the Constitution. In a democracy a party which seeks to assume power should have the required majority in the House. Their contention is that this party does not have the required majority and therefore it is a minority Government.

The next charge covers a number of allegations against the administration and against specific Ministers.

Now so far as the first charge is concerned, it is true that it is a minority Government. If we take 121 as the effective number of Members in the House then 41 falls far short of the required majority. But I should like to relate here the special circumstances under which this Government came to power. Sir, you know that in a State like Kerala which is a very advanced State and a well-administered State there is a tradition to have a coalition Government because there no single political party could secure absolute majority and assume power. In any case it depends on the members of the Legislature of different groups and different ideologies to come together on the basis of certain common programmes to run the administration so as to give service to the people. Why are we here? We have come here on the votes of the people. The people have sent us to the Assembly through different political parties to run the administration and give whatever service possible to the people. But if we cannot combine to run the administration then in that case we will fail in our duty. This duty has been reposed on us by the people. Now Sir, in 1978 at the last General Elections to the Assembly the Janata Party came to power. They also could not secure the absolute majority but they were the single largest party and they could master required strength from different political parties and had the majority to run the Government. They had the right to run the Government. But somehow or other the whole thing changed

and the Government fell through. Then another Government came and it also fell through. After that what happened during the last one year? A vacuum was created and people suffered. Now, suppose we do not have the majority and the Ministry goes, what will happen? Again a vacuum will be created. Should we allow the vacuum to continue and allow the situation to drift? Should we watch the situation and sit tight and allow the people to suffer? What happened during the last one year? There was agitation and complete chaos prevailed in the State and the people's sufferings were immense. As a result of the agitation the very foundation of the State was shaken to its very foundation, and many hon. members have narrated many unhappy incidents. We could not come together and give the people a stable Government and put a stop to the disturbances which were rageus all over the State resulting in loss of lives, loot and arson. Because of the agitation many of the activities of the State came to a halt and the agitation cost about Rs.1600 crores to the State directly and indirectly. As a result of the agitation common people suffered and they were still suffering. There was shortage of essential commodities. There was no Kerosene in the market, the price of sugar rose to Rs. 10/-per K. G, and there was no diesel to run pumping sets in the field. There was blockade on jute, oil and plywood. I can understand the blockade on oil and plywood but I do not understand why there should be blockade on jute, an agricultural produce produced by hundreds or thousands of our poor cultivators.

Normally about 50 lakh mounds of jute are produced in Assam and the support price of jute is Rs 160/- per quintal or Rs.60/- to Rs.65/- per mound for certain standard quality of jute. But during the agitation days the price of jute came down to Rs.40/- per mound. I myself have visited several markets and found the ptiable condition of our growers. They were saying 'we are finished ', 'we are dying'. There were no buyers in the market and I do not know whether it was a deliberate attempt on the part of the buyers to deprive our cultivators of the legitimate price for jute. As a result of this our poor cultivators suffered to the tune of Rs. 10 crores or so.

Sir, not only that. The emotional integration of Assam among the different communities was badly disturbed and it disturbed the human relations. I consider it as the greatest harm caused by the agitation Therefore, in a situation like this should we sit tight and allow the situation to drift and watch the sufferings of our people ? Therefore Sir, in a situation like this if any party can muster enough strength to assume power and run the administration then; I personally think that, that party should be allowed to run the administration to give service to the people. If the other party can throw this Government out they are at liberty to do so because they have the right to do so. But I personally feel that this Government should be allowed to continue. The Opposition can throw the Government out but they will have to think whether they are in a position to form an alternative Government. In this they have a

moral obligation and they cannot avoid this obligation. I would therefore appeal to the mover of the motion to ponder whether they are in a position to form an alternative Government. If you dislodge this Government, which you can do, you will have to think about the alterna tive also because your move should not be destructive, it should be constructive. If we quarrel here, our common people will suffer.

Now, So far as the other charges are concerned, it is very unfortunate that during this 100 days of this Govt, grounds were created by the Ministers for criticism. I am very sorry for it. I hope the individual Ministers will explain their position. I would only say that in a critical juncture like this the hon. Ministers should extend co-operation in running the Government, and the hon. Members, whatever party or ideology they may belong to, will co-operate with the Government so that the prevailing normalcy in the State is not disturbed. If the normalcy is disturbed again, we do not know where we will go. Therefore, Sir, I would appeal to the hon. Members of this House to see that their move is not destructive but it is constructive. Afterall, we are here to serve our people. The Opposition can dislodge this Government but they will have to look to the interest of the people. If we fail in our duty, we shall be betraying the trust of the people have reposed on us. It may be within their power to throw out this Govt. But I

personally feel that in the present circumstances this Government should be allowed to function,

Thank you, Sir.

শ্ৰীগান্ধীৰাম টিমুং ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই সদনত বৰ্ত্তমান চৰকাৰৰ বিৰুদ্ধে যি অনাস্থা প্ৰস্তাৱ আমাৰ মাননীয় সদস্য গোস্বামী ডাঙৰীয়াই আগবঢ়াইছে এই প্ৰস্তাৱটো সমৰ্থন কৰি মই দুৱাষাৰমান কব খুজিছোঁ। আমাৰ ভাৰতবৰ্ষত প্ৰথম বাৰৰ কাৰণে জনতা চৰকাৰ গঠন হোৱাৰ পিছত, জনতা চৰকাৰ পতন হ'ল হয়তো কিবা কাৰণত। তাৰ পিছত আকৌ আহিল কংগ্ৰেছ চৰকাৰ অৰ্থাৎ ইন্দিৰা চৰকাৰ। এই ইন্দিৰা চৰকাৰ গঠন হোৱাৰ পিছত ভাৰত তথা অসমতো এই চৰকাৰ গঠন হ'ল। এই চৰকাৰ গঠন হোৱাৰ লগে লগে যিবোৰ সমস্যাৰ উদ্ভৱ হৈছে বা যিবোৰ সমস্যাই আমাৰ অসমবাসী অৰ্থাৎ সংখ্যাগৰিষ্ঠ শ্ৰেণীয়েই হওক বা সংখ্যালঘুৰেই হওক, যিবিলাক সমস্যা আছে সেই সমস্যা সমাধান কৰাৰ কথাটো বাদেই তেওঁলোকে সমস্যাবোৰনো কি তাৰেই সুবিদিত নহয়। মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সদনত মাননীয় সদস্য সকলে বিভিন্ন বক্তব্যৰ যোগেদি বিভিন্ন সমস্যাৰ কথা বা অসমৰ বিভিন্ন অঞ্চলত বিভিন্ন ধৰণৰ সমস্যা উদ্ভৱ হোৱাৰ কথা ডাঙি ধৰিছে। এই পৰিপ্ৰেক্ষিততে মইও কেইআষাৰ মান কব খুজিছোঁ। বিশেষকৈ আমাৰ পাহাৰীয়া এলেকাৰ কিছুমান সমস্যাৰ কথা কব খুজিছোঁ। আজি আমাৰ সমস্যা বহুতো। সচা কথা কবলৈ গলে আজি কেইবছৰমানৰ আগলৈকে আমাৰ অসমখন এখন বৃহৎ অসম আছিল। কিন্তু আজি আমাৰ বৃহৎ অসম ক্ষুদ্ৰ অসমত পৰিণত হ'ল অৰ্থাৎ মেঘালয়, অৰুণাচল আৰু নগালেণ্ড সৃষ্টি কৰাত আমাৰ বৃহৎ অসম ক্ষুদ্ৰ অসমত পৰিণত হ'ল। তথাপি এই ক্ষুদ্ৰ অসমৰ মাজতে থাকি আমাৰ সংখ্যালঘু জনজাতিয় শ্ৰেণীৰ বিশেষকৈ পাহাৰী জনজাতি সমূহৰ কথা লক্ষ্য কৰিব লাগিব

এইকাৰণেই যে আমি সংখ্যালঘু পাহাৰীয়া জনজাতি ভাই-ভনী সকলক মৰমৰ চকুৰে যদি নেচাওঁ বা তেওঁলোকক নিজৰ বুকুলৈ টানি আনিবলৈ চেষ্টা নকৰো, তেতিয়া তেওঁলোকে হয়তো এদিন অসমৰ বুকুৰ পৰা ফালৰি কাটি যাবলৈ বাধ্য হ'ব পাৰে। আপোনালোকে নিশ্চয় জানে যে আমাৰ অসমত মাত্ৰ দুখন পাহাৰীয়া জিলা আছে। এখন কাৰ্বি আংলং আৰু আনখন উত্তৰ কাছাৰ জিলা। এই জিলা দুখন আগতে স্বায়ত্ব শাসিত জিলা হিচাবে আছিল। কিন্তু তাৰ একজিকিউটিভ কাউন্সিলৰ মাজত কিবা খেলিমেলি লগাৰ কাৰণে তাৰ সকলো দায়িত্ব বৰ্ত্তমান আমাৰ চৰকাৰে লৈছে। গতিকে এই কথাটো কিমান দূৰ সমীচিন হৈছে সদস্য সকলে নিশ্চয় বুজিব পাৰিছে। এই জিলা কেইখনৰ কাৰণে বৰ্ত্তমান চৰকাৰে যিবিলাক উন্নয়ণমূলক আঁচনি তৈয়াৰ কৰিছে, এই আঁচনি মতে বিভিন্ন শিতানত অসম চৰকাৰে যিখিনি টকা দিয়া হৈছে, সেইখিনিৰ ব্যৱহাৰ প্ৰকৃততে হৈছে নে নাই তাক লক্ষ্য কৰাৰ দায়িত্ব অসম চৰকাৰৰ ওপ-ৰতে আছে। তাৰোপৰি, এই ৰাজ্যৰ যি বিলাক উন্নয়ণমূলক কামৰ আঁচনি তৈয়াৰ কৰা হৈছে, সেই আঁচনিবোৰ কাৰ্য্যকৰী প্ৰকৃততে হৈছে নে নাই তাকো অসম চৰকাৰে দৃষ্টিগোচৰ কৰিব লাগে। কিন্তু এটা কথা আমি দেখিবলৈ পাইছো যে কিছুমান উন্নয়ণ-মূলক কাম জনতা চৰকাৰৰ দিনত অতি কম সময়ৰ ভিতৰতে হ'ল। উত্তৰ কাছাৰ জিলাত ডেৰ বছৰৰ ভিতৰতে ৰোড কনষ্ট্ৰাকচনৰ কাম জনতা চৰকাৰৰ দিনত যিমানখিনি আগ বাঢ়িছিল, বৰ্ত্তমান চৰকাৰৰ দিনত এই ক্ষেত্ৰত মন্থৰ গতি দেখিবলৈ পাইছো। আমি এইটো কাৰণেই কৈছো যে বিশেষকৈ এডুকেচন বা ইণ্ডাষ্ট্ৰী আদিৰ ক্ষেত্ৰত একো উন্নতি পৰিলক্ষিত হোৱা নাই। তাৰোপৰি, পাহাৰীয়া জিলা কেইখনৰ ৰক্ষনা-বেক্ষণৰ ক্ষেত্ৰত কোনো কাম কৰা দেখা নাই। আপোনালোকে জানে যে পাহাৰীয়া জিলা কেইখনৰ পপুলেচন প্ৰায় চাৰি লাখ হ'ব। তাৰে প্ৰায় ১ লাখ, ৭০ হেজাৰহে কাৰ্বি আংলঙৰ পপুলেচন হ'ব। গতিকে এই

-খিনি জনসংখ্যাৰ ৰক্ষনা-বেক্ষণৰ কাৰণে চাব লাগিব বৰ্ত্তমান চৰকাৰেই। আমি শুনিবলৈ পাইছিলো যে কাৰ্বি আংলঙৰ জন-সাধাৰণৰ শিক্ষাৰ কাৰণে এখন চাৰ্কোলাৰ আজি দুবছৰৰ আগতে দিয়া হৈছিল। কিন্তু আজিলৈকে তাৰ সুব্যৱস্থা কৰা ন'হল। গতিকে উপাধ্যক্ষ মহোদয়ৰ যোগেদি বৰ্ত্তমান চৰকাৰৰ দৃষ্টি-গোচৰ কৰিলো যাতে ইয়াক সোনকালে কাৰ্য্যকৰী কৰা হয়। বিশেষকৈ কাৰ্বি আংলঙৰ শিক্ষাৰ শিতানত বা অন্যান্য শিতানত যি খিনি টকা–পইচা বাজেটত ধৰা হৈছে সেইখিনি বিশেষকৈ শিক্ষা বিভাগত কেনেকৈ ব্যৱহাৰ কৰা হৈছে তাৰ বিষয়ে দৃষ্টিগোচৰ কৰিব লাগে। কাৰ্বি আংলঙত মাত্ৰ কেইখনমান স্কুল আছে, এল, পি, স্কুল আছে কেইখনমান। মই হাইস্কুল পৰ্য্যায়ৰ কথা কব বিচাৰিছোঁ। ইয়াত মাত্ৰ দুখন হাইস্কুল আছে, এখন বয়জ আৰু আনখন গাৰ্লচ স্কুল। বাকী স্কুল হয়তো ১০-১২ খন মান আছে। এই স্কুল কেইখনৰ কাৰনে দুজন ইন্সপেক্টৰ আছে আৰু তেওঁ-লোকে আজি ছয় বছৰমানৰ পৰা ইয়াত আছে। তাৰে এজন ইন্সপেক্টৰে বহুদিনৰ পৰা দুৰ্নীতিত লিপ্ত হৈ আছে আৰু ৰাইজে সেই দুৰ্নীতিপৰায়ণ ইন্সপেক্টৰজনক বদলি কৰিবৰ কাৰণে বহুদিনৰ পৰা আবেদন জনাই আছে। কিন্তু আজিলৈকে তাৰ কোনো সহাৰি চৰকাৰৰ ফালৰ পৰা পোৱা নাই।

কাৰ্বি আংলং জিলাত কেইবাখনো হাইস্কুল আছে আৰু কেইবাশও প্ৰাইমাৰী স্কুল আছে। কাৰ্বি আংলং গোটেই জিলাতে মাত্ৰ দুখনহে চৰকাৰী হাইস্কুল আছে। কিন্তু আচৰিত কথা যে ইমান বিলাক স্কুলৰ কাৰণে মাত্ৰ এজনহে পৰিদৰ্শক আছে। আজি ৬ বছৰৰ আগৰে পৰাই তেখেত তাত আছে। তেখেতে যিমানবিলাক দুৰ্নীতি কৰি আছে সেইবিলাক দুৰ্নীতিৰ কাৰণেই তেখেতক তাৰ পৰা বদলি কৰিবলৈ কৈ থকা হৈছে যদিও আজিলৈকে তেখেতক তাৰ পৰা বদলি কৰা দূৰৰ কথা এই চৰকাৰে তেখেতক তাতে ৰাখি দুৰ্নীতি কৰিবলৈ উৎসাহ দানহে

কৰি আহিছে। আমি অনুসন্ধান কৰি পাইছো যে এই বিষয়া জনৰ বিৰুদ্ধে বহুত বিলাক কমপ্লেইন আছে। প্ৰত্যেক স্কুলকে বছেৰেকীয়া যি অনুদান দিয়া হয়, সেই অনুদান পাবলৈ হলে তেখেতক পাৰচেণ্টেজ দিব লাগে। ইয়াৰ প্ৰমানপত্ৰ মোৰ হাতত আছে। মাননীয় বিত্তমন্ত্ৰী ডিফুলৈ যাওতে এই বিষয়া জন বদলি কৰিব লাগে বুলি কৈছিলো। এই চৰকাৰক মই কওঁ এই বিষয়া জনক তাত ৰখা মানে গোটেই জিলাখনকে মাহীআইৰ মৰমেৰে চোৱা। গতিকে মই এই খিনিকে কৈ কৰ্তণ প্ৰস্তাৱটোৰ সমৰ্থন কৰিলো।

* শ্ৰীকালিৰাম ডেকাৰজা ঃ অধ্যক্ষ মহোদয়, মই আজি এই বিৰোধী পক্ষই যি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে এই প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কেইআষাৰ মান কবলৈ ঠিয় হৈছো। আজি এই ৬ ষ্ঠ বিধান সভা ৰাইজে বহুতো আশা কৰি ১৯৭৮ চনত আমাক প্ৰতিনিধি হিচাবে নিৰ্ব্বাচিত কৰিছিল। আৰু নিৰ্ব্বাচন হোৱাৰ পিচত ইয়াত এখন জনতা চৰকাৰ গঠন হৈছিল। কিন্তু আজি প্ৰশ্ন হৈছে বৰ্তমান যি চৰকাৰ আহিছে সেই চৰকাৰ সংখ্যাগৰিষ্ঠ চৰকাৰ হয়নে নহয়। নে সংখ্যালঘিষ্ঠ চৰকাৰ। কিন্তু মই দেখিবলৈ পাইছো আমাৰ ইয়াত তিনিখন চৰকাৰ গঠন হল। কিন্তু এই তিনিওখন চৰকাৰেই সংখ্যাগৰিষ্ঠ চৰকাৰ নহয়। জনতা চৰকাৰ যিখন হৈছিল তেওঁলোকৰ সদস্য সংখ্যা আছিল ৫৩ জন। তাৰ পিচত যি চৰকাৰ হল সেই চৰকাৰৰ সদস্য সংখ্যা হল মাত্ৰ ১৯ জন। আৰু বৰ্ত্তমান যি চৰকাৰ হৈছে তাৰ সদস্য সংখ্যা হৈছে ৪৮ জন। আগৰ চৰকাৰ আৰু বৰ্ত্তমান চৰকাৰৰ মাজত পাৰ্থক্য একো নাই। আগৰ চৰকাৰৰ যেনেকৈ সংখ্যাগৰিষ্ঠতা নাই বৰ্ত্তমান চৰকাৰৰো নাই। এই চৰকাৰক অকল দোষাৰোপ কৰি লাভ নাই। এই চৰকাৰক আজি বহুতো মাননীয় সদস্যই দোষাৰোপ কৰিছে আৰু ৰাইজৰ কোনো কাম কৰা নাই বুলি কৈছে। আৰু এই

* Speech not corrected.

চৰকাৰৰ দিনত দেশত অৰাজকতা চলিব বুলি ভয় খাইছে। আৰু কৈছে যে এই চৰকাৰ গাদীত থকাৰ কোনো নৈতিক অধিকাৰ নাই। এই চৰকাৰ গঠন কৰাৰ কাৰণে কোনো দায়ী নহয়। ইয়াৰ বাবে দায়ী হৈছে সময়। অসমত কোনোদিনে কোৱালিচন চৰকাৰ হোৱা নাছিল, অসমত কোনোদিন ৰাষ্ট্ৰপতিৰ শাসন বলবৎ কৰা হোৱা নাছিল। অসমত কোনোদিনে সংখ্যালঘু চৰকাৰ হোৱা নাছিল। ইয়াৰ কাৰণ একমাত্ৰ দায়ী হৈছে সংগ্ৰাম। এই সংগ্ৰামেই কংগ্ৰেছ আই চৰকাৰক লৈ আহিছে। এতিয়া কৈছে যে এই চৰকাৰ ভাঙি দি এখন বিকল্প চৰকাৰ গঢ়িব লাগে। এই কথাত ময়ো একমত। কিন্তু কাক লৈ বিকল্প চৰকাৰ গঠন কৰিব। তেওঁলোকে আগতে যি চৰকাৰ কৰিছিল সময়ত সকলো ভাঙি গল। দল ভাঙি টুকুৰা টুকুৰ হল। ইয়াৰ পিচত কাক লৈ চৰকাৰ গঠন কৰিব ? অৱশ্যে 'সৰ্ব্ব দল 'ওলাইছে। এই 'সৰ্ব্বদল' টোনো কোন ? জনতা পাৰ্টিৰে টুকুৰা টুকুৰ হৈ যোৱা অংশ নহয়নে ? ৭টা দলৰ ভিতৰত ৫টা দলেই জনতা পাৰ্টিৰ অংশ। কাৰণ জনতা, অসম জনতা, বি, জে, পি ............

(ভইচঃ) আমি নহয়।

অধ্যক্ষ মহোদয়, মই কব বিছাৰিছো যে অসমত কংগ্ৰেছ আই দলৰ বাহিৰে বিকল্প চৰকাৰ হব নোৱাৰে। এখন যদি সুন্দৰ আয়নাত মুখখন চাই তেন্তে মুখখন সুন্দৰ দেখাব কিন্তু আয়নাৰ ভগা টুকুৰা কেইটামান লৈ মুখখন চালে সুন্দৰ দেখাতকৈ বিকৃতহে দেখাব। গতিকে এই চৰকাৰৰ বাহিৰে অন্য দলে বিকল্প চৰকাৰ গঠন কৰিব নোৱাৰে। মই ইয়াকে কৈ সামৰণি মাৰিলো।

শ্ৰীউমেশ দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, শ্ৰীমতী ছৈয়দা আনোৱাৰা টাইমুৰৰ নেতৃত্ব চৰকাৰৰ বিৰুদ্ধে মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই যি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছে এই অনাস্থা প্ৰস্তাৱৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন জনাই মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। লগতে আশা কৰিছো যে মাননীয় সদস্য সকলেও এই

অনাস্থা প্ৰস্তাৱৰ প্ৰতি সম্পূৰ্ণ সমৰ্থন আগবঢ়াব। শ্ৰীমতী আনোৱাৰা টাইমুৰ চৰকাৰৰ বিৰুদ্ধে ইতিমধ্যে কেইবাজনো মাননীয় সদস্যই প্ৰকাশ কৰিছে যে এই চৰকাৰ অসংবিধানিক, অগণতান্ত্ৰিক আৰু অসংগত ভাৱে এটা বিশেষ পৰিস্থিতিৰ সুযোগ লৈ অসমৰ ৰাইজৰ ওপৰত এই চৰকাৰ জাপি দিয়া হৈছে। এই চৰকাৰ অসংবিধানিক এই কাৰণেই যে অসম বিধান সভাত ১২১ জন সদস্যৰ ভিতৰত অন্ততঃ ৬১ জন সদস্য লাগে এখন চৰকাৰ গঠিত হবলৈ। কিন্তু অধ্যক্ষ মহোদয়, আপুনি ঘোষণা কৰা মতেই যিটো সদস্যৰ সংখ্যা প্ৰকাশ কৰিছে সেই মতে এই চৰকাৰৰ সদস্য মাত্ৰ ৪৮ জনহে। গতিকে নৈতিকতাৰ ফালৰ পৰা যদি চাও তেতিয়াহলে আমি ভাবো সংখ্যালঘিষ্ঠ চৰকাৰ এখন অসমৰ ৰাইজৰ ওপৰত জাপি দিছে, যি বিলাক সংবিধানিক ব্যৱস্থা মানিব লাগে সেইবিলাক মনা নাই। এই পৰিপ্ৰেক্ষিতত তেখেত সকলে নিজেই বিধান সভাৰ আগতেই পদত্যাগ কৰিব লাগিছিল।

অধ্যক্ষ মহোদয়, আপুনি জানে যে নিৰ্ব্বাচনৰ পিচত এই দলত সদস্যৰ সংখ্যা আছিল আঠ জনহে। এতিয়া এই ৮ জনৰ পৰা বিভিন্ন প্ৰলোভন আদিৰ ফলত বহুতে দল ত্যাগ কৰি আহে আৰু এতিয়া ইয়াৰ সংখ্যা ৪৮ জনলৈ বৰ্দ্ধিত হৈছে। গতিকে সংখ্যাৰ ফালৰ পৰা চালে দেখা যায় যে বিধান সভাত এতিয়াও ৭৪ জন সদস্য দলত্যাগ নকৰাকৈ আছে। আৰু তেওঁলোকে সৰ্ব্বসাধাৰণ ৰাইজৰ নিৰ্ব্বাচনৰ সময়ত যি মেনডেট প্ৰকাশ কৰিছিল সেই মেনডেট ৰক্ষা কৰি আছে। সংখ্যালঘু চৰকাৰ এটাই কাৰ্য্য-কলাপ চলাই থকাটো নৈতিকতাবিহীন। বিশেষকৈ অসমৰ ওপৰত এই সংখ্যালঘু চৰকাৰ এটা গঠন কৰাটো গণতন্ত্ৰক হত্যা কৰাৰ চৰম নিদৰ্শন মাত্ৰ। অধ্যক্ষ মহোদয়, সেই ফালৰ পৰা এই চৰকাৰ অ-গণতান্ত্ৰিক। অসাংবিধানিক চৰকাৰ এখন ইয়াত থকাৰ কোনো অধিকাৰ নাই। সেই কাৰ-

নেই আজি অনাস্থা প্ৰস্তাৱ উৎথাপন কৰা হৈছে। এই অনাস্থা প্ৰস্তাৱৰ মই পূৰ্ণ সমৰ্থন দিছোঁ।

তাৰ পিচত এশ দিন পাৰ হৈ যোৱা এই চৰকাৰৰ কাৰ্য্য-কলাপ লক্ষ্য কৰিলে দেখিবলৈ পাওঁ যে এখন গণতান্ত্ৰিক দেশত এখন চৰকাৰ গঠন হোৱাৰ পিচত ৰাইজে কিছু মঙ্গলজনক কাম-কাজৰ আচনি আশা কৰিছিল। কিন্তু তাৰ সলনি এই চৰকাৰে পুলিচ আৰু চি, আৰ, পিৰ হতুৱাই অসমবাসীৰ ওপৰত নানান অত্যাচাৰ, জোৰ-জুলুম আদি সন্ত্ৰাসৰ সৃষ্টি কৰে। তাৰ বাহিৰে তেওঁলোকে কোনো মঙ্গলমূলক আচনি হাতত লব পৰা নাই। আনকি তেওঁলোক নিজেই সৰ্ব্বসাধাৰণ ৰাইজৰ ওচৰলৈ যাব পৰা নাই। তাৰোপৰি তেওঁলোকে পুলিচ, চি, আৰ, পিৰ হতুৱাই সৰ্ব্বসাধাৰণ ৰাইজৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰি দিছে। অধ্যক্ষ মহোদয়, আপুনি জানে যে পুলিচ, চি, আৰ, পিৰ জৰীয়তে অসমৰ জনসাধাৰনক অতীষ্ঠ কৰি তুলিছে। তাৰ উপৰিও কেইবাজনো সদস্যই উল্লেখ কৰিছে যে ডেৰ বছৰ কাল আগৰ পৰা বিদেশী নাগৰিকৰ আন্দোলন চলি আছে। ৰাইজে আশা কৰিছিল যে এখন চৰকাৰ গঠন হোৱাৰ পিচত এই সমস্যা সমাধানৰ কাৰণে চৰকাৰ আগবাঢ়ি আহিব। আৰু এই সমস্যা সমাধানৰ কাৰণে আগভাগ লব। কিন্তু পৰিতাপৰ কথা যে এই চৰকাৰে সমস্যা সমাধান কৰা দূৰৰ কথা তেওঁ-লোকে পলায়নবাদী নীতিহে গ্ৰহণ কৰিছে। সদৌ অসম ছাত্ৰ সন্থা আৰু গণসংগ্ৰাম পৰিষদৰ দ্বাৰা যেতিয়া কোৱা হল যে কোনো পূৰ্ব্ব চৰ্ত্ত নোহোৱাকৈ আলোচনাত অংশ গ্ৰহণ কৰিব তেতিয়া তেওঁলোকে বিভেদমূলক নীতিৰ দ্বাৰা সৰ্ব্বসাধাৰনৰ মনত বিভেদৰ সৃষ্টি কৰি দিলে যাতে এই সমস্যাৰ আশু সমাধান হব নোৱাৰে। অধ্যক্ষ মহোদয়, অসমৰ এনে এটা জলন্ত সমস্যাৰ সম্পৰ্কত এই চৰকাৰে পলায়নবাদী মনোভাৱ লয় তেতিয়াহলে এই চৰকাৰ ৰাইজৰ আস্থাভাজন হব নোৱাৰে আৰু ৰাইজৰ

আস্থাভাজন নহলে সেই চৰকাৰ গণতান্ত্ৰিক চৰকাৰ হব নোৱাৰে। অধ্যক্ষ মহোদয়, এই চৰকাৰে আইন শৃংখলাৰ নামত যোৱা ৬ ডিচেম্বৰ তাৰিখে শপত গ্ৰহণ কৰি আৰু কেইদিন মানৰ পিচত যোৱা ২২ তাৰিখে মিৰ্জা, ৰঙিয়া আৰু বিভিন্ন অঞ্চলত শান্তিপূৰ্ণ সত্যাগ্ৰহীৰ ওপৰত গুলী চালনা কৰি ১০ জনতকৈয়ো অধিক লোকক হত্যা কৰিলে। অধ্যক্ষ মহোদয়, শান্তিপূৰ্ণ সত্যাগ্ৰহীৰ ওপৰত গুলী চলায় হত্যা কৰাৰ নিদৰ্শন হয়তো শাসনত অধিস্থিত টাইমুৰ চৰকাৰৰহে আছে। এই সংখ্যালঘিষ্ঠ চৰকাৰৰ কাৰ্য্যকলাপ দেখি ই এটা প্ৰাইভেট লিমিটেড কোম্পানীৰ ভূমিকা লৈছে বুলিহে কব পাৰি। বাহিৰা মানুহেও আহি ইয়াত চৰকাৰী নীতি ঘোষণা কৰে। গতিকে এই চৰকাৰৰ ওপৰত ৰাইজৰ আস্থা নাই গতিকে এই চৰকাৰে পদত্যাগ কৰিব লাগে। কেইবাজনো সদস্যই নিমখ আৰু বেগচিড্‌ৰ কথা উল্লেখ কৰিছে। এশ দিনৰ ভিতৰত এই চৰকাৰৰ দুৰ্নীতি তেওঁলোকৰ সদস্যইয়ো ডাইৰেক্টলি নহলেও ইনডাইৰেক্টলি সমৰ্থন কৰিছে। প্ৰেছ চেন্সৰৰ কথা শ্ৰীবৰবৰা ডাঙৰীয়াইয়ো উল্লেখ কৰিছে। গতিকে এইবিলাক কাৰণতে এনে এখন চৰকাৰ অসমৰ ওপৰত জাপি দি গণতন্ত্ৰক হত্যা কৰিছে। আৰু সেই কাৰণেই অনাস্থা প্ৰস্তাৱ আহিছে আৰু মই ইয়াক পূৰ্ণ সমৰ্থন দিছো। মই ইয়াৰ উপৰিও এই চৰকাৰৰ সৰু-সুৰা দুই এটা কথা কব বিচাৰিছো।

অধ্যক্ষ মহোদয়, যদিও সৰু কথা তথাপিও এই চৰকাৰৰ কাৰ্য্য-কলাপৰ এটা উদাহৰণ দিছো। শুনিবলৈ পাইছো যে গুৱাহাটী চিৰিয়াখানাত ৫ মোণ মাংসৰ প্ৰয়োজন হয়। এই মাংসৰ কাৰণে টেণ্ডাৰ কল কৰা হয়। নিয়মমতে ২০৯ টকাৰ ওপৰত টেণ্ডাৰ দিব নোৱাৰে। সেইমতে টেণ্ডাৰ কল কৰা হল। কিন্তু সেই টেণ্ডাৰ বন্ধ কৰি দি এজন বিশেষ ব্যক্তিক মাতি আনি ৩০০ টকাত তিনি বছৰৰ কাৰণে লিজত দিয়ে। এই

সৰু-সুৰা কথাবোৰৰ জৰিয়তে এই চৰকাৰৰ কাৰ্য্যকলাপ জানিব পৰা যায়। অধ্যক্ষ মহোদয়, ইয়াৰ আগতে চৰকাৰৰ পক্ষৰ বিশেষকৈ আমাৰ বন্ধু শ্ৰীচৌহান ডাঙৰীয়াই তেখেতৰ বক্তৃতাত দুই এটা কথা উল্লেখ কৰি বিশেষকৈ চৰকাৰ ভঙা পতাৰ কথা কৈ বেলেগ চৰকাৰ গঠন হোৱাত থকা কিছু অসুবিধাৰ কথা কৈছে। তাৰমানে চৰকাৰ যে ভাগিবই সেইটোত তেখেত প্ৰতীয়মান। আৰু নতুন চৰকাৰ গঠন কৰাৰ সম্পৰ্কে তেওঁ মূৰ ঘমাইছে। আৰু বিৰোধী পক্ষৰ মনত বিভেদ সৃষ্টি কৰিছে। অধ্যক্ষ মহোদয়, আপনি যদি লক্ষ্য কৰে দেখিবলৈ পাব যে আনোৱাৰা টাইমূৰ মন্ত্ৰীসভাৰ লগত বহি থকা আটাইবিলাক সদস্যই ডিফেক্টৰ মাত্ৰ ৮ জন সদস্যহে অৰিজিনেল পাৰ্টিৰ।

(সদনত মৃদু গুনগুনণি)

গতিকে চৌহান ডাঙৰীয়াই এইকথাৰে আমাৰ মাজত ভুল বুজাবুজিৰ সৃষ্টি কৰিব খুজিছে। অধ্যক্ষ মহোদয়, ইয়াৰ আগতে আমাৰ মাননীয় সদস্য শ্ৰীহেমেন দাস ডাঙৰীয়াই কৈছে যে ৰাষ্ট্ৰপতি শাসনৰ পৰা আজিলৈকে যিবিলাক জোৰ জুলুম আৰু আইন শৃঙ্খলাৰ কথা উল্লেখ কৰিছিল তেতিয়া কংগ্ৰেছ দলৰ সদস্য সকলে মন্তব্য কৰিছিল যে সেই সময়ত তেওঁলোকৰ দলৰ চৰকাৰ নাছিল। কিন্তু ৰাষ্ট্ৰপতি শাসনৰ কালছোৱাত কেন্দ্ৰৰপৰা ইন্দিৰা কংগ্ৰেছৰ চৰকাৰেই ৰাষ্ট্ৰপতিৰ নামত শাসনভাৰ চলাই আছিল। গতিকে সেই বিষয়ে আমি টাইমুৰ চৰকাৰৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ আনিছোঁ। ইন্দিৰা চৰকাৰৰ যি নীতি সেই নীতিয়ে জনসাধাৰনক ৰক্ষনাবেক্ষন দিব নোৱাৰে। সেই কাৰণেই এই চৰকাৰৰ বিৰোধিতা কৰি অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিছোঁ। আৰু আশা ৰাখিছো সদনৰ আন আন সদস্য সকলেও এই অনাস্থা প্ৰস্তাৱৰ প্ৰতি সমৰ্থন দি এই চৰকাৰ গাদীচ্যুত কৰিব।

Mr. SPEAKER : The House stands adjourned till 10.00 A. M. tomorrow the 24th March, 1981.

The House then rose at 5 P.M. and stood adjourned till 10 A.M. on Tuesday, the 24th March, 1981.

Dated, Dispur
The 23rd March, 1981

P.D. Barua
Secretary,
Assam Legislative Assembly

---